Printed at Bhaskar Printers, Dispur, Guwahati-6
2002

# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**No. 3**

The 5th March, 2001 (2002

Price—Rs. 48.50

# CONTENTS

**BUDGET SESSION**

**No. 3**

Dated, the 5th March, 2002


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1–66 |
| 2. | Discussion on Zero Hour Matter | 66–76 |
| 3. | Notice of Adjournment Motion | 76–81 |
| 4. | Report of the Business Advisory Committee | 81–83 |
| 5. | Call Attention Notices | 83–86 |
| 6. | Matter Under Rule 301. | 86–87 |
| 7. | Presentation of the List of Supplementary Demands for Grants and Supplementary Appropriation | 87 |
| 8. | Laying of Statement | 87–88 |
| 9. | Introduction of Government Bill | 88–90 |
| 10. | Laying of Reports | 90 |
| 11. | Debate on the Motion of Thanks on the Governor's Address | 90–124 |
| 12. | Announcement From The Chair | 124–125 |
| 13. | Obituary References | 125–127 |
| 14. | Adjournment | 127–128 |
| 15. | Annexure I, to VI | 128–149 |


—x—

# CONTENTS

## BUDGET SESSION

No. [illegible]

Dated, the 5th March, 2002


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—66 |
| 2. | Discussion on Zero Hour Matter | 66—76 |
| 3. | Notice of Adjournment Motion | 76—81 |
| 4. | Report of the Business Advisory Committee | 81—83 |
| 5. | Call Attention Notices | 83—86 |
| 6. | Matter Under Rule 304 | 86—87 |
| 7. | Presentation of the List of Supplementary Demands for Grants and Supplementary Appropriation | 87 |
| 8. | Laying of Statement | 87—88 |
| 9. | Introduction of Government Bill | 88—90 |
| 10. | Laying of Reports | 90 |
| 11. | Debate on the Motion of Thanks on the Governor's Address | 90—124 |
| 12. | Announcement from The Chair | 124—125 |
| 13. | Obituary References | 125—127 |
| 14. | Adjournment | 127—128 |
| 15. | Annexure I, to VI | 128—149 |


—X—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tursday, the 5th March, 2002

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Hon'ble Shri Prithibi Mashi, Speaker in the chair.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral replies were given )

**Mr. Speaker :** Now, Starred Question No. 21. Qustion Shri Karendra Basumatary.

Sub :- Recognised M.E. & High Schools.

**Shri Karendra Basumatary** asked :

★ 21. Will the Minister of Education be pleased to state :

(a) The total number of recognised M.E. & High Schools in Mazbat LAC of Darrang District ?

(b) Whether Government has taken any decision to provincialise the recognised M.E. & High Schools as mentioned at (a) in the year 2002-2003 ?

(c) If not, why ?

**Shri Hem Prakash Narayan** ( Minister, Education) replied :

(a) The number of recognised M.E. and High Schools are 19 (nineteen) and 11 (eleven).

(b) No.

(c) There is ban on creation of post and hence provincialisation of posts cannot be done now.

★ **Shri** Karendra Basumatary : I am not satisfied with the answers given by the Hon'ble Minister, Education. The previous Government also did not provincialise M.E School. Now the present Government also has not taken seriously this decision of provincialisation and also on lifting the ban on appointment. I want a clear commitment from the Government on this issue.

★ **Sri Hemprakash Narayan** ( Minister ) : Mr. Speaker Sir, In the budget for the year 2002-03 there are 10 and II numbers of recognised M.E, & High Schools, but there is no budget provision for provincialisation of recognised M.E. & High School in the current year. There is a ban on creation of new posts and hence, these schools cannot be provincialised. The matter will be considered depending upon the financial position of the Government.

★ **Sri Karendre Basumatary** : Mr. Speaker Sir, This is a lame excuse only. Budget should be made by the Government and the process should be made time-bound so as to be completed within 2002-03. In any case recognised schools must be provincialised irrespective of L.P, and M E. so on,

★ **Sri Hemprakash Narayan** ( Minister ) : Mr. Speaker Sir, in the last budget, the provision was inadequate

★ **Sri** Karendra **Basumatary** : Mr. Speaker Sir, It is all right. But what has been your commitment during the financial year 2001-02.

* Speech not corrected

★ শ্ৰীগোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কব নেকি যে মেম'ৰেন্দাম অৱ আন্দাৰষ্টেন্দিঙত যিটো চাইন কৰা হ'ল যাৰ ফলত নতুন পোষ্ট সৃষ্টি কৰাটো বন্ধ কৰা হৈছে আৰু যাৰ বাবে নতুন স্কুল প্ৰভিন্সিয়েলাইজদ কৰিব পৰা নাই, এই কথা সঁচা নে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ : মাননীয় অধ্যক্ষ মহোদয়, ওপৰোক্ত প্ৰশ্নৰ শিতানত এই প্ৰশ্নটো নাহে, তথাপিও কওঁ যে আগৰ চৰকাৰৰ দিনত কি হৈছিল সেই কথা মাননীয় সদস্য সকলে জানে। যোৱা বছৰ নালাগে, যোৱা পাচোটা বছৰত এখনো মজলীয়া স্কুল প্ৰভিন্সিয়েলাইজ হোৱা নাই।

★ শ্ৰীগোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে নতুন পোষ্ট সৃষ্টি নকৰাৰ কাৰণে কোনো স্কুল প্ৰভিন্সিয়েলাইজ কৰিব পৰা নাই এই কথাটো পৰিষ্কাৰকৈ কৈ দিবনে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে ইতিমধ্যে কৈছো হৈছেই ।

★ শ্ৰীজিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা, গৃহ আৰু স্বাস্থ্য এই তিনিটা বিভাগত মেম'ৰেন্দাম অৱ আন্দাৰষ্টেন্দিং অনুসাৰে নিদ বেড্ ভিত্তিত কনচেশ্যন আহিব নেকি ? অৰ্থনৈতিক অৱস্থা উন্নত নোহোৱাৰ কাৰণে যিহেতুকে স্কুল প্ৰভিন্সিয়েলাইজ কৰিব পৰা নাই তেনে ক্ষেত্ৰত বাইজে নতুন স্কুল তৈয়াৰ কৰাৰ সম্পূৰ্ণ বাধা নিষেধ কৰিছে নেকি ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মেম'ৰেন্দাম অৱ আন্দাৰষ্টেন্দিং মতে বেহাই দিয়াৰ পিচত সজা স্কুল প্ৰভিন্সিয়েলাইজ কৰা হয় ।

Mr. Speaker : Now, Starred question No. 22. by Shri Etuwa Munda.

* Speech not corrected

বিষয় : বিদ্যালয়ৰ সংখ্যা ।

শ্ৰীএস্তোৰা মুণ্ডাই সুধিছে :

★ ২২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১১৯ নং টিংখং সমষ্টিত মুঠ কিমানখন প্ৰাথমিক বিদ্যালয়, কিমান খন মজলীয়া বিদ্যালয় আৰু কিমানখন উচ্চ / উচ্চতৰ বিদ্যালয় আছে ?

(খ) এজনীয়া শিক্ষক থকা কিমানখন প্ৰাথমিক বিদালয় আছে ?

(গ) এজনীয়া শিক্ষক থকা বিদালয় সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিয়াৰ কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)
১) মুঠ প্ৰাথমিক বিদ্যালয়— ১৩৮ খন ।
২) মুঠ মজলীয়া বিদ্যালয় — ৬০ খন ।
৩) উচ্চ মাধ্যমিক বিদ্যালয়— ১২ খন ।
৪) প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় — ৪ খন ।

(খ) ৪০ খন ।

(গ) ছাত্ৰ - ছাত্ৰীৰ সংখ্যা অনুপাতে এজনীয়া শিক্ষক থকা বিদ্যালয় সমূহত অইন বিদ্যালয়ৰ পৰা শিক্ষক সংলগ্ন কৰাৰ ব্যৱস্থা কৰা হৈছে ।

★ শ্ৰীএষ্টোৰা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ (খ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে ৪০ খন বিদ্যালয় বুলি জনাইছে । কিন্তু মোৰ সমষ্টিত ৩৮ খনৰ ৩৬ খনেই এজনীয়া শিক্ষকৰ । মই এতিয়া জানিব খুজিছো যে এই এজনীয়া বিদ্যালয়বোৰ কেতিয়াকৈ দুজনীয়া কৰিব ? কৰবাত কৰবাত চৰকাৰী বিষয়াই বিষয়া কৰ্মচাৰী নিযুক্তি দিছে নেকি ? যদি দিছে তেন্তে সেইবোৰ বন্ধ কৰিবনে আৰু যি বিষয়াই নিযুক্তি দিছে তেওঁৰ বিৰুদ্ধে কি ব্যৱস্থা লব ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে চৰকাৰে প্ৰতিখন বিদ্যালয় আৰু, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ তথ্য

* Speech not corrected

সংগ্ৰহ কাৰ্য্য প্ৰায় সম্পূৰ্ণ কৰিছে। প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অনুপাত উলিয়াই এজন শিক্ষক থকা বিদ্যালয় বোৰত অধিক শিক্ষক থকা বিদ্যালয়ৰ পৰা শিক্ষক বদলি কৰাৰ ব্যৱস্থা লোৱা হৈছে। এই ব্যৱস্থা থকা বিদ্যালয়বোৰত ছাত্ৰ- ছাত্ৰী অনুপাতে এজন বা ততোধিক শিক্ষক বদলি কৰা হব।

আনহাতে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰত সমানুপাতিক ( ষ্টুদেন্ট টিচাৰ ৰেচিও ) প্ৰয়োগ কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

দ্বিতীয় প্ৰশ্নটোৰ উত্তৰত কওঁ যে বৰ্তমান চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিচত মজলীয়া বা উচ্চতৰ বিদ্যালয়ত এজনো শিক্ষক নিযুক্তি দিয়া নাই। যদি কৰবাত দিছে তেন্তে এই চৰকাৰে দায়িত্বভাৰ লোৱাৰ আগতে দিছিল।

★ শ্ৰীএ তাৰা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ দিনত যোৱা ফেব্ৰুৱাৰী মাহত মোৰ সমষ্টিত স্কুলৰ শিক্ষকৰ এপইন্টমেণ্ট দিয়া হৈছিল। মাননীয় মন্ত্ৰী মহোদয়ে যদি নামকেইটা বিচাৰে তেন্তে মই দিম। যিসকল বিষয়াই এই কামটো কৰিছে তেখেতৰ বিৰুদ্ধে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

দ্বিতীয়তে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে নতুন এপইন্টমেণ্ট দিয়াৰ কোনো ব্যৱস্থা নাই। অবৈধভাৱে নিযুক্তি দিয়া যিসকল চাবজেক্ট টিচাৰ আছে তেওঁলোকৰ ওপৰত কেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিব ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ফেব্ৰুৱাৰী মাহত যিসকল শিক্ষকৰ নিযুক্তি হৈছে তেওঁলোকৰ নাম আৰু বিদ্যালয়খনৰ নাম আমাক দিব। বিগত বছৰত হোৱা খেলি মেলিৰ কাৰণে আমি এই ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। এই মৰ্মে শিক্ষা বিভাগৰ বিষয়া সকলক নিৰ্দেশ দিছো এফ. আই, আৰত, জাননী দিছো আৰু প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয়, উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু প্ৰিন্সিপালৰ ওচৰত যদি কিবা তথ্য আছে তেতিয়াহলে চৰকাৰক

* Speech not corrected

জনাবলৈ নিৰ্দেশ দিছো। চাবজেক্ট টিচাৰৰ ক্ষেত্ৰত কওঁ চাৰ, মাননীয় অধ্যক্ষ মহোদয়ে জানিলে আচৰিত হব অসমৰ কিছুমান স্কুলত বিজ্ঞান আৰু বাণিজ্য বিষয়ত এজনো ছাত্ৰ-ছাত্ৰী নোহোৱাকৈ শিক্ষক নিয়োজিত হৈ বছৰ বছৰ ধৰি দৰমহা লৈ আছে। যদিহে এনেকুৱা হৈ থাকে তেতিয়াহলে আমাৰ পুঁজি টনকিয়াল হলেও তেনে শিক্ষকৰ আমি দৰমহা দিব নোৱাৰিম। তেনেকুৱা বিলাকক উঠাই দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু নেচনেলাইজ কৰাৰ বাবে নতুন ব্যৱস্থা গ্ৰহণ কৰিছো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰা মতে যদি তেনেকুৱা হৈছে তেনে বিদ্যালয় বিলাকত ব্যৱস্থা লব লাগে। কেৱল তলৰ লেভেলতে নহয় আয়ুক্তৰ পৰা সঞ্চালক পৰ্যায়লৈকে মানে উচ্চ পৰ্য্যায়লৈকে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ঘিলামৰা হাইস্কুলৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞানৰ বিষয় আছে ছাত্ৰ-ছাত্ৰীও আছে কিন্তু তাত শিক্ষক নাই। ইংৰাজী বিষয়ৰ কাৰণে শিক্ষক নিযুক্তি দিলে তাৰে শিক্ষক নাযায়। এনেকুৱা হলে অসম চৰকাৰৰ শিক্ষা বিভাগৰ পলিচিটো কি হব? এম, এ, বি, এ, পঢ়ি থকা স্থানীয় লৰা সকলৰ মাজত এখন কমিটি গঠন কৰি দিব লাগে। তেতিয়া বিষয় শিক্ষক নিযুক্তি দিয়াত সুবিধা হব। এই প্ৰক্ৰিয়াটো কেতিয়াৰ পৰা আৰম্ভ কৰিব? বিভাগীয় মন্ত্ৰী মহোদয়ে জনালে ভাল হয়।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমতে প্ৰাইমাৰী আৰু অন্যান্য স্কুল সমূহৰ পৰা তথ্য সংগ্ৰহ কৰা কাম আৰম্ভ কৰা হৈছে। এই বিলাক নেচনেলাইজ কৰি থকা হৈছে। প্ৰতিখন স্কুলতে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হব। ঘিলামাৰাৰ স্কুলত চায়েন্সৰ শিক্ষক আৰু ইংৰাজী বিষয়ৰ শিক্ষক দিবলৈ সঞ্চালকক অনুৰোধ কৰা হৈছে। এইখিনিতে মই কব বিচাৰিছো যে যিহেতু টিচাৰ এপইণ্টমেণ্ট আৰু ট্ৰেন্সফাৰ আদি কৰা বন্ধ হৈ আছে। কোন কোন স্কুলত কিমান শিক্ষক আৰু কিমান ছাত্ৰ-ছাত্ৰী আছে জিলা

* Speech not corrected

ভিত্তিত জনাবৰ বাবে নিৰ্দেশ দিয়া হৈছে। সেয়েহে বিদ্যালয়ৰ স্বাৰ্থত আমি নেচনেলাইজ কৰিব বিচাৰিছো।

আমাৰ মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কৈছে যেতিয়া মাষ্টাৰ ডিগ্ৰী আৰু গ্ৰেজুৱেচন লোৱা সকলৰ দায়িত্ব থাকিবই। জিলা বিলাকত যদি নিযুক্তি চান্স আছে তেনে ক্ষেত্ৰত তথ্য সহকাৰে জনাবলৈ আমি অনুৰোধ কৰিছো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ পলিচিটো ষ্টেট লেভেলত চিলেকচন হব নে ডিষ্ট্ৰিক্ট লেভেলত হব ? ধেমাজী, চকুৱাখানাৰ বিদ্যালয় বিলাকলৈ কোনো শিক্ষক নাযায়। গতিকে কি ভিত্তিত দিয়া হব এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় নতুনকৈ দিয়া নিযুক্তিবোৰ আমি বাতিল কৰিছো। প্ৰাইমাৰীৰ ক্ষেত্ৰত আমি পৰিচালনা সমিতি এখন গঠন কৰি দিছো। উচ্চ-উচ্চতৰ মাধ্যমিক পৰ্য্যাৰ প্ৰাৰ্থীক বাচনি সমিতিয়ে কৰিব।

★ শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰাইমাৰী স্কুলৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈকে যদি পৰিচালনা সমিতিয়ে কৰে তেতিয়াহলে কিছু ক্ষেত্ৰত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হব। স্পেচিফিক জিলা পৰ্যায়ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিযুক্তি দিবলৈ দিছে নেকি ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আচলতে প্ৰাইমাৰী বা মজলীয়া বিদ্যালয়ক নিদিয়ে। উচ্চতৰ মাধ্যমিক সকলকহে দিয়ে। জিলা ভিত্তিত স্থানীয় যুবকক প্ৰাৰ্থী হিচাবে দিয়াৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। তেখেত সকলৰ এখন লিষ্ট দিয়া হৈছে। জিলা ভিত্তিৰ পৰা ডিৰেক্টৰ লেভেললৈ আহে। ডিৰেক্টৰ লেভেলহে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰে। তাত এখন চিলেকচন বোৰ্ড আছে। কোনো ধৰণৰ অনিয়ম যাতে নহয় তাৰ বাবে তেওঁলোকে চোৱাচিতা কৰিব। অৰ্থনৈতিক ফালৰ পৰা মুক্ত কৰিবৰ বাবে এই ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

* Speech not corrected

★ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ কথাবোৰ স্পষ্ট আৰু পৰিষ্কাৰ হৈছে। সেই কাৰণে আমি তেখেতক শুনাগিছো। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে উচ্চতৰ মাধ্যমিক বিদ্যালয় বিলাক পৰিচালনা সমিতিক দায়িত্ব দিছে। এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান বিষয়ত থকা কেমেষ্ট্ৰিত যদি শিক্ষক নিযুক্তি নিদিয়ে তেতিয়াহলে পৰিস্থিতি ভয়াবহ হব। কাৰণ কোনো এখন হাইস্কুলতে বিষয় শিক্ষকৰ পদ পুৰণ কৰিব পৰা নাই।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া এইটো সিদ্ধান্তলৈ অহা নাই।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো চাৰ্কোলেট কৰা হৈছে নে নাই ? যিখন পৰিচালনা সমিতি গঠন কৰা হব তাত ৰিটায়াৰ্ড এডুকেচনেলিষ্ট ইনষ্টিউটিচন থাকিব নে নাই ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, তাত তেনেকুৱা কোনো কথা নাই।

**Mr. Speaker :** Now, Starred Question No. 23.

**Re : Appointment of Lecturer.**

**Shri Pabindra Deka asked :**

★ 23. Will the Minister of Education be pleased to state :

(a) Whether it is fact that the only Lecturer in Assamese of the K. K Handique Government Sanskrit College, Guwahati has been transferred to Cotton College in October, 2000 ?

(b) If so, whether Lecturer in Assamese has been appointed in the vacant post of the said College ?

(c) If not, why ?

(d) Whether Government is aware that the students

---

• Speech not corrected

of the said College are suffering as Assamese Classes have been cancelled due to the non appointment of an Assamese Lecturer ?

(e) If so, whether Government will take immediate step to fill up the said post by appointment or by transferring a Lecturer from other Government Degree College ?

**Shri Tarun Gogoi** (Chief Minister) replied :

(a) Yes.

(b) Yes, already filled up by transfer.

(c) Does not arise.

(d) Yes.

(e) Does not arise.

**Mr. Speaker :** Now, Starred Question No. 24.

**বিষয় : গড়ৰ মৃত্যু।**

**শ্ৰীশুকুৰ আলী আহমেদে সুধিছে :**

★ ২৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান অসমত কিমানটা গড় আছে ?

(খ) ২০০০-২০০১ আৰু ২০০১-২০০২ চনত কিমানটা গড় চোৰাং চিকাৰীৰ হাতত আৰু কিমানটা গড়ৰ স্বাভাৱিক মৃত্যু হৈছে ?

(গ) চৰকাৰে চোৰাং চিকাৰীয়ে গড় নিধন বন্ধ কৰাৰ বাবে কি ব্যৱস্থা লৈছে ?

**Shri G. C. Langthasa** ( Forest Minister ) replied :

(a) According to 1999 Census at present there are about 1672 Nos. of Rhino in Assam.

(b) During the period from April / 2000 to March / 2001

---

* Speech not corrected

the number of Rhinos killed by poachers— 16 Nos.

Natural death— 47 Nos.

During the period from April, 2001 to 2002

Number of Rhinos killed by poachers— 8 Nos.

Natural death— 33 Nos.

(c) To stop killing of Rhinos by poachers the Department has taken up intensive petrolling by Department petrolling parties in the protected areas.

**Mr. Speaker :** Starred Question No. 25.

বিষয় ঃ চৰকাৰীকৰণ বিদ্যালয়ৰ সংখ্যা।

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :**

★ ২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান অসমত কিমানখন চৰকাৰীকৰণ প্ৰাথমিক / মজলীয়া / মধ্য ইংৰাজী / উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে ?

(খ) সৰ্বমুঠ কিমানজন অধ্যক্ষ / উপাধ্যক্ষ / শিক্ষক / শিক্ষয়িত্ৰী কৰ্মচাৰী পৰিকল্পনা / অপৰিকল্পনা শিতানত আছে ?

(গ) এই সকল কৰ্মচাৰীক মাহিলী বেতন দিওঁতে পৰিকল্পনা আৰু অপৰিকল্পনা শিতানত কিমান প্ৰয়োজন হয় ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :**

(ক) বৰ্ত্তমান অসমত নিম্নোলিখিত সংখ্যক চৰকাৰী বিদ্যালয় আছে।

১। প্ৰাথমিক বিদ্যালয়— ৩১,৯২৬ খন।

২। মজলীয়া ও মধ্য ইংৰাজী বিদ্যালয়— ৭,১৮২ খন।

৩। উচ্চ মাধ্যমিক বিদ্যালয়— ২,৭৯৭ খন।

৪। উচ্চতৰ মাধ্যমিক বিদ্যালয় — ৬০২ খন।

(খ) বৰ্ত্তমান অসমত পৰিকল্পনা শিতানত ৫৪,৩০৭ জন আৰু পৰিকল্পনা

* Speech not corrected.

বৰ্হিভূত ( অপৰিকল্পনা ) শিতানত ১,৪৩,৬৫৩ জন অধ্যক্ষ / উপাধ্যক্ষ/ শিক্ষক / শিক্ষয়িত্ৰী কৰ্মচাৰী আছে।

(গ) ওপৰোক্ত শিক্ষক কৰ্মচাৰী সকলক মাহিলী বেতন দিওঁতে পৰিকল্পনা শিতানত ব্যয় হয় ২৮,১৪,৫২,০০০/- টকা আৰু পৰিকল্পনা বৰ্হিভূত (অপৰিকল্পনা) শিতানত ব্যয় হয় ১১৯,৪৭,৯৬,০০০/- টকা।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, 'ক' আৰু 'গ' প্ৰশ্নৰ উত্তৰত কৈছে যে শিক্ষক কৰ্মচাৰীক মাহিলী বেতন দিওঁতে পৰিকল্পনা শিতানত ব্যয় হয় ২৮,১৪,৫২,০০০ টকা আৰু পৰিকল্পনা বৰ্হিভূত শিতানত ব্যয় হয় ১২৯,৪৭,৯৬,০০০ টকা তেনে ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে জনাব লাগে এতিয়ালৈকে কিমানজন শিক্ষক কৰ্মচাৰীয়ে দৰমহা নোপোৱাকৈ আছে ? কিমানজন শিক্ষক কৰ্মচাৰীয়ে মাহিলী দৰমহা নোপোৱাকৈ আছে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান কিমান শিক্ষকে দৰমহা পোৱা নাই সেই বিষয়ে বিতং তথ্য সদ্যহতে এই মুহূৰ্ত্তত মোৰ হাতত নাই, এইটো ঠিক যে বহু শিক্ষকে দৰমহা পোৱা নাই আৰু সেইটো কেৱল টকা-পইচাৰ কথাই নহয়, তাত কিছুমান অনিয়ম নিযুক্তি আৰু আচৰিত কথা আছে। এই প্ৰশ্নটোৰ সম্পৰ্কত মই জনাব বিচাৰিছো বৰ্ত্তমান অসমত চৰকাৰী বিদ্যালয় হিচাবে প্ৰাথমিক বিদ্যালয় আছে ৩১,৯২৬ খন, মজলীয়া ও মধ্য ইংৰাজী বিদ্যালয় আছে— ৭,১৮২ খন, সেইদৰে উচ্চ মাধ্যমিক বিদ্যালয় আছে, ২,৭৯৭ খন আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে ৬০২ খন আৰু সেইমতে পৰিকল্পনা শিতানত ৫৪,৩০৭ জন আৰু পৰিকল্পনা বৰ্হিভূত শিতানত ১,৪৩,৬৫৩ জন অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক, শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী আছে আৰু তেওঁলোকক মাহিলী বেতন দিওঁতে পৰিকল্পনা শিতানত ব্যয় হয় ২৮,১৪,৫২,০০০ টকা আৰু পৰিকল্পনা বৰ্হিভূত শিতানত ব্যয় হয় ১১৯,৪৭,৯৬,০০০ টকা। ইয়াৰ উপৰিও পাৰ্বত্য জিলা দুখন সামৰি

---

* Speech not corrected

বৰ্তমান অসমত চৰকাৰীকৰণ স্কুল আছে — প্ৰাথমিক ৩১৯৬৭ খন, মজলীয়া আৰু মধ্য ইংৰাজী — ৭২২১ খন আৰু সেই হিচাবে পৰিকল্পনা শিতানত ৩৭৪৭২ জন শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিকল্পনা বৰ্হিভূত শিতানত ১,০৪,৮৯২ জন। উক্ত শিক্ষকৰ দৰমহা বাবদ প্ৰতি মাহে পৰিকল্পনা শিতানত ১৭,৩৮,১৫০০০ টকা। ইয়াৰ ভিতৰত কৃষ্ণ ফলক অ'াচনি আৰু হিন্দী শিক্ষকৰ বাবে মুঠ ১০,৩৪৪ জন শিক্ষকৰ বাবে মাহে ২,৯২,৮২,০০০ টকাৰ প্ৰয়োজন হয়। তাৰোপৰি দশম পৰিকল্পনাত উক্ত টকা কেন্দ্ৰীয় সাহায্যৰ পৰিবৰ্তে ৰাজ্যিক পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতানৰ অধীনত স্থানান্তৰ কৰাৰ প্ৰয়োজন হব আৰু অপৰিকল্পনা শিতানত মাহে ৮৮,৬৬,৩৮,০০০ টকাৰ প্ৰয়োজন হব। বৰ্তমান অসমত ২৭১৭ খন উচ্চ মাধ্যমিক আৰু ৬০২ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণ হৈ আছে। এই বিদ্যালয় সমূহত পৰিকল্পনা শিতানত ১৬,৮৩৫ জন আৰু পৰিকল্পনা বৰ্হিভূত শিতানত ৩৫,৭৬১ জন অধ্যক্ষ, উপাধ্যক্ষ শিক্ষক কৰ্মচাৰী আছে। এই কৰ্মচাৰীসকলক বেতন দিওঁতে মাহিলী পৰিকল্পনা শিতানত ১০,৭,৩৩০ লক্ষ্য আৰু পৰিকল্পনা বহিভূত শিতানত ৩০৮১,২৮ লক্ষ্য টকাৰ প্ৰয়োজন হব।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো পৰিকল্পনা শিতানত কৰ্মচাৰীক কিমাহ দৰমহা দিবলৈ বাকী আছে? তাৰোপৰি এই যে কৃষ্ণ ফলক অ'াচনিৰ অধীনত ১০ হাজাৰ জন শিক্ষকৰ বাবে যিটো টকা ইয়াত উল্লেখ কৰিছে সেই টকাটো বেলেগ বিভাগলৈ দাইভাৰ্ট কৰাৰ কাৰণে তেওঁলোকক দৰ্মহা দিব পৰা নাই, এই বিষয়ে কবনে?

★ শ্ৰীপ্ৰেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ৰ বিতং তথ্য বৰ্তমান মোৰ হাতত নাই। এই ক্ষেত্ৰত সুকীয়া প্ৰশ্ন হলে ভাল হয়।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া: কৃষ্ণ ফলক অ'াচনিৰ বিষয়ে মন্ত্ৰী মহোদয়ে

* Speech not corrected

নিজেই উল্লেখ কৰিছে, সেই কাৰণেই মই কব বিচাৰিছো এই যে ১০ হাজাৰ শিক্ষকৰ কথা কৈছে তেওঁলোকৰ দৰমহাৰ ব্যৱস্থা কৰিবনে ? কিয়নো তেওঁলোকে ইলেকশ্যান মেনিফেষ্টত কৈছিল মাহৰ প্ৰথম দিনাখনেই কৰ্মচাৰী সকলক দৰমহা দিয়া হব, এতিয়া তেওঁলোকে ৬০ দিনত এমাহ ধৰিছে নেকি ?

( সদনত হুলস্থুল )

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা :** মাননীয় অধ্যক্ষ মহোদয়, মই কোৱা নাই মাত্ৰ প্ৰশ্ন কৰিছো।

★ **শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকা অইন শিতানলৈ দাইভাৰ্ট হৈছে, ৯ বছৰ মান আগতেই শিক্ষক সকলক নিযুক্তি দিয়া হৈছিল। কৃষ্ণ ফলক আঁচনিৰ অধীনত দিবলৈ ব্যৱস্থা কৰা হৈছে। এইখিনি দিয়াৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহিলে বাকীখিনি দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা কৰিব পাৰিম।

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা :** মাননীয় অধ্যক্ষ মহোদয়ে, মই আন এটা গুৰুত্বপূৰ্ণ বিষয় মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ ৰাজ্যখনত জনসংখ্যা বৃদ্ধি হৈছে যদিও এতিয়া ২ কোটি ৭০ লাখৰ ওপৰত হৈছে আৰু য'ত ৪০ হাজাৰৰ ওপৰত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আছে, তেনে ক্ষেত্ৰত আজি স্কুলৰ সংখ্যা যিমান আছে সেই অনুপাতে জনসংখ্যাৰ যিটো হাৰ সেইটো চাব লগীয়া। তাৰোপৰি অজস্ৰ প্ৰাইভেট স্কুল আছে গতিকে জনসংখ্যাতকৈ শিক্ষকৰ সংখ্যা বেচি হোৱা নাইনে, সেইটো চাবনে ?

★ **শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে কোৱাৰ দৰে আজি ৰাজ্যখনত যিমান বিলাক স্কুল খোলা হৈছে সেইটো নিয়ম-নীতিৰ মাজৰে খোলা হৈছে নে নাই সেইটো চাবলগীয়া হৈছে। বিগত দিনত আমি মন কৰি আহিছো ৰাজ্যখনত বিভিন্ন অঞ্চলত খেয়াল-খুসিত কিমান স্কুল

---

* Speech not corrected

গঢ়ি উঠিছে। জনসংখ্যা অনুপাতে যিটো বেচিয়োত স্কুল বিলাক হব লাগিছিল বা যিমান সংখ্যক শিক্ষক হব লাগিছিল সেই সমতাটো ৰক্ষা কৰিব পৰা হোৱা নাই। গতিকে আগলৈ যাতে শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত যাতে সমতা ৰক্ষা কৰিব পাৰি সেই বিষয়ে চোৱা হব আৰু এইটো মই আশ্বাস দিছো আৰু এই ক্ষেত্ৰত আপোনালোকৰ সহায়-সহযোগ বিচাৰিছো।

★ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ভৱিষ্যতে স্কুল কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰিব বিচাৰিছে নেকি ? চৰকাৰৰ ফালৰ পৰা বিধিগত ভাবে বাধা আৰোপ কৰিব বিচৰা হৈছে নেকি ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, সদ্যহতে বাধা দিয়াৰ কথা অহা নাই, গোটেইখিনি কথা স্ক্ৰুটিনি কৰি চাই-চিতি কেনে ধৰণৰ ব্যৱস্থা হাতত লোৱা হব সেই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি কেবিনেটত সুসংগত হিচাবে এটা সিদ্ধান্ত লোৱাৰ কাৰণে চিন্তা কৰা হব। কেইবছৰ মানৰ পৰা যিটো পদ্ধতিত যধে-মধে স্কুল কৰাৰ প্ৰক্ৰিয়া সেইটোত কিছু বাধা আৰোপ কৰিব লাগিব আৰু সেইকাৰণে বৰ্তমান ৰিবোগ-নাইজেশ্যান আৰু প্ৰভিনচিয়েলাইজেশ্যন প্ৰক্ৰিয়াটো সদ্যহতে স্থগিত ৰখা হৈছে।

★ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো চৰকাৰী ভাবে স্কুল খোলাৰ অনুমতি বা স্বীকৃতি বন্ধ কৰিছে নেকি ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বাধা আমি কৰা নাই। কিন্তু যধে মধে স্কুল প্ৰতিষ্ঠা কৰাত আমাৰ চৰকাৰ পক্ষপাতি নহয়। সেই কাৰণে আমাৰ চৰকাৰে স্কুলৰ মেপিং তৈয়াৰ কৰি কেবিনেটত আলোচনা কৰাৰ চিন্তা কৰিছে। স্কুল প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কিবা এটা নীতি লব নোৱাৰিলে প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক বিদ্যালয়লৈ এটা মেতাৰ এণ্ডি ৰিজিনেচ হব। এই মেপিং তৈয়াৰ হোৱাৰ পাছত যিবিলাক ঠাইত স্কুল

* Speech not corrected

নাই সেই বিলাক ঠাইত স্কুল নাই সেই বিলাক ঠাইত স্কুল প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰা হব।

★ শ্ৰীবিশ্বজিৎ দৈমাৰী : মাননীয় অধ্যক্ষ মহোদয়, অসমত বড়ো মিডিয়ামৰ স্কুলো আছে, অসমত সকলো মিডিয়ামৰ স্কুলেই আছে কিন্তু বড়ো মিডিয়াম স্কুল প্ৰতিষ্ঠা অন্য স্কুলৰ তুলনাত পিছত হৈছে গতিকে বড়ো মিডিয়াম স্কুলত স্বীকৃতি দিয়াটো নিষিদ্ধ থাকিব নালাগে।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত কেবিনেটত আমাৰ মুখ্য মন্ত্ৰীয়ে নিশ্চয় কিবা এটা সিদ্ধান্ত লব। স্কুল সমূহৰ পঞ্জিচনটো নৱনাকৈ এতিয়াই একো কৰ নোৱাৰো।

Mr. Speaker : Now, Starred Question No. 26. Questioner Dr. Tara Prasad Das.

বিষয় : পাঠ্যপুথি যোগানৰ ব্যৱস্থা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে :

★ ২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নতুন শিক্ষা বৰ্ষ আৰম্ভ হোৱা এটা মাহ অতিক্ৰম হ'ল যদিও আজিলৈকে চৰকাৰে পাঠ্যক্ৰমৰ পুথি যোগান ধৰিব নোৱাৰাত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক সকলে পাঠ্যপুথি বিচাৰি হাহাকাৰৰ সন্মুখীন হোৱাটো চৰকাৰ জ্ঞাতনে ?

(খ) বৰ্তমানৰ চৰকাৰে পাঠ্যপুথি যোগান ধৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেতিয়ালৈকে পাঠ্যপুথি সমূহ যোগান ধৰা হব ?

(গ) শিক্ষা বিভাগত অৰাজকতা দূৰ কৰি সংস্কাৰ কৰিব বুলি আশ্বাস দিয়া চৰকাৰখনে প্ৰকৃততে সুশৃংখল আঁচনিৰ অভাৱত ব্যৰ্থ হোৱা বুলি উত্থাপিত অভিযোগ প্ৰত্যাহ্বান জনোৱাৰ বাবে চৰকাৰৰ এনেকুৱা কিবা স্পষ্ট ও বাস্তৱ নীতি আছে নেকি ?

* Speech not corrected

শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই বছৰৰ ইং ২৫ ২-২০০২ তাৰিখলৈ সকলো কিতাপ প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ বাবে মুকলি কৰি দিয়া হৈছে ।

(খ) 'ক' ত উত্তৰ দিয়া হৈছে ।

(গ) সুশৃংখল আঁচনিৰ অভাৱত চৰকাৰ ব্যৰ্থ হোৱা বুলি কৰা অভি-যোগৰ কোনো ভিত্তি নাই । বাস্তৱিকতে, বিগত পাঁচ ছয় বছৰ ধৰি হোৱা বিত্তীয় নাটনিহে আঁচনিৰ ৰূপায়ণৰ পথত বাধাৰূপে থিয় দিছে ।

★ ডাঃ তাৰা প্ৰসাদ দাস : মাননীয় অধ্যক্ষ মহোদয়. মাননীয় মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত কৈছে যে ২৫/২/২০০২ তাৰিখৰ ভিতৰত সকলো কিতাপ প্ৰকাশ কৰি উলিয়াই দিয়া হৈছে কিন্তু বৰপেটা জিলাত আজিও ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পোৱা নাই । পুৰণা কিতাপেৰে ছাত্ৰ ছাত্ৰীয়ে পাঠ আৰম্ভ কৰিছে । বৰপেটা জিলাত ৪ টকাৰ কিতাপখন বজাৰত ৯ টকাত বিক্ৰী কৰিছে, ৰাজ্য চৰকাৰে বাৰে বাৰে বিবৃতি দি ফুৰিছে যে শতকৰা ৫০ ভাগ ৰেহাইত কিতাপ দিয়া হব বুলি মন্ত্ৰী মহোদয়ে কিয় কয় ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসম পাঠ্যপুথি নিগমে ১৯৭২ চনৰ পৰা ৰাষ্ট্ৰীয়কৃত পাঠ্যপুথি প্ৰকাশ কৰি আহিছে । বৰ্ত্তমানে নিগমে ১৩ টা বিভিন্ন ভাষাৰ পাঠ্যপুথি প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰকাশ কৰি আহিছে । নিগমে যিমান সম্ভৱ কম খৰচত ছাত্ৰ-ছাত্ৰীৰ বাবে ১৮৫ টা বিষয়ৰ পাঠ্য পুথি প্ৰকাশ কৰি গ্ৰহণযোগ্য মূল্যত লাভ লোকচানৰ সমতা ৰক্ষা কৰি বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিছে । বিনামুলীয়া পাঠ্যপুথিৰ যোগান ধৰা আঁচনি ১৯৮৬ চনত আৰম্ভ হৈছিল আৰু ৩১/১২/২০০০ চনলৈ চলি আছিল । বিনামুলীয়া পাঠ্যপুথিৰ আঁচনি প্ৰথম শ্ৰেণীৰ পৰা ৭ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰৱৰ্ত্তন কৰা হৈছে । ৰেহাই মূল্যত পাঠ্যপুথি যোগান আঁচনি ১-১-২০০০ চনৰ পৰা ১ম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ আগবঢ়োৱা হৈছে ।

* Speech not corrected

বিনামূলীয়া পাঠ্যপুথি যোগান আঁচনিৰ বাবে পাঠ্যপুথি নিগমে চৰকাৰৰ পৰা ১৬.৬২ কোটি টকা পাবলগীয়া আছে। ইয়াৰ উপৰিও চলিত বছৰত পাঠ্যপুথি যোগান আঁচনিৰ বাবে নিগমে চৰকাৰৰ পৰা ২০.২২ কোটি টকা পাবলগীয়া আছে আৰু অদ্যপৰ্যন্ত এই টকাখিনি উলিয়াই দিয়া হোৱা নাই। আৰ্থিক অভাবৰ বাবে নিগমে প্ৰয়োজনীয় সংখ্যক পাঠ্যপুথি সময়মতে প্ৰকাশ কৰাত অসুবিধাৰ সন্মুখীন হব লগা হৈছে। এই বছৰ নিগমে পাঠ্য-পুথি প্ৰকাশৰ বাবে পাঠ্যপুথিৰ সংখ্যা ৩০,৬০,০০০ নিৰ্দ্ধাৰণ কৰিছিল আৰু এইখিনি পাঠ্যপুথি ইতিমধ্যে বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিছে।

★ ডাঃ তাৰা প্ৰসাদ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নৰ উত্তৰত কৈছে যে, বিত্তীয় নাটনিৰ হেতু কাগজ কিনাত হিন্দুস্থান পেপাৰ নিগমৰ পৰা মুকলি বজাৰত কিনিব-লগীয়া হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো মুকলি বজাৰ আৰু হিন্দুস্থান পেপাৰ নিগমৰ মাজত মুকলি বজাৰত কিনা বাবদ কিমান টকা পাৰ্থক্য হৈছে। এইখিনিলৈকে মুকলি বজাৰৰ পৰা কিনা কাৰণে কিমান টকা খৰচ হৈছে। আৰু কিমান টকা মুকলি কৰি দিছে জনাবনে।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মুকলি বজাৰতকৈ হিন্দুস্থান পেপাৰ মিলত অলপ সস্তা। কিন্তু হিন্দুস্থান পেপাৰ মিলত বহুত টকা বাকী দিবলগীয়া থকা বাবে তেওঁলোকে আৰু বেছি কাগজ দিব নোৱাৰিলে। সেয়েহে আমি চাহিদালৈ চাই মুকলি বজাৰত কিনিবলৈ বাধ্য হয়। কিমান টকাৰ পাৰ্থক্য হৈছে এতিয়াই কব নোৱাৰো কিন্তু ইতিমধ্যে ২২ লাখ টকা নিগমক চৰকাৰৰ ফালৰ পৰা উলিয়াই দিয়া হৈছে আৰু সেই নিগমে এইবিলাক কিতাপ প্ৰকাশ কৰিছে। ☆

★ ডাঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই ৪ টকাৰ কিতাপখন বজাৰত ৯ টকাত বিক্ৰী কৰিছে নেকি বুলি

* Speech not corrected

মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছে কিন্তু তাৰ উত্তৰটো মন্ত্ৰী মহোদয়ে এৰাই চলিছে। ইতিমধ্যে ৬০ খন কিতাপ নিগমে বন্ধ কৰিছে কি কাৰণে ব্যাণ্ড কৰিছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আনহাতে ১ জানুৱাৰীৰ পৰা ছাত্ৰ ছাত্ৰী সকলে কিতাপ পাব লাগিছিল। কিন্তু ২ মাহ পাৰ হৈ যোৱাৰ পাছত ২৫-২-২০০০ তাৰিখেহে কিতাপ উলিয়াই দিছে। গতিকে ৪ টকাৰ কিতাপ ৯ টকাত কিয় বিক্ৰী কৰিছে, ৬০ খন কিতাপ কিয় ব্যাণ্ড কৰিছে আৰু ২ মাহ যোৱাৰ পাছত কিয় কিতাপ উলিয়ালে তাৰ উত্তৰ দিব লাগে।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকী নিজে মন্ত্ৰী হৈ চৰকাৰৰ শাসনৰ গাদীত আছিল যোৱা ৫ বছৰত। তেওঁলোকৰ চৰকাৰৰ দিনত পাঠ্যপুথি নিগমক এক পইছাও দিয়া নাছিল। ১৯ কোটি টকা নিগমক দিবলগীয়া হৈছে, নিগমৰ বৰ্তমান অৱস্থাত চিয়াহী কলম কিনিবলৈও পইছা নাই। আমাৰ চৰকাৰ অহাৰ মাহত ২২ লাখ টকা মোকলাই দিয়া হৈছে আৰু সেই পইছাৰে বজাৰত কিতাপ মুকলি কৰি দিছে। তেওঁলোকৰ চৰকাৰেহে নিগম দেওলীয়া কৰি থৈ গৈছে। ৬০ খন কিতাপ কিয় ব্যাণ্ড কৰা হৈছিল বুলি কৈছে কিন্তু তেখেত সকলৰ দিনত প্ৰাথমিক শিক্ষক সন্মিলনীয়ে গোলাঘাট নলবাৰী আদি জিলাত তেওঁলোকে প্ৰকাশ কৰা কিতাপ কিনিবলৈ বাধ্য কৰাইছিল। এতিয়া প্ৰাথমিক শিক্ষক সন্মিলনীয়ে এই গন্ডোগোলীয়া চেপ্তাৰটো ওৰ পেলাবলৈ ধৰাত ইয়াক ব্যাণ্ড কৰা হৈছে। তেওঁলোকে প্ৰকাশ কৰা কিতাপ কিনিবলৈ ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি অভিভাৱকলৈ বাধ্য কৰাইছিল। এই কিতাপ বিলাকৰ দ্বাৰা তেওঁলোকে এটা সময়ত শিক্ষাৰ ক্ষেত্ৰত অৰাজকতাৰ সৃষ্টি কৰিছিল।

★ ডঃ জয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ৪ টকাৰ কিতাপ ৯ টকাত কিয় বিক্ৰী কৰিলে আমি ১৮ বছৰীয়া দল আপোনালোকৰ দলটো হৈছে ১০০ বছৰীয়া দল। ১০০

* Speech not corrected

বছৰীয়া দলটোৱে কিয় ভুল কৰে। ৪ টকাৰ কিতাপ ৯ টকাত বিক্ৰী কৰা হয় নে নহয় ?

( সদনত হুলস্থুল, মন্ত্ৰীৰ উত্তৰ নাই )

★ শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ২৫-২-২০০২ তাৰিখে কিতাপ সমূহ মুকলি কৰি দিয়া বুলি কৈছে কিন্তু বড়ো মাধ্যমৰ কিতাপ এতিয়াও বজাৰত মুকলি কৰি দিয়া নাই। বড়ো মাধ্যমক ইয়াৰ দ্বাৰাই অৱহেলা কৰা হৈছে। বড়ো মাধ্যমৰ কিতাপ কিয় উলিয়াই দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে ১৩টা ভাষাৰ কিতাপ প্ৰকাশ কৰিছো। বড়ো মাধ্যমৰ কিতাপো তাত আছে।

শ্ৰীআলী আকবৰ মিঞা : মাননীয় অধ্যক্ষ মহোদয়, ৪ টকাৰ কিতাপ ৯ টকাত কিয় বিক্ৰী হৈছে আমি জানিব বিচাৰিছো। বহুত জিলাত এতিয়াও কিতাপ যোৱাই নাই। আমি দুখেৰে কবলৈ বাধ্য হৈছো।

সদনত হুলস্থুল, কেবাজনো মাননীয় সদস্যই কবলৈ উঠে—

★ শ্ৰীবিপুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, এইখন মাছৰ বজাৰ নহয়, মাননীয় সদস্য গৰাকীয়ে মাননীয় সদনক মাছ বজাৰ সজাব বিচাৰিছে কিয় ?

( সদনত পুনৰ হুলস্থুল )

★ ডঃ জয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাছ বজাৰ আপোনালোকে কৰিছে।

( পুনৰ হুলস্থুল )

★ শ্ৰীআলী আকবৰ মিঞা : মাননীয় অধ্যক্ষ মহোদয়, কিতাপ দিওঁতে ২ মাহ পাৰ হ'ল কিয় ? ইয়াৰ বাবে চৰকাৰে দোষী নে কোনোবা বিষয়া। যদি বিষয়া দোষী হয় কিবা শাস্তি দিব নে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কিতাপৰ মূল্য সামান্য বেছি হৈছে সঁচা কথা কিন্তু বেছি মূল্যত বিক্ৰী

* Speech not corrected

হৈছে নে অনুসন্ধান কৰি ব্যৱস্থা লম। কিন্তু ২৫ তাৰিখেহে উলিয়াই দিছো এনে নহয়। পৰ্য্যায়ক্ৰমে উলিয়াই দিয়া হৈছে আৰু ২৫ তাৰিখে শেষ কৰিছো। নিৰ্দিষ্ট অভিযোগ দিলে অনুসন্ধান কৰিম।

Mr. Speaker : Now, Starred Question No 27. Hon'ble Member, Shri Bimalangshu Roy.

**Re: Teacher's Training College**

Shri Bimalangshu Roy asked :

★ 27. Will the Minister of Education be pleased to state :

(a) Is it a fact that Teacher's Training College, Silchar is likely to derecognise and disaffiliation in 2002 due to acute shortage of staff and the National Council for Teacher Education has already drastically curtailed the intake capacity of the College from 150 to 80 ?

(b) Is it a fact that out of 10 posts of Professors and Lecturers 6 (Six) posts are likely to be vacant in November, 2002 ?

(c) Is it a fact that Principal of the College vide letter No. TTCS / APP / Others / 1/2001 / 690 dtd. 12-11-2001 has brought the position of the College to the notice of the Government but no action has yet been taken ?

(d) Will the Government take urgent steps for filling up of the vacancies ?

(e) If so, when and if not why ?

Shri Hem Prakash Narayan (Minister of Education) replied :

(a) No.

---

* Speech not corrected.

(b) Yes.

(c) The matter has been brought to the notice of Government and action is being taken for filling up of the vacancies of all Government Teachers Training Colleges.

(d) Yes.

(e) Noted.

★ **Shri Bimalangshu Roy:** As the Hon'ble Minister has replied, even though I am afraid that the Hon'ble Minister in his reply has shown the records with does not appear to be similar to my question. My question is whether the intake capacity of the Government colleges was drastically reduced from 150 to 80 by the NCTE and Hon'ble Minister has replied "no". But the record available from the Principal is with me. A letter to the Commissioner & Secretary to the Government of Assam, Education Deptt. and Director, NCERT, Assam and a copy of which is also available me which shows that the permitted intake capacity was 150 earlier. But due to acture shortage of total number of teaching staff, it was drastically reduced only to 80. The reply to this question is not satisfactor for which I request the Hon'ble Minister to the same.

★ **Shri Hem Prakash Narayan (Minister):** The Teacher's Training College Silchar had 150 intake capacity with 8 faculties members while it was under recognission of the Gauhati University. The institute

* Speech not corrected

was recognised by the NCTE until further order vide letter No. ERC/7-16/2001/149 dtd. 17/1/2001 When the National Council for Teacher Education was formed all B. Ed. colleges of the State were brought under the purview of NCTE and the NCTE fixed the intake capancity of Teacher's Training College, Silchar at 80.

At present there are 4 vacant posts of lecturers in TTC Silchar and a other 2 posts of Professor will fall vacaent in the month of Nove /2002. Abtion is being taken for filling up of vacant posts of Lecturer of all Govergment B.ED Colleg including TTC Silchar. For the purpose, Director, SCERT, Assam has been asked recently to furnish a draft advertisement to be published through APSC. The filling up of the post will be subject to approval of SLEC.

★ Shri Bimalangshu Roy : This college was recognised by the Government of Assam in the year, 1983 and it is recognised by the Gauhati University. It is also a fact that the intake capacity of the college from the very beginning was 150 which was reduced drastically and that there is no teacher in the said college appointed by the Government. The Hon'ble Minister has agreed to fill up the posts of teachers which are lying vacant. Two posts of Professors and Lecturers are going to be vacant He is due to retire in the month of November

* Speech not corrected

2002 and another is going to retire in the month of October, 2002. Thus there is no professor in the college. There will be four existing vacancies in the times to come. Out of 10 post 6 are lying vacant for years together. There are some privately managed B.T. Collegs. The Hon'ble Minister is to reply when he is going to fill up the posts in the B.T. Colleges. There are mushroom growth of these B. T Colleges,

★ **Shri Hem Prakash Narayan (Minister) replied :**

The TTC. Silchar had 150 intake capacity with 8 faculty members while it was under recognition of the Gauhati University when the National Council of Teacher Education was formed all the B. Ed. Colleges of the State were brought under the purview of NCTE fixed the intake capacity of TTC, Silchar at 80.

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এইটো লাগতিয়াল কথা। এন, চি, টি, ই নৰ্মচ আছে। সেই নৰ্মচ মতে ষ্টাফ ফিল আপ নকৰাৰ বাবে ইনটেক কেপাচিটি কাবটেইল কৰা হৈছে। এন, চি, টি, ইৰ কথা মানিব লাগিব। নৰ্মচ মতে শিক্ষক নাৰাখে এই ক্ষেত্ৰত ব্যৱস্থা লব লাগিব। কিছুমান বি, এড, কলেজ খুলিছে, যেতিয়া সেই কলেজ বিলাক ডি-ৰিকোগনাইশ্বন হব, তেতিয়া পাছ কৰা শিক্ষক সকলৰ কোনো মূল্য নাথাকিব। প্ৰাইভেটাইজেশ্বন ডাঙৰ কথা হব। গতিকে এই ক্ষেত্ৰত পৰীক্ষা কৰিহে খুলিব দিব লাগে।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পূৰ্বতে ফিল আপ কৰিব লাগিব। এই ক্ষেত্ৰত এ, পি, এচ, চি, এচ, চি,

---

* Speech not corrected

আৰ, টি, ক নিৰ্দ্দেশ দিয়া হৈছে। প্ৰাইভেট কলেজ খুলিলে সেই বিলাক চাই চিতি লোৱা হব। এন, চি, টি, ই, ৰ নৰ্মচ থকালৈকে বি, এড, কলেজ যাতে নহয়, এইটো কৰা হৈছে।

★ ডঃ জয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ ই নম্বৰত আৰু এটা কথা কৈছে— অফিচাৰ গেলাৰীত অফিচাৰ বহিব লাগে, কিন্তু অফিচাৰ বাইজৰ গেলাৰীত বহি আছে।

মাননীয় অধ্যক্ষ : কোন ক'ত বহিছে সেইটো আমাৰ কথা নহয়। এইটো মই চাম।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই যিটো কৈছে, সেইটো মই আগতেই কৈছো, এইটো ন'টেড নহয়। এইটো আমি গুৰুত্ব সহকাৰে লৈছো, কাউন্সিলৰ কথাটো আমি চাম।

Mr. Speaker : Now, Starred Question No. 28.

বিষয় : বিদ্যালয় প্ৰাদেশীকৰণৰ ব্যৱস্থা।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

★ ২৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বে-চৰকাৰী প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৰণৰ ব্যৱস্থা লৈছে নেকি ? ( ২০০২-২০০৩ বিত্তীয় বৰ্ষত )।

(খ) নলবাৰী জিলাত কিমানখন উল্লেখিত বিদ্যালয় আছে ?

(গ) কনিষ্ঠ মহাবিদ্যালয় ( বে-চৰকাৰী ) কিমানখন প্ৰাদেশীকৰণ হবলৈ বাকী আছে ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান ব্যৱস্থা লোৱা হোৱা নাই।

(খ) নলবাৰী জিলাত উল্লেখিত বিদ্যালয়ৰ সংখ্যা তলত উল্লেখ কৰা হ'ল —

প্ৰাথমিক বিদ্যালয়— ৩৯৬ খন
মাধ্যমিক (মজলীয়া)
বিদ্যালয় — ২১৬ খন
উচ্চ মাধ্যমিক
বিদ্যালয় — ১০২ খন

(গ) অসমত ১৬ খন স্বীকৃতিপ্ৰাপ্ত কণিষ্ঠ মহাবিদ্যালয় ঘাটি - মঞ্জুৰী অনুদান আঁচনিৰ অধীনলৈ অনা হোৱা নাই।

★ শ্ৰীপানী ৰায়- ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, বেচৰকাৰী প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰা হোৱা নাই। ইয়াৰ ব্যৱস্থা লোৱা হোৱা নাই। ১৯৮৮ চনৰ পৰা এতিয়ালৈকে বহুত প্ৰাথমিক বিদ্যালয় বেচৰকাৰী হৈ আছে। ঠিক তেনেকৈ ১৯৯১ চনৰ পৰা বহুত হাইস্কুল বেচৰকাৰী হৈ আছে। পাৰমিচন পোৱাৰ পিচত বছৰ বছৰ ধৰি যদি প্ৰাদেশীকৰণ কৰা নহয়, তেতিয়া কি হব। যি সকল শিক্ষকে চাকৰি কৰি আছে, তেওঁলোকে দৰমহা পোৱা নাই, তেওঁলোকক বৃদ্ধ পেন্‌চন দিব লগা হব। গতিকে প্ৰাদেশীকৰণৰ ক্ষেত্ৰত কি ব্যৱস্থা কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ ২০০২-২০০৩ বিত্তীয় বৰ্ষৰ বাজেট চূড়ান্ত কৰা হোৱা নাই। জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু প্ৰাথমিক বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শকৰ পৰা বৰ্তমানলৈকে পোৱা তথ্য মতে নলবাৰী জিলাত ৩১৬ খন বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে। আনহাতে বিভাগীয় স্বীকৃতিপ্ৰাপ্ত, অনুমতিপ্ৰাপ্ত আৰু অনুমতি নোপোৱা মুঠ ২১৬ খন বেচৰকাৰী মাধ্যমিক বিদ্যালয় আছে। বিত্তীয় নাটনিৰ বাবে উক্ত বেচৰকাৰী বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰিবৰ বাবে বৰ্তমান ব্যৱস্থা লব পৰা হোৱা নাই। মাধ্যমিক শিক্ষা পৰিষদে স্বীকৃতি দিয়া উচ্চ মাধ্যমিক বিদ্যালয় সমূহকহে জ্যেষ্ঠতাৰ ভিত্তিত অসম প্ৰাদেশীকৰণ আইন ১৯৭৭ চনৰ মতে প্ৰাদেশীকৰণ কৰা হয়। সেই

* Speech not corrected

হিচাবে মাধ্যমিক শিক্ষা পৰিষদে ১৯৯১ চনলৈকে স্বীকৃতি দিয়া বিদ্যালয় সমূহৰ শিক্ষক ও আন কৰ্মচাৰীৰ চাকৰি প্ৰাদেশীকৰণ কৰা হৈছে। বৰ্তমানে ১৯৯২ আৰু ১৯৯৩ চনত মাধ্যমিক শিক্ষা পৰিষদে স্বীকৃতি দিয়া বিদ্যালয় সমূহৰ শিক্ষক ও কৰ্মচাৰীৰ তথ্য-পাতি আদি সংগ্ৰহ কৰি থকা হৈছে। পুঁজি সাপেক্ষেহে প্ৰাদেশী-কৰণৰ সিদ্ধান্ত লব পৰা যাব। ইয়াৰ উপৰিও বৰ্তমানলৈকে ১৬ খন স্বীকৃতিপ্ৰাপ্ত কনিষ্ঠ মহাবিদ্যালয় ঘাটি মঞ্জুৰী অনুদান আঁচনিৰ অধীনলৈ আনিবলৈ বাকী আছে। স্বীকৃতিপ্ৰাপ্ত কনিষ্ঠ মহাবিদ্যালয় সমূহকহে এই আঁচনিৰ অধীনলৈ অনা হয়।

★ শ্ৰীপানী ৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা প্ৰাদেশীকৰণৰ লক্ষ্য হব নে নাই জনাবনে ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now. Starred Question No. 29,

বিষয় • বালুৰ মহল।

শ্ৰীপৰিমল শুক্লবৈদ্য জিজ্ঞাসা করেছেন :

★ ২৯। মাননীয় বন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) ধলাই সমষ্টির অন্তর্গত কতটি বালুর মহাল আছে ?

(খ) সর্বশেষ কবে নাগাদ টেণ্ডারের মাধ্যমে সরকারি লিজ দেওয়া হয়েছিল ?

(গ) বর্তমানে উক্ত বালুর মহাল গুলিতে সরকারি লেসি আছেন কি না ?

(ঘ) যদি নাই, তবে তা কেন ?

Shri Gobinda Chandra Langthasa ( Minister of Forest ) replied :

(a) Five Nos.

* Speech not corrected

(b) (1) Rukni river Sand Mahal on 29.6.97 ( through negotiation )

(2) Panibora Sand Mahal on 27.8.99

(3) Singarkhal Sand Mahal on 27.8.99

(4) Boro Jalenga Sand Mahal on 7.6.88

(5) Choto Jalenga Sand Mahal on 4.4.88

(c) No.

(d) As regards, Rukni river Sand Mahal has been provisionally settled on 4,3.2002 through tender System.

Remaining 4 Nos, are without any settlement because of Hon'ble Court's order.

**Shri Parimal Suklabaidya**: The said Makal has not been settled since 1983 i.e. about 14 years and there by loosing a huge amount.

( Bell rang )

( Starred Question Nos. 30 to 39 could not be taken up as the Question Hour was over. However the repling to the said questions deemed to have been laid on the table of the House )

বিষয়: B. A. C. ত অন্তৰ্ভুক্ত গাওঁ।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে:

★ ৩০। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) B. A. C. ত অন্তৰ্ভুক্ত গাওঁ সমূহৰ তালিকাত মৈ গাৱঁৰ সলনি ভুলতে মাজগাওঁ হৈছে বুলি বঙাইগাওঁ জিলাৰ উপায়ুক্তই জনোৱা কথাটো সঁচানে?

* Speech not corrected

(খ) যদি সঁচা হয় এই সংক্ৰান্তত মাজগাওঁৰ সমনি মৈ গাওঁ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** ( ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) বঙাইগাওঁ জিলাৰ উপায়ুক্তৰ পৰা কোনো প্ৰতিবেদন এতিয়ালৈকে পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

Sub : Water Supply Scheme.

**Shri Mission Ranjan Das asked :**

★ 31. Will the Minister of P. H. E. be pleased to state :

(a) Which are the defunct Water Supply Schemes in rural areas under Karimganj North Constituency and from when these schemes are remained as defunct ?

(b) The reasons of non-functioning of these schemes and what are the stops taken by the Government to restart these schemes ?

**Shri Dinesh Prasad Goala** ( Minister, Public Health Engineering ) replies :

(a) (i) Panighat P.W.S.S.

(ii) Krishnanagar P.W.S.S. and

(iii) Brahman Sashan P.W.S.S.

The above 3 ( three ) Nos. of P.W.S.S. are the defunct Pipe Water Supply Schemes under Karimganj North Constituency. The Schemes are non-functioning since 1998, 1996 and 1993 respectively

---

* Speech not corrected

(b) The reasons for non-functioning of the above 3 (three) Nos. of P.W.S.S. and steps taken thereon to re-start them are as follows :

| Name of P.W.S.S. | Reason for functioning. | Steps taken for re-functioning. |
|---|---|---|
| (i) Panighat P.W.S.S. | Due to damage of treatment Plant, rew water pipe-line & Barge in flood. | proposed to renovate under Sub-Mission Programme subject to necessary sanction and receipt of fund. |
| (ii) Krisnanagar P.W.S.S. | Due to loss of discharge from the Deep Tube Well. | The installation of Deep Tube Well is proposed under Eleventh Finace Commission subject to necessary sanction and receipt of fund. |
| (iii) Brahman Sashan P.W.S.S. | do | do |

**Re : Inclusion in the list of S T.**

**Shri Dileswar Tanti asked :**

★ 32. Will the Minister of W.P.T. & B.C. be pleased to State :

(a) Whether the Government is aware that the Tea

• Speech not corrected

& Ex-Tea Tribe people of Assam have a long pending demand for their inclusion in the list of Scheduled Tribe of Assam ?

(b) What steps the Government has so far taken to fulfil the demand of the Tea & Ex-Tea Tribe people ?

Shri Bharat Chandra Narah ( Minister of Welfare of Plain Tribes and Backward Classes ) replied .

(a) Yes.

(b) The State Government have already recommended to the Central Government the matter of inclusion of the Tea & Ex-Tea Garden Tribes in the list of Scheduled Tribes, Assam.

**Re : Budgetted Amount.**

Smti. Pramila Rani Brahma asked :

★ 33. Will the Minister of W.P.T. and B, C, Assam be pleased to state :

(a) What was budgetted amount to be sanctioned to the Assam Tribal Development Authority in 1998-1999, 1999-2000 and 2000-2001 ?

(b) Whether all these budgetted amount have been released to the A.T.D.A. by the W.P.T. & B.C regularly ?

(c) If not, how much fund have to be released yet ? ( Yearwise statement may kindly be given ).

(d) Whether the non-released fund will be released soon to the A.T.D.A, ?

• Speech not corrected.

**Shri Bharat Chandra Narah** ( Minister, W. P. T. & B. C. ) replied :

(a) The budget provision for A. T. D. A. during the year 1998-99, 1999-2000 and 2000-2001 was as follow :

| | YEAR | STATE PLAN | CENTRAL SECTOR |
|---|---|---|---|
| 1 | 1998-99 | Rs. 5 00 lakh | Rs. 20 00 lakh |
| 2. | 1999-2000 | Rs 30.00 ,, | Rs. 195.50 ,, |
| 3. | 2000-2001 | Rs. 30.00 ,, | Rs. 200.00 ,, |

(b) No.

The following budgetted amount has been released to A. T. D. A.

| | YEAR | STATE PLAN | CENTRAL SECTOR |
|---|---|---|---|
| 1. | 1998-99 | Nil | Nil |
| 2. | 1999-2000 | Nil | Rs. 20.00 lakh |
| 3. | 2000-2001 | Rs. 30 00 lakh | Rs. 135.50 lakh |

(c) No fund can be released now.

(d) The fund provided in the budget for a particular financial year cannot be released in the next financial year as the same has been treated as lapsed.

**Re : Regularisation of the Principals.**

**Shri Tijen Basumatary asked :**

★ 34. Will the Minister of Higher Education be pleased to State :

(a) Whether it is a fact that the services of Principals of Higher Secondary Schools have not been regularised till to-day ?

* Speech not corrected

(b) If so, whether any steps has been taken to regularise the services of Principals ?

(c) What steps are being taken to make deficit grant-in-aid of thirteen nos. Junior College which have been accorded final concurrance ?

**Shri Hemprakash Narayan** ( Minister of Education ) replied :

(a) Yes.

(b) Due to an order of the Hon'ble Gauhati High Court in C. R. No. 344/92 it could not be done. However, action is being taken in the light of the order of the Hon'ble High Court.

(c) Due to the paucity of fund the thirteen number of Junior Colleges are not yet taken over under the deficit grant-in-aid system.

বিষয় : **অসম চুক্তি।**

**শ্ৰীসৰ্বানন্দ সোনোৱালে সুধিছে :**

★ ৩৫। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চুক্তি সম্পাদিত হোৱা ১৬ বছৰ অতিক্ৰম কৰাৰ পিছত অসম চৰকাৰৰ দায়িত্বত থকা অসম চুক্তিৰ প্ৰতিটো দফা কিমান সময়ৰ ভিতৰত কাৰ্যকৰী কৰিব পাৰিব।

(খ) কেন্দ্ৰীয় চৰকাৰৰ কৰণীয়খিনি কিমান সময়ৰ ভিতৰত কাৰ্য্যকৰী কৰিব সেই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰে যোগাযোগ কৰিছেনে আৰু কেন্দ্ৰীয় চৰকাৰে কি জনাইছে ?

(গ) ভাৰত বাংলাদেশ সীমান্তৰ অসম সেক্টৰ কাইটীয়া তাঁৰ, ৰাস্তাৰ কাম সম্পূৰ্ণ কৰিবলৈ কিমান সময় লাগিব ?

---

* Speech not corrected

(ঘ) চৰকাৰ অৱগত নে সীমান্তৰ পহৰাৰ বাবে কিমান সীমান্তৰক্ষী পহৰীয়াই সীমান্তত পহৰা দি আছে ?

(ঙ) সীমান্তত বি, এছ, এফ, আৰু অসম পুলিচে যৌথভাৱে পহৰাৰ ব্যৱস্থা কেতিয়াৰ পৰা কৰিব ?

(চ) সীমান্তত 2nd line of defence ৰ কাম, অসম চৰকাৰে কেতিয়া সম্পূৰ্ণ কৰিব আৰু পলম হোৱাৰ কাৰণ কি ?

(ছ) নদীত সীমান্তৰ পহৰাৰ বাবে বৰ্ত্তমান কি প্ৰদক্ষেপ লৈ থকা হৈছে ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম চুক্তি সম্পাদন হোৱাৰ ১৬ বছৰৰ ভিতৰত যথেষ্টখিনি কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। কিছুমান কাম চলি আছে আৰু অসম চৰকাৰে পুঁজি সাপেক্ষে এই কামবোৰ যথাশীঘ্ৰে সম্পূৰ্ণ কৰাৰ কৃত সংকল্প লৈছে।

(খ) অসম চুক্তি পূৰ্ণ ৰূপায়ণ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি থকা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰেও এই ক্ষেত্ৰত যথেষ্ট আগ্ৰহী।

(গ) ভাৰত-বাংলাদেশ সীমান্তৰ অসম চেক্টৰত কাইটীয়া তাঁৰৰ বেৰ আৰু পথৰ কামসমূহ ২০০৩ চনৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।

(ঘ) যিহেতু সীমান্ত পহৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ অধীনত বি, এছ, এফ অৰ হাতত আছে সেয়েহে সেইবিলাক তথ্য দিয়া এতিয়া সম্ভৱ নহয়।

(ঙ) আৰু (চ) : সীমান্ত আৰক্ষী চকীৰ গৃহ নিৰ্মাণ কৰা তথা Second line of defence হিচাপে অসম আৰক্ষী নিয়োগ কৰাৰ পিচত Second line of defence অৰ কাম সম্পূৰ্ণ কৰিবৰ কাৰণে ২৮ টা B. O. P. আৰু ৩ টা Pactical Head Quarter ৰ প্ৰয়োজন আছে আৰু এইখিনি নিৰ্মাণৰ কাম বৰ্ত্তমান চলি আছে। ভাৰত চৰকাৰৰ পৰা ধন পোৱাৰ সাপেক্ষে এই কাম অনতিপলমে সম্পূৰ্ণ কৰা হ'ব।

(ছ) বৰ্ত্তমান ভাৰত-বাংলা সীমান্তৰ নদীত পহৰাৰ দায়িত্ব B. S. F. অৰ আৰু তেখেত সকলে River Patrolling অৰ জৰিয়তে সীমান্ত নদীৰ এলেকাত পহৰা দি থাকে।

বিষয় ঃ শিল বালি মহলৰ পৰা ৰাজহ সংগ্ৰহ।

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে :**

★ ৩৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

গুৱাহাটী মহানগৰীৰ সীমাহীন আকাশ-লজ্ঘী বিল্ডিংবোৰ আৰু বিভিন্ন নিৰ্মাণ কাৰ্য্যত লগা শিল বালিবোৰ কোন কোন মহলৰ পৰা বছৰি কিমান ট্ৰাক শিল আৰু কিমান ট্ৰাক বালি সৰবৰাহ হৈ থাকে আৰু এই সৰবৰাহৰ মাধ্যমেৰে চৰকাৰৰ ঘৰত কিমান টকাৰ প্ৰতি বছৰে জমা কৰে ? ( তিনি বছৰৰ হিচাপ মহল হিচাপে সদনৰ মেজত দিব ) ।

**Shri Gobinda Chandra Langthasa** ( Minister, Forest ) replied :

Sand and Stone utilised in the construction of multistoried building and other construction works in Guwahati city are being collected from the Sand and Stone Mahals as mentioned in the enclosed list. The average amount of Revenue per year from stone is about Rs. 9,70,000/- and from sand it is about Rs. 27,14,000/- ( Three years figures is enclosed below ).

( See Annexure— I )

**Re : No. of Gazetted Officer of B.A.C.**

**Shri Hemendra Nath Brahma asked :**

★ 37. Will the Minister of W. P. T. and B. C, Assam be pleased to state :

(a) The total number of Gazetted Oficers of B. A. C, and whether they are attending the Office regularly at Kokrajhar ?

(b) It is a fact that those Officers are running the

* Speech not corrected

Bodoland Autonomous Council from Guwahati ?

(c) If so, the reason thereof ?

**Shri Bharat Chandra Narah** ( Minister, W. P. T and B. C. ) replied :

(a) Total Nos. of Gazetted ( sanctioned ) post of B.A.C are 10 ( ten ) out of 10 Nos. 3 Nos. posts are not deputed by Government and remaining 7 Officers are attending Office regularly.

(b) Out of 7 Gazetted Officers 4 Officers are attending duties from Dispur and 3 Officers are functioning from B. A. C. Secretariat of Kokrajhar.

(c) 4 Officers are in dual charge of both State Government and B A C.

**বিষয় : তেজপুৰ পলিটেক্‌নিক।**

**শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে :**

★ ৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তেজপুৰ পলিটেক্‌নিকখনত আঁচনিৰ অনুমোদন কেতিয়া দিয়া হৈছিল ?

(খ) কাৰ্য্যকৰী ব্যৱস্থা কেতিয়াৰ পৰা লোৱা হৈছিল ?

(গ) বৰ্ত্তমান কি অৱস্থাত আছে ?

**শ্ৰীতৰুণ গগৈ** ( শিক্ষা বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৭-৩-৮৯ তাৰিখে।

(খ) ১৭-৩ ৮৯ তাৰিখৰ পৰাই।

(গ) গৃহ নিৰ্মাণৰ কাম ৯৬ শতাংশ সম্পূৰ্ণ হৈছে। মুকলি কৰি দিয়া ধন আৰু ব্যয়ৰ পৰিমাণ ৭৯.০১ লাখ টকা।

---

* Speech not corrected

বিষয় : সাহিত্যিক পেঞ্চন।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

★ ৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে যোৰহাট জিলাৰ শ্ৰীনগেন বৰাক সাহিত্য কৰ্মৰ বাবে ১৯৯৮ চনত এককালীন ভাৱে দহ হাজাৰ টকা আৰু ১৯৯৯ চনত সাহিত্যিক পেঞ্চন দিয়াটো সত্যনে ?

(খ) যদি সত্য, তেওঁক এককালীন টকাটো আদায় দিয়া হলনে আৰু সাহিত্যিক পেঞ্চন সময়মতে আদায় দি থকা হৈছেনে ?

(গ) যদি দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই আৰু উক্ত বছৰটোত তেখেতৰ লগত ঘোষণা কৰা অন্য সাহিত্যিক সকলে এককালীন সাহাৰ্য্য আৰু পেঞ্চন লাভ কৰিছেনে ?

শ্ৰীতৰুণ গগৈয়ে উত্তৰ দিছে :

(ক) সত্য।

(খ) আদায় দিয়া হোৱা নাই।

(গ) পুঁজিৰ অভাৱত আদায় দিয়া হোৱা নাই। উক্ত বছৰ দুয়োটাতে তেখেতৰ লগত ঘোষণা কৰা অন্য সাহিত্যিক সকলকো এককালীন সাহাৰ্য্য আৰু পেঞ্চন, পুঁজিৰ অভাৱৰ বাবে দিব পৰা হোৱা নাই।

( Starred Question No. 40 was disallowed )

## UNSTARRED QUESTIONS AND ANSWERS

বিষয় খোৱা পানী যোগান আঁচনি।

শ্ৰীৰণেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে :

২৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাত মুঠ কিমানটা বিশুদ্ধ খোৱাপানী যোগান আঁচনি

* Speech not corrected

আছে আৰু তাৰে কিমানটা সচল অৱস্থাত আছে আৰু কিমানটা বিকল অৱস্থাত আছে ? (সমষ্টি ভিত্তিত তালিকা প্ৰস্তুত কৰি সদনত দাখিল কৰিব)

(খ) বিকল হৈ থকা আঁচনি সমূহ সচল কৰি তোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে, কৰিলে কেতিয়া কৰিব ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ধুবুৰী জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত সৰ্বমুঠ ১৩৫ টা পানী যোগান আঁচনি আছে। এই অনুমোদিত ১৩৫ টা পানী যোগান আঁচনিৰ বিপৰীতে বাস্তৱ ক্ষেত্ৰত ১২৯ টা আঁচনিহে আছে অৰ্থাৎ ৬টা আঁচনি বানপানীৰ কবলত সম্পূৰ্ণৰূপে জাহ গৈছে। (সমষ্টি ভিত্তিত তালিকা লগত গাঁঠি দিয়া হ'ল)

(See Annexure— II)

(খ) পুঁজি সাপেক্ষে প্ৰথম পৰ্য্যায়ত ২৬টা আঁচনি সচল কৰি তোলাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি, ১০ টা (দহ) পানী যোগান আঁচনি বৈদ্যুতিক বিজুতি তথা ট্ৰেন্সফৰ্মাৰ বিকল হৈ থকাৰ বাবে পানী যোগান ধৰিব পৰা নাই। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে।

## Re : Water Supply Scheme

**Shre Rathish Ranjan Choudhury asked:**

29. Will the Minister of P.H.E. be pleased to state :

(a) In response to unstarred question No. 217 dated 4-10-2001 it was revealed that steps were taken by the Government re-active the non functioning water supyly schemes under Ratabari (SC) Constituency and if so, what steps have been taken so far in this respect ?

(b) Whether the Government is planning to allocate

necessary fund in 2002-2003 financial year ?

(c) Whether Government has any plan to take up new water supply schemes under Ratabari (SC) Constituency ?

**Shri Dinesh Prasad Goala, (Minister, P.H.E.) replied :**

(a) In response to the Unstarred Question, No. 217 dtd. 4. 10. 2001, it was mentioned that 2 Nos. of P.W.S. Schemes shown as non-functioning under Ratabari (SC) Constituency namely (i) Dargaibond. P.W.S.S. (ii) Durllav Cherra T.E.P.W.S.S.

Now, only Dargarbond P.W.S.S. has remained non-functioning due to paucity of maintainance fund.

The Scheme is proposed undre Eleventh Finance Commission to make functioning only after sanction and receipt of fund.

(b) Yes.

(c) Yes, there is a proposal for Spot Sources.

বিষয় : পানী যোগান আঁচনি ।

**শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে :**

৩০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাঁও জিলাত সৰ্বমুঠ কিমানটা পানী যোগান আঁচনি আছে আৰু কিমানটা বৰ্ত্তমান চালু হৈ আছে ?

(খ) ১৯৯৭ চনৰ পৰা ২০০২ ফেব্ৰুৱাৰী তাৰিখলৈকে বঙাইগাঁও জিলাত কিমানটা দমকল বহুৱাইছে আৰু ক'ত ক'ত নাম সহ জনাব। যদি বহুৱাইছে, তাৰ বাবে কিমান টকা খৰছ হৈছে ?

(গ) বৰ্ত্তমান কিমানটা দমকলে পানী যোগান ধৰিছে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বঙাইগাওঁ জিলাত সৰ্বমুঠ ১৪৮ টা পানী যোগান আঁচনি আছে। ইয়াৰ ভিতৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বঙাইগাওঁ সংমণ্ডলৰ অধীনত ৩৩ টা আৰু কোকৰাঝাৰ সংমণ্ডল নং ২ৰ অধীনত ১১৫ টা আৰু বৰ্ত্তমান ৮৮ টা পানী যোগান আঁচনি চলি আছে। ইয়াৰে বঙাইগাওঁ সংমণ্ডলৰ অধীনত ১৭ টা আৰু কোকৰাঝাৰ সংমণ্ডল নং ২ৰ অধীনত ৭১ টা আঁচনি চলি আছে।

(খ) ১৯৯৭ চনৰ পৰা ২০০২ ফেব্ৰুৱাৰী তাৰিখলৈকে বঙাইগাওঁ জিলাত সৰ্বমুঠ ১১৭ টা দমকল বহুৱা হৈছে। বঙাইগাওঁ সংমণ্ডলৰ অধীনত ৯১ টা আৰু কোকৰাঝাৰ সংমণ্ডল নং ২ৰ অধীনত ২৬ টা দমকল আছে। ইয়াৰ বাবদ মুঠ খৰছ হৈছে ১০,১৭,৯০'০০০ টকা ( দহ লাখ সোতৰ হাজাৰ নশ )। বঙাইগাওঁ সংমণ্ডলৰ অধীনত মুঠ ৭৯১,৭০০'০০ টকা আৰু কোকৰাঝাৰ সংমণ্ডল নং ২ৰ অধীনত মুঠ ২,২৬,২০০'০০ টকা খৰছ হৈছে।

( ক'ত ক'ত খৰছ হৈছে নাম সহ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল )

( See Annexure III )

(গ) বৰ্ত্তমান ১১৭ টা দমকলত পানী যোগান ধৰি আছে। বঙাইগাওঁ সংমণ্ডলৰ অধীনত ৯১ টা আৰু কোকৰাঝাৰ সংমণ্ডল নং ২ৰ অধীনত ২৬ টা দমকলে পানী যোগান ধৰি আছে।

বিষয় : স্থায়ী পদৰ বাবে নিৰ্বাচিত তালিকা।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

৩১। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মহাবিদ্যালয়ৰ অধ্যক্ষ সকলৰ স্থায়ী পদ সমূহ পূৰণ কৰিবৰ বাবে নিৰ্বাচিত তালিকা ( Selection List ) প্ৰস্তুত কৰা হৈছে নেকি ?

(খ) যদিহে কৰা হৈছে, কেতিয়াৰ পৰা কাৰ্যকৰী হ'ব ?

(গ) বৰ্ত্তমান এজন অধ্যক্ষৰ বাবে কি কি যোগ্যতাৰ প্ৰয়োজন ?

শ্ৰীতৰুণ গগৈ ( উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) বৰ্ত্তমানে ঘাটী মঞ্জুৰীপ্ৰাপ্ত অধ্যক্ষ পদৰ প্ৰাৰ্থীজনৰ বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া নিম্নতম শিক্ষাগত অৰ্হতাৰ ওপৰিও স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়/চৰকাৰী মহাবিদ্যালয়/বিশ্ববিদ্যালয়ত চৰকাৰৰ দ্বাৰা অনুমোদিত পদত একেৰাহে ১৮ বছৰ শিক্ষকতা কৰাৰ অভিজ্ঞতা বা শিক্ষা প্ৰশাসনত বা মহাবিদ্যালয়ত প্ৰশাসনীয় অভিজ্ঞতা থাকিব লাগিব। ওপৰোক্ত অৰ্হতাৰ উপৰিও প্ৰাৰ্থীজন চিলেকচন গ্ৰেড় পোৱা প্ৰবক্তা হব লাগিব। ইয়াৰ উপৰিও প্ৰাৰ্থীজন বাছনি পৰিষদৰ দ্বাৰা নিৰ্বাচিত হব লাগিব।

বিষয় : চৰকাৰী আৰু বে-চৰকাৰী থণ্ডৰ স্কুল।

শ্ৰীজিতেন গগৈয়ে সুধিছে :

৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বোকাখাট বিধান সভা সমষ্টিত তলত উল্লেখ কৰা কিমানখন স্কুল চৰকাৰী আৰু বে-চৰকাৰী খণ্ডত চলি আছে—

(১) এল পি স্কুল

(২) এম ই স্কুল আৰু

(৩) হাইস্কুল

(খ) উক্ত সমষ্টিৰ বে-চৰকাৰী স্কুল সমূহ চৰকাৰীকৰণৰ বাবে কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ : (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বোকাখাট বিধান সভা সমষ্টিত তলত উল্লেখ কৰা সংখ্যক স্কুল সমূহ চৰকাৰী আৰু বেচৰকাৰী খণ্ডত চলি আছে।

| | চৰকাৰী | বেচৰকাৰী | মুঠ |
|---|---|---|---|
| (১) এল পি স্কুল | ২০৩ খন | ৩৫ খন | ২৩৮ খন। |
| (২) এম ই স্কুল | ৪৫ খন | ১৯ খন | ৬৪ খন। |
| (৩) হাইস্কুল | ২০ খন | ১২ খন ঘাটী মঞ্জুৰী প্ৰাপ্ত আৰু ২ খন ব্যক্তিগত খণ্ড। | ৩৪ খন। |

(খ) চৰকাৰী কৰণৰ কোনো প্ৰস্তাৱ নাই।

Re : Damaged Veterinary Building.

**Shri Nathu Boro asked :**

33 Will the Minister of Veterinary be pleased to state :

(a) Whether the Government is aware of the Khairabari Animal Husbandry & Veterinary State Dispensary ?

(b) If so, what is the present exact position of the same ?

(c) Whether the Government would develop already damaged Veterinary buildings ?

**Sri Hem Prakash Narayan** (Minister, Veterinary) replied :

(a) Yes.

(b) The dispensary and other buildings are damaged. However, the services of the Dispensary are rendered from the old Circle Office building of Khairabari Development Block Campus

(c) Steps will be taken subject to availability of fund.

বিষয় : ভাৰপ্ৰাপ্ত অধ্যক্ষ।

**শ্ৰীপবিত্ৰ ডেকাই সুধিছে :**

৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনৰ উচ্চতৰ মাধ্যমিক স্কুল সমূহৰ প্ৰায়বোৰতেই ভাৰপ্ৰাপ্ত অধ্যক্ষই অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰি থকা কথাটো চৰকাৰৰ অৱগত নে ?

(খ) যদি অৱগত, এই ভাৰপ্ৰাপ্ত অধ্যক্ষ সকলক নিয়মীয়াকৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

(গ) উচ্চতৰ মাধ্যমিক স্কুল সমূহৰ অধ্যক্ষ, উপাধ্যক্ষ সকলৰ নিয়োগৰ বাবে "সেৱা বিধি" ( Service Rule ) প্ৰস্তুত কৰিবলৈ প্ৰায়

চাৰি বছৰ আগতে গুৱাহাটী উচ্চ ন্যায়ালয়ে কিবা নিৰ্দেশ চৰকাৰক দিছিল নেকি ?

(ঘ) যদি দিছিল, এনে "সেৱাবিধি" ('Service Rule') প্ৰস্তুত কৰা হৈছে নে ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ :** (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, অৱগত ।

(খ) ব্যৱস্থা লৈ থকা হৈছে ।

(গ) হয়, দিছিল ।

(ঘ) হয়, ইতিমধ্যে প্ৰস্তুত কৰা হৈছে আৰু অনুমোদনৰ বাবে ব্যৱস্থা লোৱা হৈছে ।

বিষয় : পাঠ্যপুথি যোগান ।

**ডা: তাৰা প্ৰসাদ দাসে সুধিছে :**

৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পাঠ্যপুথি নিগমক ২০০১ চনৰ ৩১ ডিচেম্বৰলৈকে চৰকাৰে কিমান টকা দিব লগা আছিল ।

(খ) বৰ্ত্তমান চৰকাৰে আজিলৈকে নিগমক কিমান টকা দিলে ?

(গ) নতুন শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ পূৰ্বে নিগমৰ আৰ্থিক অৱস্থা সম্পৰ্কত বুজ লৈ পাঠ্যপুথি প্ৰস্তুত-কৰণ সম্পৰ্কত চৰকাৰে ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

(ঘ) পাঠ্যপুথি নিগমৰ পুথি সমূহৰ মূল্য বৰ্ত্তমান দুগুণ হাৰত বিক্ৰী হোৱাৰ কাৰণ কি ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :**

(ক) বিনামূলীয়া আঁচনি আৰু চাবচিদি আঁচনিৰ অধীনত কিতাপ যোগান ধৰাৰ বাবে দিবলগীয়া ধন ১৮.৬৯ কোটি টকা ।

(খ) আজিলৈকে নিগমক ৬৫,৯৯,১৫৪.০০ টকা দিয়া হৈছে ।

(গ) ব্যৱস্থা নোলোৱা বুলি কোৱা কথাখিনি সত্য নহয় ।

(ঘ) কথাখিনি সত্য নহয় ।

বিষয় : শিক্ষক নিযুক্তি।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০০১ চনৰ মে' মাহৰ পৰা আজিৰ তাৰিখলৈকে অসমৰ হাইস্কুল, মধ্য ইংৰাজী, প্ৰাইমাৰী স্কুলত কিমান জন শিক্ষক নিযুক্তি দিয়া হ'ল ?

(খ) চৰকাৰে বন্ধ ৰখা সময়ত বঙাইগাওঁ জিলাত হাইস্কুল, হাইমাদ্ৰাছাত কোনো শিক্ষক নিযুক্তি দিয়া হৈছে নেকি আৰু যদি হৈছে কোন স্কুলত দিয়া হৈছে ?

(গ) চৰকাৰে নতুন নিযুক্তি কেতিয়ালৈ আৰম্ভ কৰিব ?

(ঘ) যোৱা ১৯৯১ চনৰ পৰা কংগ্ৰেছ (ই) চৰকাৰে নিযুক্তি দিয়া M.E.L.P. School ৰ শিক্ষক নিযুক্তি মনোহৰণ কমিটিয়ে দৰমহা দিবলৈ বন্ধ ৰাখিছে। উক্ত শিক্ষক সকলক কেতিয়া দৰমহা দিয়া হ'ব ?

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰাইমাৰী, মধ্য ইংৰাজী বিদ্যালয়ত কোনো শিক্ষক নিযুক্তি দিয়া হোৱা নাই। হাইস্কুলৰ ক্ষেত্ৰত তথ্য বিচৰা হৈছে।

(খ) কোনো নিযুক্তি দিয়া হোৱা নাই।

(গ) নতুন নিযুক্তিৰ কথা সদাহতে চিন্তা কৰা নাই।

(ঘ) দৰমহাৰ ক্ষেত্ৰত যাৱতীয় তথ্যপাতি বিচৰা হৈছে।

বিষয় : স্থায়ী প্ৰধান শিক্ষক, অধ্যক্ষ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

৩৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনত মুঠ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা কিমান ?

(খ) উক্ত শিক্ষানুষ্ঠান সমূহত বৰ্ত্তমান কিমানজন স্থায়ী প্ৰধান শিক্ষক আৰু অধ্যক্ষ আছে ?

(গ) মুঠ খালী হৈ থকা পদৰ সংখ্যা কিমান ?

(ঘ) পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ২৭৯৭ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু ৬০৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় (চৰকাৰী আৰু প্ৰাদেশীকৃত) ।

(খ) স্কুল সমূহৰ পৰিদৰ্শকৰ পৰা তথ্য বিচৰা হৈছে ।

(গ) স্কুল সমূহৰ পৰিদৰ্শকৰ পৰা তথ্য বিচৰা হৈছে ।

(ঘ) প্ৰধান শিক্ষকৰ পদ পূৰণৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে কিন্তু আদালতৰ এটা গোচৰৰ বাবে অধ্যক্ষৰ পদ পূৰণৰ ব্যৱস্থা কৰিব পৰা নাই ।

## Re : Abandoned P. H. E.

**Shri Karendra Basumatary** asked :

38. Will the Minister of P.H.E. be pleased to state :

(a) The number of abandoned P. H. E. Schemes in Mazbat LAC of Darrang district ? ( list of schemes may be furnished on the Table of the House).

(b) Whether fund will be provided for the repairing and renovating of the damaged and abandoned schemes as mentioned above in the coming financial year ?

**Shri Dinesh Prasad Goala,** (Minister, P.H.E.) asked :

(a) There is no any abandoned P.H.E scheme in Mazbat LAC of Darrang District though there are 9 (nine) Nos. of defunct Piped Water Supply Schemes in Mazbat LAC. ( List enclosed as per Annexure–I).

( See Annexure – IV )

(b) The restoration works of—

(i) Lakhanpur Piped Water Supply Scheme.

(ii) Pathakpur Piped Water Supply Scheme and

(iii) Garogaon Water Supply Scheme have been taken up under B. A. C. and accordingly the works are in progress. It is proposed to revive and restore.

(i) Rowta Bagan P.W.S.S under B. A. C. during 2001-2002.

(ii) Ekrabari P. W. S. S. under P. M. G. Y. during 2001-2002.

(iii) Palashbari P.W.S.S. has been incorporated under A. O. P. during 2001-2002 and approval has also been received.

Moreover, 3 (three) Nos. P.W.S.S. are taken for inclusion under A.O.P. during next financial year 2002-2003. These are—

(i) Naherua P.W.S.S.

(ii) Garoimari P.W.S.S.

(iii) Shillongkhuti P.W.S.S.

## বিষয় পানী যোগান আঁচনি।

শ্ৰীএতোৱা মুণ্ডাই সুধিছে :

৩১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১১৯ নং টিং খং সমষ্টিত কিমানটা পানী যোগান আঁচনি কাৰ্য্যক্ষম আৰু কিমান অ-কাৰ্য্যক্ষম হৈ আছে ?

(খ) অ-কাৰ্য্যক্ষম আঁচনি সমূহ কাৰ্য্যক্ষম কৰাৰ্থে চৰকাৰে কিবা আঁচনি লৈছেনে ?

(গ) যদি লোৱা নাই কিয় আৰু যদি লৈছে এই বিত্তীয় বৰ্ষত কাম বিলাক সম্পূৰ্ণ হ'বনে ?

(ঘ) উক্ত সমষ্টিত নতুন পানী যোগান আঁচনি কিবা আছেনে, আৰু যদি নাই কিয় ?

(ঙ) যদি আছে, কি কি আঁচনি আছে ?

শ্রীদীনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১১৯ নং টিংখং সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ অধীনত বৰ্ত্তমান থকা পানী যোগান আঁচনি সমূহৰ ১৪টা পাইপ পানী যোগান আঁচনি কাৰ্যক্ষম আৰু ৭টা পাইপ পানী যোগান আঁচনি অ-কাৰ্যক্ষম হৈ আছে। ইয়াৰ ওপৰিও, ১৩৫৯ টা হস্ত চালিত নলী-নাদ, ২৭২ টা মাৰ্ক-টু, ৫৫ টা তাৰা পাম্প কাৰ্য্যক্ষম আৰু ২৯ টা হস্ত-চালিত নলী-নাদ, ২টা মাৰ্ক-টু, অ-কাৰ্যক্ষম হৈ আছে।

(খ) অ-কাৰ্য্যক্ষম আঁচনি সমূহ কাৰ্যক্ষম কৰাথে পৰ্য্যায়ক্ৰমে পুঁজি সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) চলিত বিত্তীয় বৰ্ষত সকলো কাম সম্পূৰ্ণ কৰিব পৰা নাযাব যদিও এই বিত্তীয় বৰ্ষতে ৩ (তিনি) টা পাইপ পানী যোগান আঁচনি কাৰ্যক্ষম কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) আছে।

(ঙ) এই সমষ্টিত ঐগুৰি পাইপ পানী যোগান আঁচনি খন নতুনকৈ লোৱা হৈছে আৰু বৰ্ত্তমানে নিৰ্মাণ কাৰ্য্য চলি আছে।

## Re : Post of teachers.

**Shri Bimalangshu Roy asked :**

40 Will the Minister of Education be pleased to state :

(a) It is a fact that the Government created 4040 nos. of posts of teachers under Operation Black Board of the Central Government 9th plan vide letter No. PMA. 337/95/pt-1/152 dt. 24/4/98 ?

(b) If so, whether only 2819 posts were filled up and balance 1222 posts remained vacant ?

(c) Has the Government returned unspent balance of

the scheme amounting to Rs. 1525·96 Lakhs to the Central in these days of acute unemployment ?

(d) If so, whether responsibilities have been fixed up and any action taken for such lapses ?

(e) How many posts under O. B. B. Scheme has been regularised, till date and, what will be the fate of others ?

**Shri Hem Prakash Narayan (Education Minister) replied :**

(a) Yes.

(b) 285 posts has been filled up and not 2818 as stated and balance posts are abolished.

(c) No.

(d) Does not arise.

(e) Materials has been called for from the concerned District Elementary Education Officers.

### Re : Enployees of Non-Formal Education.

**Shri Dileswar Tanti asked :**

41. Will the Minister of Education be pleased to state :

(a) Whether the Government has terminated the services of the empleyees of the Non-Formal Education in recent time ?

(b) If not, why these employees are without their salaries for last several months ?

(c) Whether the Government has arranged financial arrangement in the current Budget Session for the salaries of the above mentioned employees ?

**Shri Hem Prakash Narayan** ( Minister of Education ) replied :

(a) Government has not terminated the services of employees of Non-Formal Education.

(b) The matter for payment of salaries to Non-Formal Education employees is in process.

(c) There is budget provision of Rs. 1.5 crors. in the current year's budget ( 2001-2002 ) for salaries of employees of Non-Formal Education.

As the Non-Formal Education has been phased out and modified and merged with Sarba Shiksha Abhiyan, their services will be utilised in Sarba Shiksha Abhiyan and other existing programmes of the Education department suitably and appropriately.

**Re : Distribution of Fund.**

**Smti. Pramila Rani Brahma asked :**

42. Will the Minister of W.P.T. and B.C. be pleased to state :

(a) How much fund was released to the W.P.T. and B.C. Department of Assam from the Central Government under Article 275 (1) since 1998-99, 1999-2000 and 2000-2001 financial years ?

(b) What is the criteria of distributing the fund under Article 275 (1) for the development of T.S.P. area ?

(c) The amount of fund released to each S.T. L.A.C Constituency from the total fund of 275 (1) Article ?

**Shri Bharat Chandra Narah** ( Minister, W.P.T and B.C Department ) replied :

(a) The fund released to the W.P.T and B.C. Department of Assam from the Central Government under Article 275 (1) since 1998-99; 1999-2000 and 2000-2001 financial years are as follows :

| Year | Amount released | Remarks |
|---|---|---|
| 1998-1999 | Rs. 210.00 lakhs | The released letters in original were sent to the Hill Area Deptt. Assam for utilisation. |
| 1999-2000 | Rs. 420.00 ,, | |
| 2000.2001 | Rs. 347.00 ,, | Being utilised by W.P.T and B.C. Deptt. during 2001-2002. |
| Total = | Rs. 977.00 lakhs. | |

(b) The Ministry of Tribal Affairs, Government of India sanctions / releases the fund under Articale 275 (1) for the development of T.S P are out of the Projects / Scheme submitted by the WPT and BC Department, Government of Assam The distribution of fund under Article 275 (1) is made on the basis of approval by Government of India.

(c) Projects / Schemes are sanctioned and fund released by the Government of India, ITDP-wise only, not L.A.C constituency-wise.

**Re : Ratabari Range Office,**

Shri Tijen **Basumatary asked :**

43. Will the Minister of Forest be pleased to state :

(a) Whether it is a fact that the Ratabari Range

Office at Mashalpur has been withdraw and shifted to Nalbari ?

(b) If so, why ?

**Shri G. C. Langthasa (Minister, Forest) replied :**

(a) Yes.

(b) For better management and administrative control and in the interest of public service.

বিষয় : সীমান্তত পহৰাৰ ব্যৱস্থা।

**শ্ৰীসৰ্বানন্দ সোনোৱালে সুধিছে :**

৪৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চুক্তিৰ ৬ নং দফা অনুসৰি অসমীয়া মানুহৰ বাবে সাংবিধানিক ৰক্ষা কৱচৰ ব্যৱস্থা কি কৰা হৈছে ?

(খ) এই সম্পৰ্কত অসম চৰকাৰৰ কি কি পৰামৰ্শ আছে আৰু বিধান সভা সাংসদ, স্থানীয় নিকায় সমূহত শতকৰা ১০০ ভাগ অসমীয়া মানুহৰ বাবে আসন সংৰক্ষণৰ বাবে ত্ৰিপাক্ষীক বৈঠকে (কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থা) ঐক্যমত প্ৰকাশ কৰাৰ পাছতো এই বিষয়ত ক্ষীপ্ৰ পদক্ষেপ লোৱা হোৱা নাই কিয় ?

(গ) অসম চুক্তিৰ ৭ নং দফা অনুসৰি অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অসম চৰকাৰে কি কি পদক্ষেপ লৈছে ?

(ঘ) ব্ৰহ্মপুত্ৰৰ ওপৰত ৪ৰ্থ বগীবিল দলং নিৰ্মাণৰ কাম আৰু গেচ ক্ৰেকাৰ প্ৰকল্পৰ কাম কোন তাৰিখৰ পৰা আৰম্ভ কৰা হ'ব আৰু অশোক কাগজ কল কেতিয়া খোলা হ'ব ?

(ঙ) ১৯৮৬ চনলৈ অহা অবৈধ বিদেশীক ভোটাধিকাৰ দিয়া নাগৰিকত্ব আইনৰ সংশ্লিষ্ট দফা আৰু আই. এম, ডি, টি, আইনখন বাতিলৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :**

(ক) আৰু (খ) এই বিষয়টো কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া এখন

উপসমিতিয়ে পৰীক্ষা কৰি আছে। অসম চৰকাৰে এই কমিটিখন সময়ে সময়ে নিজৰ পৰামৰ্শ আৰু মতামত দি আহিছে আৰু এই ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত লোৱাৰ দায়িত্ব ভাৰত চৰকাৰৰহে।

(গ) অসমৰ অৰ্থনৈতিক উন্নয়ণৰ বাবে বিভিন্ন প্ৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। সৰহ সংখ্যক উন্নয়ণৰ প্ৰজেক্টৰ কাম কেন্দ্ৰীয় চৰকাৰৰ অধীনতে কাৰ্যাকৰী হৈ আহিছে। নুমলীগড় শোধানাগাৰ কঠালগুৰি পাৱাৰ প্ৰজেক্ট, যোগীঘোপা দলঙৰ সৈতে সংযুক্ত ৰেললাইন, বগীবিল দলঙৰ সৈতে সংযুক্ত হ'ব লগা ৰেল লাইন, ব্ৰডগজ ৰেল পথৰ সম্প্ৰসাৰণ, গেচ ক্ৰেকাৰ প্ৰজেক্ট আদিৰ বাবে অসম চৰকাৰে প্ৰয়োজনীয় মাটি অধিগ্ৰহণ কৰি দিছে। শিলঘাট মৰাপাট কল পুনৰ জীৱিত কৰা হৈছে আৰু অশোক কাগজ কলৰ পুনৰাম্ভৰ কাৰণে প্ৰচেষ্টা চলাই থকা হৈছে। গেচ ক্ৰেকাৰ প্ৰজেক্টৰ কাম সোনকালে আৰম্ভ কৰিবৰ বাবে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। NABARD আৰু ARIASP ৰ সাহায্যৰে খেতি পথাৰত Shallow Tube well স্থাপন কৰা হৈছে। ২৭ খন Tourist lodge আৰু Wayside Restaurent বনোৱা হৈছে। ১০২ খন Handloom Training Centre খোলা হৈছে। আমগুৰি পাৱাৰ প্ৰজেক্ট স্থাপনৰ সম্পৰ্কে প্ৰচেষ্টা চলাই থকা হৈছে। অসমক Flood affected ৰাজ্য হিচাবে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিয়া হৈছে। পৰ্য্যটন উন্নয়ণৰ বাবে অসম চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে আৰু মুঠ ৬৯ খন আঁচনি কেন্দ্ৰীয় চৰকাৰৰ পৰা বিত্তীয় সাহায্যৰ বাবে মঞ্জুৰী পাইছে। অসম চৰকাৰৰ পৰিকল্পনা পুজিৰ পৰা তলত দিয়া আঁচনি সমূহ ৰূপায়ণ কৰিছে।

১। গুৱাহাটীত দীঘলী পুখুৰীৰ সৌন্দৰ্যবৰ্ধন আৰু বিকাশ সাধন।

২। জালুকবাৰী লাচিত বৰফুকন উদ্যানৰ উৎকৰ্ষ সাধন।

৩। পবিতৰা অভয়াৰণ্যত পৰ্যটকৰ বাবে সা-সুবিধা প্ৰদান।

৪। শিৱসাগৰৰ ঐতিহাসিক স্থান সমূহৰ উৎকৰ্ষ সাধন আৰু পৰ্যটকৰ সা-সুবিধা প্ৰদান।

৫ ন. পর্যটকৰ বাবে বিভিন্ন ধৰণৰ তথ্য আৰু প্ৰচাৰ ক্ষেত্ৰৰ উন্নয়ণ।

(ঘ) এই ক্ষেত্ৰত কোনো এটা নিৰ্দিষ্ট তাৰিখ দিব পৰা নাযায়, যদিও বগীবিল দলঙৰ কাম সোনকালেই আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। গেচ ক্ৰেকাৰ প্ৰজেক্টৰ বাবে মাটি অধিগ্ৰহণ কৰা হৈছে। RAPL আৰু ONGC ৰ মাজত এতিয়াও Gas Supply agreement ৰ চুক্তি সম্পাদিত হোৱা নাই আৰু হলেহে কেতিয়া আৰম্ভ কৰিব পাৰিব তাক জানিব পৰা যাব। অশোক কাগজ কল ব্যৱসায়িক উৎপাদনৰ বাবে প্ৰস্তুত হৈ আছে। মাত্ৰ কেন্দ্ৰীয় চৰকাৰে ১০০% আবকাৰী শুল্ক ৰেহাই দিলে আৰু ইয়াক এটা নতুন গোট হিচাবে ঘোষণা কৰিলেই এই কলৰ উৎপাদন আৰম্ভ হব।

(ঙ) ১৯৭১-৮৬ চনৰ ভিতৰত অহা বাংলাদেশী লোকসকলৰ সন্তি-সন্ততিৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাকৈ নাগৰিকত্ব আইনৰ প্ৰযোজ্য দফা সমূহ সংশোধন কৰিবলৈ ভাৰত চৰকাৰক জনোৱা হৈছে। এই সংক্ৰান্তত ভাৰত চৰকাৰৰ সৈতে যোগাযোগ কৰি থকা হৈছে।

আই, এম, ডি, টি আইনখন বাতিল অথবা বাহাল ৰখা সংক্ৰান্তত সদাহতে তিনিটা গোচৰ উচ্চতম ন্যায়ালয়ত বিবেচনাধীন হৈ আছে আৰু ন্যায়ালয়ৰ ৰায় অনুসৰি কেন্দ্ৰীয় চৰকাৰে যাৱতীয় ব্যৱস্থা ল'ব।

বিষয়: মৰা গছৰ সংখ্যা আৰু মূল্য।

শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে:

৪৫। মাননীয় সামাজিক বননিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত গুৱাহাটীৰ পৰা বক্সিৰ হাটলৈ ৩১ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত থকা কিমান জোপা গছ মৰিছে আৰু আৰ্থিক মূল্য কিমান?

(খ) কি কাৰণত এই গছবোৰৰ ব্যাপক মৃত্যু হ'ল?

(গ) চৰকাৰ অৱগত হয়নে যে মৰি থকা গছবোৰ ক্ৰমে ক্ৰমে নোহোৱা হৈ আছে?

(ঘ) এই নোহোৰা কৰণৰ ক্ষেত্ৰত কোনো বিষয়া জৰিত আছে নেকি আৰু যদি কোনো বিষয়া জৰিত আছে, তাৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে ?

**Shri Govinda Chandra Langthasa** ( Minister, Forest ) replied :

(a) About 2,500 Nos. of trees have died and the financial loss will be approximately Rs. 2,50,000.00 ( Rupees Two lakhs fifty thousand ) only.

(b) These trees have died due to natural causes, especially Sissob trees.

(c) Yes.

(d) No Forest officials are involved in this matter. Hence the question of taking action does not arise.

**Re : Number of O.B.B. teachers.**

**Shri Hemendra Nath Brahma asked :**

45. Will the Minister of Elementary Education be pleased to state :

(a) What is the total number of O. B. B. teacher appointed in the State for the period of one year ?

(b) Whether those teachers are paid regularly by the Government and if not why ?

(c) Whether the service of those teachers will be regularised in future ?

**Shri Hem Prakash Narayan** ( Minister, Education ) replied :

(a) Total number 5493, so far report received from the field officers.

(b) No, Due to non receipt of fund from Government of India.

(c) Government of India intimated the State Government that the OBB Scheme will come to a close on 31 3. 2002. The appointment of OBB teachers given during March, 2001 will therefore, be over by 31.3.2002 as mentioned in their appointment letters. In the absence of extension of the Scheme by the Government of India appointments will automatically come to a close on 31.3.2002.

বিষয় : প্ৰাইমাৰী স্কুল পৰিচালনা কমিটি।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ হাইস্কুল, এম ই, স্কুল আৰু প্ৰাইমাৰী স্কুল সমূহত পৰিচালনা কমিটি গঠন বৰ্ত্তমান চৰকাৰে কি প্ৰক্ৰিয়াৰে গঠন কৰিছে ? (নটিফিকেচনৰ প্ৰতিলিপি সদনত দিব)

(খ) পূৰ্বৰ চৰকাৰে (১৯৯৬-২০০১) এই কমিটি সমূহ গঠনত কি প্ৰক্ৰিয়া অৱলম্বন কৰিছিল ? (নটিফিকেচনৰ প্ৰতিলিপি সদনত দিব)

(গ) 'ক' আৰু 'খ' প্ৰক্ৰিয়া দুটাৰ মাজত পাৰ্থক্য কিবা আছে বুলি চৰকাৰে ভাবে নেকি, যদি ভাবে সেই পাৰ্থক্য কি ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰাইমাৰী আৰু এম, ই স্কুল সমূহৰ পৰিচালনা সমিতি বৰ্ত্তমান গঠন হোৱা নাই। কিন্তু হাইস্কুলৰ পৰিচালনা কমিটি চৰকাৰৰ নিৰ্দেশনা নং B(3) S 412/2001/17 dt. 6/11/2001 মৰ্ম্মে গঠন কৰাৰ দিহা কৰিছো। (নটিফিকেচনৰ প্ৰতিলিপি গাঠি দিয়া হল)

(See Annexure V)

(খ) প্ৰাইমাৰী আৰু এম, ই স্কুলৰ ক্ষেত্ৰত ৰাইজ আৰু অভিভাৱক সকলৰ সাধাৰণ সভাৰ জৰিয়তে সমূহ কমিটি গঠন কৰা হৈছিল। কিন্তু হাইস্কুলৰ পৰিচালনা কমিটি গঠন কৰাত পূৰ্বৰ চৰকাৰৰ নিৰ্দেশনা নং B(3) S/ 209/96/6 dt. 1-6-96 মৰ্ম্মে গঠন কৰিছিল। (নটিফিকেচনৰ প্ৰতিলিপ ইয়াৰ লগত গাঠি দিয়া হল)

(See Annexure VI)

(গ) প্ৰাইমাৰী আৰু এম. ই স্কুলৰ ক্ষেত্ৰত প্ৰশ্ন নুঠে। হাইস্কুলৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰী নিৰ্দেশত সভাপতি পদ সাধাৰণ সভাত নিৰ্বাচিত হব লাগে। কিন্তু বৰ্তমান চৰকাৰী নিৰ্দেশত সভাপতি পদ চৰকাৰে মনোনীত কৰিব লাগে। পূৰ্বৰ চৰকাৰী নিৰ্দেশনাত ২ জন শিক্ষক প্ৰতিনিধিৰ ঠাইত ১ জন কৰিছে। ১৯৯৬ চনত মহিলা সদস্যা ১ জন আছিল, দুজন সদস্যৰ ১ জন দাতা আৰু ১ জন সদস্য। বৰ্তমান চৰকাৰী নিৰ্দেশনাত ২ জনৰ পৰিবৰ্ত্তে মাত্ৰ ১ জন দাতা সদস্য দিছে। ১৯৯৬ চনৰ চৰকাৰী মনোনীত সদস্য ৩ জন আছিল। বৰ্ত্তমান চৰকাৰৰ ৩ জন মনোনীত সদস্য আৰু ৩ জনৰ ভিতৰত ১ জন চৰকাৰী আৰু ১ জন বেচৰকাৰী আৰু ১ গৰাকী মহিলা সদস্যা।

বিষয়: ধুবুৰী জিলাৰ পানবাৰী, ছাগলী, ভেৰা ফাৰ্মৰ কাম।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

৪৮। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পানবাৰী, ছাগলী, ভেৰা ফাৰ্মখন কি উদ্দেশ্যে স্থাপন কৰা হৈছিল আৰু বৰ্তমান কি অৱস্থাত আছে ?

(খ) উক্ত ফাৰ্মখনৰ জৰিয়তে ৰাইজক উপকৃত কৰিবলৈ চৰকাৰে কিবা নতুন চিন্তা-চৰ্চা কৰিছেনে ?

(গ) যদি কৰা নাই, তেন্তে ফাৰ্মখন বন্ধ কৰি দিয়া হব নেকি ?

শ্ৰীপ্ৰেম প্ৰকাশ নাৰায়ণ (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ফাৰ্মখনত উন্নত জাতিৰ ছাগলী আৰু ভেৰা পালন আৰু উৎপাদন কৰি তাৰ সন্তান কৃষক সকলৰ মাজত বিতৰণ কৰি স্থানীয় ছাগলীৰ লগত প্ৰজনন ঘটাই উন্নত জাতিৰ ছাগলী আৰু ভেৰাৰ উৎপাদনৰ জৰিয়তে মাংসৰ উৎপাদন বৃদ্ধি আৰু লগতে কৃষক সকলৰ আৰ্থ-সামাজিক উন্নয়ন সাধনেই এই ফাৰ্ম স্থাপনৰ মুখ্য উদ্দেশ্য। বৰ্তমানে ফাৰ্মখনে ছাগলী উৎপাদন কৰি মূল উদ্দেশ্যত সেৱা আগবঢ়াই আছে।

(খ) হয়, কৰি আছে।

(গ) প্ৰশ্ন নুঠে।

## বিষয়: পশুপালন আৰু পশু চিকিৎসা।

শ্ৰীএতোৱা মুণ্ডাই সুধিছে:

৪৯। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১১৯ নং টিং খং সমষ্টিত মুঠ কিমানটা পশুপালন আৰু পশু চিকিৎসালয় আছে?

(খ) ভাঙি-চিঙি থকা অ-কাৰ্য্যক্ষম পশু চিকিৎসালয়ৰ কিমান আৰু কাৰ্য্যক্ষম চিকিৎসালয় কিমান আছে?

(গ) অ-কাৰ্য্যক্ষম চিকিৎসালয় বিলাক কাৰ্য্যক্ষমথে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ (পশুপালন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে:

(ক) ৪ খন পশু চিকিৎসালয় আৰু ৫ টা পশু স্বাস্থ্য উপকেন্দ্ৰ আছে।

(খ) আটাইকেইখন পশু চিকিৎসালয় আৰু উপকেন্দ্ৰৰ পৰা পশু চিকিৎসাৰ সেৱা আগবঢ়াই থকা হৈছে। অৱশ্যে আটাইকেইখনৰে ঘৰবোৰ ভাঙি-চিঙি গৈছে।

(গ) প্ৰশ্ন নুঠে। অৱশ্যে পশুচিকিৎসালয় আৰু উপেকন্দ্ৰ কেইটাৰ মেৰামতিৰ বাবে ধন আহৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## বিষয়: শিক্ষক, শিক্ষয়িত্ৰীৰ পদ খালী।

শ্ৰীপবিত্ৰ ডেকাই সুধিছে:

৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অৱ, ব্লি, বি আঁচনিৰ অধীনত ৰাজ্যখনত এল, পি আৰু এম, ই স্কুলত প্ৰায় ১৫শ শিক্ষক শিক্ষয়িত্ৰীৰ পদ খালী হৈ আছে নেকি?

(খ) যদি আছে, এই শিক্ষক-শিক্ষয়িত্ৰীৰ পদ সমূহ পূৰ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে নেকি?

(গ) বৰ্তমানে ৰাজ্যখনৰ এল, পি আৰু এম, ই স্কুল সমূহত অ, বি, বি আঁচনিৰ অধীনত কিমানজন শিক্ষক-শিক্ষয়িত্ৰীয়ে কাম কৰি আছে?

(ঘ) এই শিক্ষক-শিক্ষয়িত্ৰী সকলক দৰমহা দিয়া হৈছেনে?

(ঙ) যদি দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নবীকৰণ কৰা পদৰ ভিতৰত কোনো পদ খালী নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰাইমাৰী ৩৫৭৩ জন ।

মজলীয়া ৫০৪৮ জন ।

(ঘ) নাই ।

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱশ্যকীয় পুঁজি নোহোৱাৰ বাবে ।

**Re : Provincialisation of L.P. & M.E. Schools.**

**Shri Dileswar Tanti asked :**

Will the Minister of Education be pleased to state :

(a) Whether the Government has any proposal to provincialise the venture L.P. & M.E. Schools as in the current Budget Session ?

(b) If Yes, upto which years of Schools ( date of establishment ) will be taken up ?

**Shri Hem Prakash Narayan ( Minister of Education ) replied :**

(a) No such Proposal of provincialigction of L.P. and M.E. School at present.

(b) Does not arise.

বিষয় : পানী যোগান কেন্দ্ৰ ।

শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছে :

৫২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে .

(কা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কিমানটা পানী যোগান কেন্দ্ৰ কোকৰাঝাৰ পশ্চিম সমষ্টিত আছে আৰু তাৰে কিমানটা কেন্দ্ৰ

কাৰ্য্যক্ষম বিকল অৱস্থাত আছে।

(খ) বিকল হোৱাৰ কাৰণ সমূহ তাৰ কাৰ্য্যক্ষম কৰাৰ বিহিত ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা, (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কোকৰাঝাৰ ১নং সংমণ্ডল আৰু গোসাইগাওঁ সংমণ্ডলৰ অধীনত কোকৰাঝাৰ পশ্চিম সমষ্টিত মুঠ ৬১ টা পানী যোগান কেন্দ্ৰ আছে। তাৰে, ৩৩ টা পানী যোগান কেন্দ্ৰৰ কাৰ্য্যক্ষম আৰু ২১ টা পানী যোগান কেন্দ্ৰ বিকল অৱস্থাত আছে আৰু ৭ টা পানী যোগান কেন্দ্ৰৰ কাম চলি আছে।

(খ) ১৯৮৯-৯০ চনৰ বড়ো আন্দোলনৰ সময়ত ১৭ টা পানী যোগান কেন্দ্ৰ আৰু ১৯৯৮-৯৯ চনৰ গোষ্ঠীগত সংঘৰ্ষৰ সময়ত ৪ টা পানী কেন্দ্ৰ বিকল হৈ পৰে। উক্ত পানী যোগান কেন্দ্ৰ সমূহ কাৰ্য্যক্ষম কৰাৰ বাবে বি, এ, চি প্লেনত পৰ্য্যায়ক্ৰমে বিহিত ব্যৱস্থা লোৱা হৈছে।

বিষয় : ঘাটি মঞ্জুৰী মহাবিদ্যালয়।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

৫৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঘাটি মঞ্জুৰী পাই থকা কেইখনমান মহাবিদ্যালয়ৰ মঞ্জুৰী বন্ধ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে নেকি ?

(খ) যদিহে চৰকাৰে সিদ্ধান্ত লৈছে, মুঠ কলেজৰ সংখ্যা কিমান ?

(গ) ঘাটি মঞ্জুৰী বন্ধ কৰাৰ কাৰণ সমূহ কি ?

(ঘ) উক্ত শিক্ষানুষ্ঠান সমূহত সৰ্বমুঠ কিমানজন অধ্যাপক আৰু কৰ্মচাৰী আছে ?

(ঙ) যদিহে ঘাটি মঞ্জুৰী বন্ধ কৰিছে, পুনৰাই বিষয়টো বিবেচনা কৰিব নেকি ?

শ্ৰীতৰুণ গগৈ (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ নামদাং সংৰক্ষিত বনাঞ্চল উচ্ছেদ।

শ্ৰীএাতোৱা মণ্ডাই সুধিছে :

৫৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১১৯ নং টিং খং সমষ্টিৰ অন্তৰ্গত নামদাং সংৰক্ষিত বনাঞ্চল উচ্ছেদ হৈ থকাটো চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত, উচ্ছেদ ৰোধ কৰি বনাঞ্চলখনি উন্নীত কৰণাৰ্থে কিবা ব্যৱস্থা লোৱা হৈছেনে ?

(গ) যদি লোৱা নাই, কিয় আৰু যদি লোৱা হৈছে, এই বিত্তীয় বৰ্ষত আঁচনি লোৱা হবনে ?

(ঘ) তিনিঠেঙিয়াত থকা বনৰক্ষী নিবাস সমূহ তথা ৰেঞ্জাৰ অফিচটো পুনৰ প্ৰতিষ্ঠা কৰিবলৈ কিবা ব্যৱস্থা লোৱা হৈছেনে ?

Shri Gobinda Chandra Langthasa ( Minister of Forests ) replied :

(a) Yes.

(b) Yes.

(c) Efforts are being taken up for such schemes.

(d) There is no Range Office or Forest Guard quarters at the place known as Tinthengia.

বিষয় : শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে :

৫৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে ১৯৯১-১৯৯৬ চনৰ ভিতৰত অনিয়মীয়া ভাৱে নিযুক্তি পোৱা শিক্ষকৰ চাকৰি সমূহ নিয়মীয়া কৰাৰ বাবে সিদ্ধান্ত লৈছে

নেকি আৰু যদি লৈছে, এই প্ৰক্ৰিয়া কেতিয়া আৰম্ভ কৰি শেষ কৰিব ?

(খ) চলিত বিত্তীয় বছৰত বাক্সাখনৰ এল, পি এম,ই, হাইস্কুল সমূহত অৱসৰ যোগে ইতিমধ্যে খালী হোৱা শিক্ষকৰ পদ সমূহত শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

(গ) যদি কৰে, কেতিয়াৰ পৰা এই ব্যৱস্থা আৰম্ভ কৰিব ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই লোৱা।

(খ) কৰাৰ সিদ্ধান্ত নাই।

(গ) প্ৰশ্ন নুঠে।

বিষয় : মাটিৰ বেদখল।

শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছে :

৫৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কচুগাওঁ বন সংৰক্ষণৰ অধীনত থকা বন বিভাগৰ মাটি ক'ত ক'ত বেদখল হৈছে আৰু যদি হৈছে কিমান বিঘা মাটি বেদখল কৰিছে আৰু কৰি আছে ?

(খ) উক্ত বেদখল উচ্ছেদ কৰাৰ বাবে বন বিভাগে কি কি ব্যৱস্থা হাতত লৈছে ?

Shri Gobinda Chandra Langthasa ( Minister of Forests ) replied :

(a) Under Kachugaon Forest Division altogether 16965 bighas of Forest land were ancroached by the people, out of which 16,290 bighas were encroched in Repu Forest Reserve and 675 bighas of Forest land were encroached in Kachugaon Reserve Forest. Due to Communel violence/clash in between the two parties of encroachers, the ancroachers

were sheltered in the Relief Camp set up by the Government also. Now part of the Reserve Forest are free from the encroachers due to the communel violence of the people.

(b) The encroachers of the Forest land those who were given shelter in the Relief Camp are being sent to the home in their own Village in consultation with District Authority.

বিষয় : প্ৰশাসনীয় সমিতি ।

শ্ৰীগিৰীন্দ্ৰ বৰুৱাই সুধিছে :

৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনৰ মহাবিদ্যালয় সমূহৰ মুঠ কিমানখন মহাবিদ্যালয়ত প্ৰশাসনীয় সমিতি গঠন কৰা হ'ল ?

(খ) বৰ্ত্তমানে কিমানখন মহাবিদ্যালয়ত সমিতি গঠন কৰিবলৈ বাকী আছে ?

(গ) মুঠ কিমানখন মহাবিদ্যালয়ত অধ্যক্ষৰ পদ খালী হৈ আছে ?

(ঘ) প্ৰশাসনীয় সমিতি গঠন হোৱাৰ কিমান দিনৰ ভিতৰত অধ্যক্ষৰ পদ সমূহ পূৰণ কৰা হ'ব ?

শ্ৰীতৰুণ গগৈ ( উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ৰাজ্যখনৰ মহাবিদ্যালয় সমূহত প্ৰশাসনীয় সমিতি গঠন কৰাৰ ব্যৱস্থা নাই। পৰিচালনা সমিতি গঠন কৰাৰ ব্যৱস্থা হৈ আছে ।

(খ) ইতিমধ্যে ১৫৯ খন ঘাটী মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ত আৰু ৪ খন তদৰ্থ মঞ্জুৰী পোৱা মহাবিদ্যালয়ত পৰিচালনা সমিতি গঠন কৰা হৈছে ।

(গ) মুঠ ৭৮ ( আঠসত্তৰ ) খন মহাবিদ্যালয়ত অধ্যক্ষৰ পদ খালী হৈ আছে ।

(ঘ) পৰিচালনা সমিতি সমূহৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিব ।

বিষয় ঃ পাৰ্ব্বত্য অঞ্চল উন্নয়ন আঁচনি।

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

৫৮। মাননীয় পাৰ্ব্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১/৬/২০০১ তাৰিখৰ পৰা এতিয়ালৈ অসম চৰকাৰে পাৰ্বত্য অঞ্চলৰ উন্নয়নৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে ?

(খ) পাৰ্ব্বত্য অঞ্চল উন্নয়নৰ বাবে চলিত বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়া কেবা কোটি টকা খৰচ কৰিব নোৱাৰি চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিয়া কথাটো সঁচানে ?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ যোজনা আয়োগে অনুমোদন জনোৱা বিভিন্ন উন্নয়ন মূলক আঁচনি পাৰ্বত্য অঞ্চলৰ উন্নয়নৰ বাবে অসম চৰকাৰে হাতত লৈ আহিছে। ইতিমধ্যে IJDP, Rural Development Schemes, WDPSCA (Watershed), PMGY, Schemes under Article 275 (1) MSNY, ইত্যাদি উন্নয়ন মূলক আঁচনি সমূহ পাৰ্বত্য অঞ্চলত কাৰ্যকৰী হৈছে। ইয়াৰ উপৰিও বিভিন্ন Centrally sponsored, Central Sector schemes আৰু State Plan Schemes পাৰ্বত্য অঞ্চল উন্নয়নৰ বাবে হাতত লোৱা হৈছে।

(খ) সঁচা নহয়।

বিষয় : সামাজিক বনানীকৰণ।

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৫৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ কিমান পৰিমাণৰ মাটিত বৰ্ত্তমানলৈকে সামাজিক বনানীকৰণ কৰা হৈছে ?

(খ) উক্ত বনানীকৰণ ৰাজ্যখনৰ স্বাৰ্থত পৰ্য্যাপ্ত (Sufficient) হয়নে ?

(গ) উক্ত বিভাগৰ ( সামাজিক বনানীকৰণ ) সৰ্বমুঠ কিমানজন বিষয়া, কৰ্মচাৰী আছে ? (অনুগ্ৰহ কৰি পদ অনুসৰি উল্লেখ কৰিব)

(ঘ) উক্ত বিভাগৰ সামাজিক বনানীকৰণ) সৰ্বমুঠ কিমানখন গাড়ী আছে ?

(ঙ) উল্লেখ কৰা বিষয়া কৰ্মচাৰী আৰু গাড়ীৰ বিভিন্ন খৰচৰ বাবদ ১৯৯৫-৯৬, ৯৬—৯৭, ৯৭ ৯৮, ৯৮ ৯৯, ৯৯—২০০০, ২০০০-২০০১ বিত্তীয় বৰ্ষত সৰ্বমুঠ কিমান টকা খৰচ হ'ল ?

(চ) ১৯৯৫-৯৬, ৯৬-৯৭, ৯৭-৯৮, ৯৮-৯৯, ৯৯-২০০০, ২০০০-২০০১ বিত্তীয় বৰ্ষত উক্ত বিভাগে নিজা বৰীয়াকৈ কিমান পৰিমাণৰ মাটিত আৰু বিভিন্ন অনুষ্ঠানৰ জৰিয়তে কিমান পৰিমাণৰ মাটিত বননী-কৰণ কৰিলে ?

Shri Gobinda Chandra Langthasba (Minister Forest) replied :

(a) Total 1, 34, 612 Hect Plantation has been raised by the Social Forestry Wing, Assam since 1980-81 to 2001-02.

(b) Not sufficient.

(c) Altogether 1954 Nos. of employees are there in the Social Forestry Wing. The posts and the numbers are shown below :—

| | | |
|---|---|---|
| 1. | C.C.F (SF) Assam | 1 No. |
| 2. | C.F. | 3 Nos. |
| 3. | Planning Officer | 1 Nos. |
| 4. | D. F. O. | 20 Nos. |
| 5. | A. C. F. | 18 Nos. |
| 6. | Range Officer | 81 Nos. |
| 7. | Registrar | 1 No. |
| 8. | Superintendent | 6 Nos. |
| 9. | U.D. Asstt. (Direction) | 28 Nos. |

| | | |
|---|---|---|
| 10. | L.D. Asstt. ( do ) | 55 Nos. |
| 11. | Deputy Ranger | 47 Nos. |
| 12. | Stenographer | 5 Nos. |
| 13. | Accountant | 16 Nos. |
| 14. | U.D.A. (Division) | 27 Nos. |
| 15. | Forester – I | 250 Nos. |
| 16. | L.D.A. (Division) | 100 Nos. |
| 17. | Forester Grd – II | 243 Nos. |
| 18. | Surveyor | 16 Nos. |
| 19. | Driver | 41 Nos. |
| 20. | Forest Guard | 452 Nos. |
| 21. | Draftsman | 5 Nos, |
| 22, | Cinema Operator | 5 Nos. |
| 23, | Photographer | 1 No, |
| 24. | Record Keeper | 1 No, |
| 25. | Office peon | 55 Nos. |
| 26. | Sweeper | 15 Nos. |
| 27. | Draftry | 2 Nos. |
| 28. | Mali | 40 Nos. |
| 29. | Chowkidar | 41 Nos. |
| 30. | Handiman | 9 Nos. |
| 31. | Chainman | 1 Nos. |

(d) 94 Nos. of Vehicles are there in Social Forestry wing.

(e) An amount of Rs. 5424·05 lakhs has been incurred so far, Year wise break up is shown below :—

| Year | Expenditure on salary | Expenditure on Vehicle | Total |
|---|---|---|---|
| 1995-96 | Rs. 650·78 lakhs | Rs. 0·70 lakhs | Rs. 651·48 Lakhs |
| 1996-97 | Rs. 785·98 ,, | Rs. 0·50 ,, | Rs. 786·48 ,, |
| 1997-98 | Rs. 833·72 ,, | Rs. 1·55 ,, | Rs. 835·27 ,, |
| 1998-99 | Rs. 990·55 ,, | Rs. 1·85 ,, | Rs. 992·40 ,, |
| 1999-2000 | Rs. 1102·31 ,, | Rs. 3·20 ,, | Rs. 1105·51 ,, |
| 2000-2001 | Rs. 1050·03 ,, | Rs. 2·88 ,, | Rs. 1052·91 ,, |
| | Rs. 5313·37 lakhs | Rs. 10·68 lakhs | Rs. 5424·05 lakhs |

(f) Total 31,239'34 hect. Social Forestry Plantation has been raised since 1995 - 96 to 2000-2001 and 150 57 lakhs of Seedlings has been distributed among the local people for their individual planting.

Mr. Speaker : Now, Question Hour is over.

## Discussion On Zero Hour Matter

Mr. Speaker : Now, I have received as 9 Zero Hour Notices for to-day from the Hon'ble Members :

1. Shri Dilip Kumar Saikia
   Shri Jagadish Bhuyan
   Shri Bubul Das
   Shri Ali Akbar Miah
2. Shri Gunin Hazarika
3. Shri Dinesh Sarkar
   Shri Sushil Dutta
   Shri Rameswar Teli
4. Shri Dilip Kumar Saikia
   Shri Ali Akbar Miah
5. Shri Pabindra Deka
6. Shri Dilip Kumar Saikia
   Shri Ali Akbar Miah
7. Shri Pabindra Deka
8. Dr. Zoii Nath Sarma
9. Shri Etua Munda

As per rules, I have selected only 3 Zero Hours raising before the House to-day.

I now, call upon the Hon'ble Member Shri Gunin Hazarika to raise his Zero Hour Motion which was published in "Amar Asom" dated 02-03 2002 under the caption "শিক্ষকৰ ওপৰত লাঠি চালনা, কলেজ শিক্ষকৰ আমৰণ অনশন, মধ্য ইংৰাজী শিক্ষকৰ ধৰ্মঘট'

★ শ্ৰীগুণীন হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত বিধান সভাৰ অধিবেশন আৰম্ভ হোৱাৰে পৰা দিশপুৰৰ লাষ্ট গেটত কলেজ শিক্ষক সকলে আমৰণ অনশন কৰিছে তেওঁলোকৰ দাবীৰ কাৰণে। এ-বি-বি শিক্ষক সকলে দৰমহা পোৱা নাই। শিক্ষা বিভাগৰ পৰা যি প্ৰস্তাৱ আগতে আছিল সেইটো কাৰ্য্যকৰী কৰিবলৈ বিচৰা নাই। এতিয়া গোটেই বিষয়টো এটা চিন্তা চৰ্চাৰ প্ৰয়োজন হৈছে। বাতৰি কাকতত এই খবৰ বিলাক প্ৰচাৰিত হৈ আছে। আমাৰ মাননীয় মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন ডাঙৰীয়া শিক্ষা বিভাগৰ মন্ত্ৰী নহয় যদিও তালৈ গৈ অনশন ধৰ্মঘটকাৰী সকলৰ স্বাস্থ্যৰ বুজ লৈছে। তেখেতলৈ আন্তৰিক ধন্যবাদ জনাইছো। আমাৰ শিক্ষকসকলৰ অৱস্থা যোৱা চৰকাৰৰ দিনত যিটো আছিল তাতকৈ এতিয়া বেয়ালৈ ধাবিত হৈছে। বিদ্যালয় চৰকাৰীকৰণৰ যি প্ৰস্তাৱ লোৱা হৈছিল সেই বিলাক কাৰ্য্যকৰীকৰণ কৰা হোৱা নাই। বৰঞ্চ এই চৰকাৰৰ দিনত সেই প্ৰস্তাৱ বাতিল কৰিছে। গ্ৰ্যাণ্ট ইন এইড যিটো আছিল সেইটোও বন্ধ কৰিছে। এতিয়া চৰকাৰৰ ফালৰ পৰা অনশনকাৰী সকলৰ অনশন ভঙ্গ কৰাৰ ব্যৱস্থা হাতত লোৱা নিতান্তই উচিত হব। তেওঁ বিলাকে সময়মতে দৰমহা পোৱাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষা বিভাগৰ পৰা এটা স্পষ্ট নীতি কৰিব লাগে।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা অক্টোবৰ মাহত বিধান সভাত এই কথা উত্থাপন হৈছিল যে এ বি-বি শিক্ষক যি সকলক নিযুক্তি দিয়া হৈছে সেই সকলৰ চাকৰিকাল সীমিত হব।

---

* Speech not corrected

যোৱা চৰকাৰৰ কাৰ্যকালৰ ২৩ মাৰ্চ আৰু ১৪ এপ্ৰিল ২০০১ তাৰিখত শিক্ষামন্ত্ৰী ডাঙৰীয়াই ৬১ খন মহাবিদ্যালয়ক দশম পৰিকল্পনাৰ ভিতৰত ঘাটি মঞ্জুৰীৰ অধীনলৈ অনা হব বুলি নিজা-ববীয়াকৈ ঘোষণা কৰিছিল । বিভাগীয় পৰ্যায়ত আনুষ্ঠানিক ভাবে এই বিষয়ে কোনো সিদ্ধান্ত লোৱা নাছিল । পূৰ্ব্বতে এই বিষয়ে বিভাগৰ পৰা পৰিকল্পনা বিভাগৰ বিত্ত বিভাগৰ লগত যোগাযোগ কৰা হৈছিল যদিও দুয়োটা বিভাগে কোনো মহা-বিদ্যালয়কে ঘাটি মঞ্জুৰীৰ অধীনলৈ অনাৰ বাবে অপাৰগতা প্ৰকাশ কৰে আৰু সেইমতেই প্ৰস্তাৱটো বন্ধ কৰা হয় ।

অধ্যক্ষ মহোদয়, বৰ্ত্তমান উক্ত ৬১ খন মহাবিদ্যালয়ৰ শিক্ষক সকলে অসম কলেজ শিক্ষক ৰৰমা নামৰ সন্থা এটি গঠন কৰি বিভিন্ন সময়ত পূৰ্বৰ শিক্ষা মন্ত্ৰীৰ ঘোষণাটো কাৰ্যকৰী কৰিবলৈ দাবী জনাই আহিছে । ইতিমধ্যে উচ্চ শিক্ষা বিভাগৰ হুকুম নং বি (২) এইচ ৩৬১-৯৮ পিটি ৯৯ তাং ২১, ৯, ২০০১ নিৰ্দেশ মতে পূৰ্ব্বৰ শিক্ষামন্ত্ৰীৰ নিৰ্দেশটো বৰ্ত্তমান নাকচ কৰা হৈছে । চৰকাৰৰ বিত্তীয় নাটনিৰ ফলত বৰ্ত্তমান কোনো প্ৰধোই নতুনকৈ কোনো মহাবিদ্যালয়কে মাটিৰ মঞ্জুৰীৰে আওটালৈ আনিব পৰা নহয় । ইয়াৰ উপৰিও অসমত বৰ্ত্তমান ১৯০ খন মহাবিদ্যালয়ক মাটি মঞ্জুৰী আৰু ৩০ খন মহাবিদ্যালয়ক তদৰ্থ মঞ্জুৰী দি থকা হৈছে ।

**Mr, Speaker :** Two notices on the same subject have been clubbed together. The news items were published in the news papers.

"Asomiya Pratidin" dated 4.3.2002 and

( Uncontiuned )

"Amar Asom" dated 03.03.2003

Now, I request the Hon'ble Members—

Dr. Zoii Nath Sarma

Shri Dilip Kumar Saikia and

Shri Ali Akbar Miah to raise two Zero Hour Motion on the subject "চাউল ক্ৰয়ৰ নামতে ৰাজ্যৰ বাহিৰলৈ ৫৫০ কোটি"।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, অসমৰ দুখন আগশাৰীৰ বাতৰি কাকত 'আমাৰ অসম' আৰু 'প্ৰতিদিন'ত এটা বাতৰি প্ৰকাশ পাইছে যে ধানৰ বজাৰ নাই কৃষকৰ ওপৰত মাধমাৰ পৰিছে। এই কথা দুয়োখন বাতৰি কাকতৰে বাতৰিত স্পষ্ট হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে পঞ্জাব অন্ধ্ৰ প্ৰদেশ আৰু হাৰিয়ানাৰ পৰা কেন্দ্ৰীয় ভাবে ধান ক্ৰয় কৰিছে। কিন্তু অসমৰ পৰা ধান ক্ৰয় কৰাৰ কোনো ব্যৱস্থা কৰা নাই। অথচ পঞ্জাব, অন্ধ্ৰ বা হাৰিয়ানাৰ পৰা ক্ৰয় কৰা ধান এফ-চি আইৰ জৰিয়তে অসমলৈ প্ৰেৰণ কৰিছে। কিন্তু যোৱা বছৰ কেইটাত অসমৰ বিভিন্ন ঠাইত অধিক ধান উৎপাদন হৈছে। উদাহৰণ হিচাপে মই ধুবুৰী ঢকুৱাখানা আৰু বিশেষভাৱে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ তিতাবৰ সমষ্টিৰ কথা আঙুলিয়াব পাৰো। অধিক ভাবে ধান উৎপাদন কৰিব পাৰিলেও আমাৰ ৰাজনৈতিক স্থিতি দৃঢ় নহয় কাৰণেই কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰা ধান ক্ৰয় কৰিবলৈ আগবাঢ়ি অহা নাই। আমাৰ ৰাজনৈতিক স্থিতি দুৰ্বল কাৰণেই আন ৰাজ্যত ক্ৰয় কৰা ধান আমালৈ এফ-চি আইনৰ যোগে পঠাই দিয়াৰ ব্যৱস্থা কৰিছে। আমাৰ কৃষক সকলে ৮৫০ টকা কুইন্টলত ধান বিক্ৰী কৰিবলগীয়া হৈছে। আগতে যোনে প্ৰতি ১৫০ টকা আছিল। এতিয়া মোন ১০০ টকাকৈহে পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনত এটা কথাই পুনৰবাৰ কৈ আহিছো যে আমাৰ অসমৰ কৃষক সকলৰ কথাই চিন্তা কৰক। কাৰণ আজি বৰ্তমান আমাৰ কৃষক সকলৰ বৰ দুদিন হৈছে। অসমত বৰ্তমান যি ধান উৎপন্ন হয় সেই ধান কৃষক সকলে যি হাৰত বিক্ৰী কৰিব লাগে সেই হাৰত বিক্ৰী কৰিব নোৱাৰা হৈছে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যেনেকৈ দিল্লীৰ লগত

* Speech not corrected

যোগাযোগ কৰি আমাৰ দুখীয়া কৃষক সকলৰ উৎপাদিত ধান বিক্ৰীৰ বাবে সুবিধা কৰি দিয়ে যেন। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দিল্লীত এটা নাম আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডি, আৰ, দিয়ে আৰু চছিয়েল ওৱেলফেয়াৰ বিভাগৰ পৰা যি চাউল ক্ৰয়, কৰি যোগান ধৰা হৈছে সেই চাউল বজাৰত ৮,৫০ টকা দৰত পোৱা যায়। ষ্টেটফেডে সেই চাউল ৮০০ টকাৰ পৰিবৰ্তে বজাৰৰ পৰা ১৭ টকা দৰত কিনিছে।

★ শ্ৰীৰিপুণ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শইকীয়া মহোদয়ে যি চাউলৰ কথা কৈছে সেই চাউলৰ কথা তেখেতে নজনাৰ কাৰণে হৈছে। কাৰণ তেখেত সকলৰ চৰকাৰৰ দিনত আৰু বহুতো ডাঙৰ ঘটনাই হৈছে। গতিকে তেখেতে আজি চিঞৰি কলেও তাত আমাৰ কৰলগীয়া একো নাই।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ৮ টকাৰ চাউল ২৩.০০ টকাত কিনিছে আৰু ১৭.০০ টকাতো কিনিছে। এই পৰ্যন্ত মোৰ হাতত প্ৰমাণ আছে। দৰ্কাৰ হলে অধ্যক্ষ মহোদয়ৰ হাতত মই জমা দিম। মূখ্য নিৰীক্ষণ আয়ুক্তই এই বিষয়ত অনুসন্ধান কৰিছে আৰু এই ফাইলটো বৰ্তমান টি, কে কামিল্লাৰ হাতত আছে। আনকি ১৯/১১/২০০১ তাৰিখে চিঠি ইচু কৰিছিল। আইজুং চাউল ১৭.০০ টকাত এফ, চি, আইৰ পৰা কিনিছে। মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰতিবাদ কৰিছো যে ২৩.০০ টকা দৰত কিয় আইজুং চাউল কিনিব লাগে। আমাৰ সদস্য সকলে প্ৰতিবাদ কৰিছে আৰু কৰিম কাৰণ বিল পৰ্য্যন্ত মোৰ লগত আছে। সেইজন ড্ৰয়িং এণ্ড দিচবাৰ্চিং বিষয়াক কিয় পুনৰ চাচপেনচন উঠ্ৰ কৰি পুনৰ তাত মকৰল কৰা হ'ল।

★ Shri Repun Bera : This is administrative proces.

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ভূঞা উপাধি নামৰ মানুহজনক কিয় পুনৰ ড্ৰয়িং এণ্ড দিচবাৰ্চিং পোষ্টত দিয়া হ'ল। মই আজি মুখ্যমন্ত্ৰী মহোদয়ক এই দুখীয়া কৃষক সকলৰ কথা চিন্তা কৰি তেওঁৰ নেতৃত্বত এই সবল চৰকাৰে কেন্দ্ৰীয় চৰকাৰ

* Speech not corrected

লগত যোগাযোগ কৰি আমাৰ তৃণীয়া কৃষক সকলক সকাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় ভাৰতবৰ্ষৰ ভিতৰতে তৃতীয় স্থানত আছে। অসমৰ ৰাইজৰ বাবে এইটো ভাল খবৰ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিল্লীত গৈ কব লাগে যে অসমৰ পৰা ধান কিনিব লাগে। অন্ধ্ৰ প্ৰদেশ, চণ্ডিগড় পঞ্জাব আদি ৰাজ্যৰ পৰা যিহেতুকে ধান কিনে। এইটো কৰিলে আমাৰ কৃষক সকল উপকৃত হব। ইমানকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰে য'তেই হাত দিছে তাতেই ভষ্ম হৈছে। পালচ পলিও, পালচ ভিটামিন খাই আমাৰ বহুতো ল'ৰা-ছোৱালী মৃত্যু মুখত পৰিছে। অধ্যক্ষ মহোদয়, পালচ পলিও আৰু পালচ ভিটামিনৰ যদি পাৰ্থক্য আছে তেন্তে সেইটো প্ৰমাণ কৰিব লাগিব। এইবোৰ ল'ৰা ধেমালি কৰিলে নহব। মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছো আমাৰ চৰকাৰে কৰা বেয়া কামবোৰ তেওঁলোকে বাদ দিয়ক। অধ্যক্ষ মহোদয়, চকু থাকিও যিয়ে নেদেখে তাক কি বুলি কয়? অধ্যক্ষ মহোদয়, আমাৰ চিপাঝাৰ সমষ্টিত এফ. চি, আই যিখিনি চাউল দিছে সেইখিনি পঞ্জাব, উত্তৰপ্ৰদেশ বা হাৰিয়ানাৰ মানুহে নোখোৱা চাউলহে দিছে। এতিয়া মই চাউলৰ নমুনা লৈ আহিছো।

★ শ্ৰীহিমন্ত বিশ্ব শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি কয় কৈয়ে থাকে। তেখেতৰ কথাবিলাকহে সঁচা আমাৰ কথা বিলাক মিছা।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, বেছি কথা কলে মন্ত্ৰী কটা যায়, মোৰো কটা গৈছিল।

★ শ্ৰীহিমন্ত বিশ্ব শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক সুধিব বিচাৰিছো ডিবেট মানে কি? তেখেতে কিজানি তেখেতৰ ঘৰত নোখোৱা বেয়া চাউলখিনি লৈ আহিছে।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় যদি প্ৰমাণ কৰিব বিচাৰে তেখেতে মোৰ লগত যাব পাৰে।

---

★ Speech not corrected

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, বেয়া কথাবোৰ আমি ইয়াত আলোচনা কৰি শেষ কৰা দৰকাৰ।

★ শ্ৰীহিমন্ত বিশ্ব শৰ্মাঃ মাননীয় অধ্যক্ষ মহোদয়, চাউল এনেকৈ অনা নীতি আছে নেকি ?

Mr. Speaker : Now, reply will be given by Hon'ble Minister Social Welfare.

★ শ্ৰীগৌতম ৰয় ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া মহোদয় আৰু শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেত সকলে যিখিনি অভিযোগ আনিছে। ৫৫০ কোটি টকা সেইখিনি সত্য নহয়। আমাৰ বিভাগৰ বাজেটেই ইমান কোটি নাই। অধ্যক্ষ মহোদয়, মই অসমৰ বিভিন্ন জিলা ভ্ৰমণ কৰিছো আৰু সকলোতে কেবল চাউলৰ কথা ওলাইছে। অধ্যক্ষ মহোদয় এফ, চি, আইয়ে আমাক লোকেল আইজুং চাউল দিব নোৱাৰে বুলি কোৱাৰ কাৰণে আমি লোকেল ঠিকাদাৰৰ হতুৱাই আইজুং চাউলৰ যোগান ধৰিছো। এই চাউলৰ ৰেট নিৰ্দ্ধাৰণ কৰাৰ বাবে আমি চেম্বাৰচ অফ কমাৰ্চ আদি বিভিন্ন ব্যৱসায়ী সংগঠনৰ লগত আলোচনা কৰি ৰেট ফিক্স কৰিছো। অধ্যক্ষ মহোদয়, শিশু খাদ্যৰ কাৰণে এফ, চি, আইয়ে আমাক লোকেল আইজুং চাউল যোগান ধৰিব নোৱাৰে বুলি লিখি দিয়া কাৰণে আমি স্থানীয়ভাৱে ক্ৰয় কৰি শিশুৰ বাবে লোকেল আইজুং চাউল যোগান ধৰিছো। এইবোৰৰ বাবে আপোনালোকে আমাক ধন্যবাদ জনাব লাগে। অধ্যক্ষ মহোদয়, এইবোৰত যদি আমাৰ মাননীয় বিধায়ক সকলে নিৰ্দিষ্ট কিবা অভিযোগ পায় তেন্তে সেইবোৰ আমাক দিলে আমি নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম। অধ্যক্ষ মহোদয়, মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই গিৰীণ ভূঞাক ড্ৰয়িং এণ্ড দিচবাৰচিং পদত চাচপেনচন কৰি পুনৰ সেই পদতে মকবল কৰা পদতে মকবল কৰা বুলি যি অভিযোগ আনিছে সেয়া সত্য নহয়। গিৰীণ ভূঞা ড্ৰয়িং এণ্ড দিচবাৰচিং অফিচাৰ নাছিল।

---

* Speech not corrected

বিভাগৰ ড্ৰয়িং দিচবাৰচিং অফিচাৰ ডাইৰেক্টৰহে । মাননীয় অধ্যক্ষ মহোদয়, এ, জি, পিৰ আমোলত ২১ টকা দৰত চাউল ক্ৰয় কৰা হৈছিল। তেতিয়া কিয় একো ব্যৱস্থা লব পৰা নাছিল। যদি এই বিষয়ে প্ৰশ্ন আছে মই পিচত কম। তেতিয়া আপোনা- লোকে কোনেও উত্তৰ দিব নোৱাৰিব। অধ্যক্ষ মহোদয়, এই- খিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো ।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, এইখন চিঠি, আপুনি ডাইৰেক্টৰৰ ওপৰত একচন নলয় কিয় ?

**Mr. Speaker :** Now, Shri Etowa Munda will draw the attention of the Chief Minister by raising a Zero hour motion under the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to a news item published in Amar Asom dated 31-1-2002 under the caption "চাহ নিগমৰ কৰ্মচাৰীৰ দৰ্মহা নিদিয়াত ক্ষোভ"।

★ শ্ৰীএটোৱা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰত এই মেটাৰতো আলোচনা কৰিবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। বাতৰিত প্ৰকাশ পোৱা মতে অসম চাহ নিগমৰ অন্তৰ্গত যি ১৪ খন চাহ বাগিছা আছে সেই বাগিছাৰ কৰ্মচাৰী সকলে বিগত কেইবা মাহো ধৰি বেতন নোপোৱাত তেওঁলোকৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে । তাত তেওঁলোকক দৰ্মহাৰ পৰা আৰম্ভ কৰি ৰেচন পাতি দিয়াটোও বন্ধ আছে। যাৰ কাৰণে ১৬ হাজাৰ শ্ৰমিক আৰু তাৰ লগত সংশ্লিষ্ট ভাবে জড়িত থকা ৪০ হাজাৰ লোকৰ মাজত আজি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত মই আমাৰ দলৰ চৰকাৰক ধন্যবাদ জনাইছো। যোৱা ৯ মাহত আমাৰ চৰকাৰে অসম চাহ নিগমক প্ৰায় ৮ কোটি ৪০ লাখ মান টকা দিছে। সেই বাগিচাৰ কৰ্মচাৰী সকলক ৰেচন আৰু অন্যান্য সা-সুবিধা দিয়াৰ ব্যৱস্থাও আমাৰ চৰকাৰে কৰিছে।

* Speech not corrected

কিন্তু তথাপিতো সমস্যাৰ সমাধান হোৱা নাই। অসম চাহ নিগমৰ বাগিচা সমূহৰ কৰ্মচাৰী সকলে বছৰ দিন ধৰি দৰমহা আৰু বেচন নোপোৱাৰ কাৰণে অনশন কৰিবলগীয়া হৈছে আৰু তেওঁলোকে অনশনত বহিছে। উক্ত বাগিচা সমূহ আমাৰ চৰকাৰৰ ফালৰ পৰা অনুদান দি চলাবলগীয়া হৈছে। ক্ৰমান্বয়ে আজি বহুদিনৰ পৰাই এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। এইখিনিতে মই এটা কথা কব বিচাৰিছো যে আজি শ্ৰমিক সকলক জঙ্গলী কচু খুৱাবৰ কাৰণে কেইজন মান কৰ্মচাৰীয়ে বাধ্য কৰাইছে। যোৱা চৰকাৰৰ দিনত লাহ বিলাসৰ নামত, বিদেশ যাত্ৰাৰ ক্ষেত্ৰত চেয়াৰ-মেনে ৪০ কোটি মান টকা খৰচ কৰিলে যাৰ কাৰণে আজি অসম চাহ নিগমৰ অৱস্থা এনেকুৱা হৈছে। অসম চাহ নিগমৰ বাগিচাত ২ জন মেনেজাৰ লাগে। কিন্তু তাত ১০/১৫ জন মেনেজাৰ নিযুক্তি দিয়া হৈছে। নিজৰ সম্বন্ধীয় মানুহক এই পদ সমূহত নিযুক্তি দিছে। যিবিলাকে চাহ গছৰ পুলি উৎপাদন কৰিব নাজানে, চাহপাত তৈয়াৰ কৰিব নেজানে তেনেকুৱা লোককো তাত নিযুক্তি দিয়া হৈছে। তাৰ কাৰণে অসুবিধা হৈছে। এই বাগিচা কেইখন বচাই ৰাখিবৰ কাৰণে আৰু শ্ৰমিক কৰ্মচাৰী সকলক ঠিক কৰিবৰ কাৰণে আমাৰ চৰকাৰে যিটো পদক্ষেপ লৈছে সেইটো যথেষ্ট নহয়। বাগিচা কেইখনৰ স্বাৰ্থত আৰু শ্ৰমিক সকলৰ কাৰণে। আৰু কেনেকুৱা ধৰণৰ ব্যৱস্থা লোৱা হৈছে। অন্য কোম্পানীৰ তাত বেচি-মেলি হলেও সেই বাগিচা কেইখন আৰু তাৰ শ্ৰমিক সকলক ৰক্ষা কৰিবৰ লাগে। তাত অন্য বাগিচা সমূহে লাভ দিব পাৰিছে। কিন্তু অসম চাহ নিগমৰ বাগিচা সমূহে লাভ দিব পৰা নাই। কোনে আজি এই বাগিচা সমূহৰ টকা পইচা আত্মসাৎ কৰি আজি এনেকুৱা দুৰৱস্থাৰ সৃষ্টি কৰিছে তাৰ কাৰণে অনুসন্ধান কৰিব লাগে। বিগত কালত অসম চাহ নিগমৰ বাগিচা সমূহত কিয় এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছে তাৰ কাৰণে অনুসন্ধান কৰি বিহিত ব্যৱস্থা লবলৈ মই অনুৰোধ জনাইছো। আমাৰ চৰকাৰে এই বাগিচা সমূহৰ কৰ্মচাৰী সকলৰ জীৱন ধাৰণৰ মান উন্নত কৰি তুলিবৰ কাৰণে বলিষ্ঠ পদক্ষেপ হাতত লৈছে। গতিকে আজি

এই ৰাজহুৱা খণ্ডৰ বাগিচা সমূহৰ আজি যিটো ধ্বংসাত্মক অৱস্থাৰ সৃষ্টি হৈছে সেই ধ্বংসাত্মক গৰাহৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : পইন্ট অব অৰ্ডাৰ চাৰ। আমাৰ যিটো গভৰ্ণমেন্ট আইটেম আছে সেইটোও একেটা ধৰণৰেই বিষয়।

মাননীয় অধ্যক্ষ : এইটোত দৰমহাৰ কথা আছে। আৰু তাত অৱস্থাৰ কথা আছে।

★ ডঃ জয়নাথ শৰ্মা : চাৰ, চাবজেক্টতো ভাল।

★ শ্ৰীহিমন্ত বিশ্ব শৰ্মা : চাৰ পইন্ট অব অৰ্ডাৰেই হওক বা অন্য ক্ষেত্ৰতেই হওক সকলো বিলাক ক্ষেত্ৰতেই শৰ্মা ডাঙৰীয়াই কৰলৈ বিচাৰে।

★ শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই কথাটো সঁচা যে আজি আমাৰ অসম চাহ নিগমৰ বাগিচা সমূহৰ অৱস্থা আটাইতকৈ বেয়া। আমি দেখিবলৈ পাইছো যে যোৱা ২৮ বছৰৰ ভিতৰত ১৮ বছৰেই এই বাগিচা সমূহৰ লচ হৈ আছে। মাত্ৰ ১০ বছৰতহে এই বাগিচা সমূহৰ লাভ হৈছে। ইয়াৰ কেৰোণ বহুত আছিল। মাননীয় সদস্য এজোৱা মুণ্ডা দেৱে কৈছে যে য'ত এজন মেনেজাৰ লাগে তাত বেচিকৈ মেনেজাৰ নিযুক্তি দিয়া হৈছে। ঠিক তেনেকৈ একাউন্টচ্‌ৰ কাম-কাজ বিলাক যেনেকৈ হব লাগিছিল। তেনেকৈ নোহোৱাৰ কাৰণে বাগিচা সমূহৰ অৱস্থা বেয়া হৈছে। মাত্ৰ দুবছৰ আগতেহে লাভ হৈছিল সেইটোও আটাইতকৈ ভাল সুবিধা থকা অৱস্থাতহে হৈছিল। যেতিয়া অন্য বাগিচা বিলাকৰ লাভ হৈছিল। এতিয়া যিটো অৱস্থা হৈছে বেচিভাগ বাগিচাৰেই অৱস্থা বেয়া। বাকী টি মাৰ্কেট বিলাকৰো অৱস্থা বেয়া। তাৰ ভিতৰত আমাৰ নিগমৰ বাগিচা সমূহৰ অৱস্থা বেচি বেয়া। আমি পোন প্ৰথম বাৰৰ বাবে ৮ কোটি ৪০ লাখ টকা অসম চাহ নিগমক দিছো। নিগম চলাই নিবৰ কাৰণে যি ওৱৰ্কিং কেপিটেলৰ দৰ্কাৰ তাৰ বাবে বেঙ্কৰ লগত যোগাযোগ কৰা হৈছে। কিন্তু বেঙ্কে টকা দিব খোজা নাই। কোনেও টকা দিব নোখোজে। মই

* Speech not corrected

নিজে হিন্দুস্থান লিভাৰ, উইলিয়ামচন মেগৰ, টাটা টি আৰু অসম টি কোম্পানীক অসম পাচ নেলী ৰেকুৰেষ্ট কৰিছো। ৪ টা কোম্পানীয়ে অসম চাহ নিগমৰ বাগিচা লম বুলি কৈছিল। কিন্তু এতিয়া তেওঁলোক পিচ হুহুকি গৈছে। ব্যক্তিগতকৰণ কৰাৰ কাৰণে প্ৰস্তাৱ আহিছে। যিমান সোনকালে পৰা যায় সিমান সোনকালে আমি এইটো ৰিচইনভেষ্টক।ট কৰাৰ কাৰণে চেষ্টা কৰিম। এই সম্পৰ্কত আমি কমিটি কৰি দিছো। এই সম্পৰ্কত মুখ্য সচিবে আলোচনা কৰি আছে। ইয়াত ওৱৰ্কাৰ, কৰ্মচাৰীৰ দৰ্মহাৰ কথাও আছে। ওৱৰ্কাৰৰ ৬ সপ্তাহৰ আৰু কৰ্মচাৰীৰ ১৫ মাহৰ দৰ্মহা দিবলৈ আছে। ওৱৰ্কিং কেপিটেলৰ কাৰণে চেষ্টা চলাই আছো। প্ৰাইভেট কোম্পানীক একে দিনাই দিব পৰা নাযায়। প্ৰচিডিওৰ ক'ল কৰিব লগা আছে। কৰ্মচাৰীক যিমান পাৰো সোনকালে দৰ্মহা দিয়াৰ কাৰণে চেষ্টা কৰিছো।

# NOtice of Adjournment Motion

**Mr. Speaker** : I have received the notices of adjournment Motion under Rule 56, 57 and Rules of procedure and Conduct of Business in Assam Legislative Assembly given by the Hon'ble Members :

1. Shri Brindaban Goswami
2. Shri Hitendra Nath Goswami
3. Shri Dilip Kumar Saikia
4. Shri Ali Akbar Miah
5. Shri Jagadish Bhuyan

and

6. Shri Sarbananda Sonowal and the second notice given by the Hon'ble Members :

1. Shri Bimalangshu Roy
2. Shri Ranjit Dutta
3. Shri Dinesh Chandra Sarkar

4. Shri Sushil Dutta

5. Shri Rameswar Teli

and

6. Shri Parimal Sukla Baidya

As per the provision of Rule 57 (i) not more than one such motion shall be made at the same sitting,

So, I take up the notice of Adjournment Motion given by the Hon'ble Members, Shri Brindaban Goswami and 5 others.

Now, I call upon the Hon'ble Member, Shri Brindaban Goswami to speak very briefly only on its admissibility.

★ Shri Brindaban Goswami : This is undemocratic, unprinciples and discriminatory in the State PWD Department in the matter of submission of schemes of Rs. 240. 82 crores under Non-Lapsable Central Pool where schemes of roads are not taken up from the constituencies represented by Members of various opposition parties. We have other grievances as well but since it must relate to a single specific matter, the matter must have factual basis. The PWD circulated a letter regarding Non-Lapsable Contral Pool resource to all Executive Engineers with instruction to submit detailed report as per the enclosure of that letter for submitting the same the Planning & Development Department for onwards submission to the Planning Commission, New Delhi. During the time of Shri Devogowda, the Shukla Commission was set up for this purpose.

* Speech not corrected

★ **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী :** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সদনত ৰাখি চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। সভা স্থগিত প্ৰস্তাৱ বিষয়টো দেফিনিত। পথ উন্নয়ন আঁচনিৰ জৰিয়তে বিৰোধী বিধায়কে প্ৰতিনিধিত্ব কৰা সমষ্টিক বাদ দিয়া হৈছে। এই গোটেই বিষয়টো অগণতান্ত্ৰিক আৰু এক পক্ষীয় ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি অভিহিত কৰিব বিচাৰিছো। যি সময়ত স্বচ্ছ নিকা প্ৰশাসনৰ জৰিয়তে উন্নয়নৰ কথা কৈছে গড়কাপ্তানি বিভাগে স্কীন চাবমিট কৰিব লাগিব। দেখা পাইছো ৫০টা বিধায়কৰ সমষ্টিক সম্পূৰ্ণৰূপে বাদ দিয়া হৈছে। ৰাস্তা পথ দিয়াৰ কাৰণে ইন্টস্ট্ৰাকচন কাৰ্যকৰী অভিযন্তালৈ পঠোৱা নাই। বিৰোধী পক্ষৰ সমষ্টিত এইটো হব নালাগে। এই বিষয়টো ইয়াত উত্থাপন কৰিব বিচাৰিছো। চেণ্টেল লেবচেবুল ফাণ্ডৰ কথা। এইটো স্পেচিফিক মেটাৰ প্লেনিঙে দিল্লীলৈ পঠাব। কি একচন হয় কব নোৱাৰো। মুখ্যমন্ত্ৰীৰ সমষ্টিত দুটা ৰাষ্টাত ২ কোটি টকা দিছে, গড়কাপ্তানি মন্ত্ৰীৰ ৪ টা ৰাষ্টাত ৫ কোটি টকা ধৰিছে। স্বাস্থ্য মন্ত্ৰীৰ তাত ২টা ৰাস্তা ধৰিছে। বাকী সমষ্টিত এটা ৰাস্তা লৈছে। কিছুমান সমষ্টিত কোনো স্কীমেই নাই। সভা স্থগিত প্ৰস্তাৱৰ জৰিয়তে এই বিষয়টো উত্থাপন কৰিব বিচাৰিছো। এই বিষয়টো যোৱাবাৰ বাজেট অধিৱেশনৰ পিচত কোনো স্কোপ নাছিল। কেন্দ্ৰীয় চৰকাৰে যিমান টকা দিব লাগে সিমান দিয়া নাই। সেই কাৰণে শুক্লা কমিচন গঠন কৰিছিল। এন, ই, চিৰ উন্নয়নৰ কাৰণে দহ শতাংশ চেণ্টেল পুঁজিত দিব লাগিব। নন লেপচেবল পুলৰ পৰা ৫-১০ হাজাৰ টকা অনাৰ স্থল আছে। যেনেকৈ স্কীম দিছে ৰাস্তা নকৰাৰ লাগে। টুৰিজিমৰ সুবিধা আৰু এগ্ৰিকালচাৰেল প্ৰডিউচ আনিবৰ কাৰণে চেষ্টা কৰিব লাগে। এই বিষয়ক পাবলিক ইন্টাৰেষ্ট জৰিত হৈ আছে। গাইড লাইন কাৰ্যবাহী অভিযন্তাক দিব লাগিছিল। এইটো জৰুৰী বিষয়। এই সভা স্থগিত প্ৰস্তাৱৰ জৰিয়তে চৰকাৰৰ এটিচিউদ ক্লিয়েৰ কৰিব লাগে।

---

* Speech not corrected.

★ শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ক্ৰিটিচাইজ কৰিলে যেতিয়া আমাক উত্তৰ দিবলৈ সময় দিব লাগে। গোটেই বস্তুটো ভুল। এইটো সিদিনা ৰিকমেণ্ড কৰা হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এইখিনি কাগজ আমাৰ হাতত আছে। মোবাইল ফোনৰ নং ২১২২৩৩।

মাননীয় অধ্যক্ষ : মই কিবা এটা কব বিচাৰিছো। এই সভা স্থগিত প্ৰস্তাৱটো এদমিট হয়নে নহয় সেইটো চোৱাৰ বাবে আপোনালোকে মোৰ ওপৰত এৰি দিয়ক।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সভাস্থগিত প্ৰস্তাৱ আনিলে এটা বিষয়ৰ ওপৰত আলোচনা কৰিব লাগে। সভাস্থগিত প্ৰস্তাৱৰ কাৰণে তিনিটা স্বত পালন কৰিব লাগে। বিষয়টো নিৰ্দিষ্ট আৰু স্পষ্ট হব লাগে। আজি মাননীয় সদস্যই যিটো সভাস্থগিত প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো নিৰ্দিষ্ট আৰু স্পষ্ট নহয়। আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে আজি যি সভাস্থগিত প্ৰস্তাৱ আনিছে সেইটো নিৰ্দিষ্ট নহয় আৰু স্পষ্টও নহয়। বিষয়টো যিমান জৰুৰী হব লাগে সিমান জৰুৰী হোৱা নাই। জৰুৰী বুলি কলে হঠাতে উদ্ভৱ হোৱা বিষয় হব লাগিব। আপোনালোকে যিটো নন লেপচেবুল পুলৰ কথা কৈছে. যিটো পইচাৰ কথা কৈছে সেইটো ৰিচেণ্ট অকাৰেন্স নহয়। এইটো এটা নতুন কথা নহয়। এইটো হঠাতে হোৱা ঘটনা নহয়। ১/২ বছৰ ধৰি চলি অহা ঘটনা। বিষয়টো ৰাজহুৱা ভাবে গুৰুত্বপূৰ্ণ হব লাগিব। মাননীয় গোস্বামী ডাঙৰীয়াই ঠিকেই কৈছে যে ৰাজহুৱা গুৰুত্বপূৰ্ণ কিছু পৰিমাণে হয়। আৰু সভাস্থগিত প্ৰস্তাৱ হিচাবে আলোচনা কৰিব লাগে। Practice and Procedure of Parliament ( Page 452 ).

ইয়াত লিখা আছে – " An adjournment motion must raise a matter of sufficient importance to

* Speech not corrected

warrant interruption of normal business of the House ?

এইটো এনেকুৱা ৰাজহুৱা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ নহয় যাৰ বাবে সকলো কাৰ্য্যসূচী বাতিল কৰি আলোচনা কৰিব লাগে।

(Page-447) says "Adjournment Motions are not normally allowed during the budget discussions or during the discussions on the motion of thanks to President's address ".

"An adjournment is not admissible unless there was failure on the part of the Government to perform the duties enjoyed by the constitution and the law". অধ্যক্ষ মহোদয়, যিটো আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই আৰ্গুমেণ্ট বুলি কৈছে "A matter to be urgent must have arised suddenly in the nature of emergency A matter which has been continuing for same time cannot be raised through an adjournment motion. A matter even of very recent occurence is not 'urgent' if an opportunity for its discussion will arise in the ordinary course of business within a reasonably short time". "Similarly, a matter which can be raised under any other procedural device viz. call attention notice, question, short notice question, half-an-hour discussions, short duration discussion etc. cannot be raised through an adjournment motion".

যিটো আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়েও কৈছে যে, যিটো বিষয়ত সভাস্থগিত প্ৰস্তাৱ আনিব বিচাৰিছে সেইটো ভুল হৈছে। এইটো এটা ভুল তথ্যৰ এমাউণ্ট। কেন্দ্ৰীয় চৰকাৰে

৩১৭·৩৬ কোটি টকা বিলিজ কৰিছে তাৰে ভি, আই, পি বাহিৰ বাবে ১৮৪ কোটি টকা গুৱাহাটীৰ বাবে ১০০ কোটি টকা আৰু সমষ্টি বা অসমৰ বাবে ৮৭ কোটি টকা দিছে। এই টকা পি, দব্লিউৰ দি ই দিভিজন হিচাবে দিবলৈ লোৱা হৈছে। বৰ্ষৰ আমাৰ পি. দব্লিউ, দি মন্ত্ৰী মহোদয়ে তুদিনমানৰ আগতে দিভিজন ৱাইজ দিলে সকলো বিধায়কে নাপাব বুলি ভাবি প্ৰতি সমষ্টিতে ৩৬ লাখ কৰি টকা দিবলৈ লোৱা হৈছে। ইয়াৰে একোখন চিঠি প্ৰত্যেক বিধায়কে দিয়া হৈছে। ইয়াৰ পিচত সভা স্থগিত প্ৰস্তাবটো আহিব নালাগে। Adjournment motion which has been raised by the opposition leaders is not in order.

**Mr. Speaker :** I have heard the submission of Hon'ble Members on the admissibility of adjournment motion. I also heard the Hon'ble Minister Parliamentary Affairs. I reserve my ruling.

★ **শ্ৰীবিমলাংশু ৰয় :** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা ইম্পৰটেন্ট বিষয়ৰ ওপৰত সভাস্থগিত প্ৰস্তাৱ অনা হৈছে। যোৱা ২৭ আৰু ৩১ ডিচেম্বৰ তাৰিখত পঞ্চায়ত নিৰ্বাচন পত্ৰা হৈছিল কিন্তু আজিলৈকে পঞ্চায়তক কোনো ক্ষমতা দিয়া হোৱা নাই। এই বিষয়টোও উত্থাপন কৰিবলৈ আমাক অনুমতি দিব লাগে।

# Report of the Business Advesory Committee

**Honble Speaker :** Report of the Business Advisory Committee 5-3-2002. Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative, Assembly I called a meeting of the Business

* Speech not corrected

Advisory Committee in the Conference Room of my office chamber on Ist March, 2002 to discuss about the rational allocation of time to different Legislature Parties/Grops and Independent Members for the Debate on the Motion of Thanks on the Governor's Address.

The total time that will be made available for discussion for Debate on the Motion of Thanks on the Governor's Address will be approximately 8½ hrs i. e 510 minutes and each individual member will get approximately 4 minutes. Time allocation for each Legislature Parties/Gorps and Independent Members is as follows :

| | | | |
|---|---|---|---|
| 1) | Indian National Congress | : | 290 minutes (including the reply of the Chief Minister). |
| 2) | Asom Gana Parishad | : | 80 minutes |
| 3) | B.J.P. | : | 32 minutes |
| 4) | N.C.P. | : | 12 minutes |
| 5) | A.S.D.C. (U) | : | 8 minutes |
| 6) | All India Trinamool Congress. | : | 4 minutes |
| 7) | Samata Party | : | 4 minutes |
| 8) | Samajwadi Party | : | 4 minutes |
| 9) | Bodoland Legislature Group | : | 40 minutes |
| 10) | Independents | : | 36 minutes |

I hope this has the approval of the House.

## Call Attention Notices

Now, Item No. 3. Shri Dilip Kumar Saikia to call the attention of the Minister, Education under rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Asom dated 21.2.2002 under the caption,

" প্ৰধান শিক্ষকৰ দৰমহা নিৰিখ — শিক্ষা বিভাগৰ পৰা ফাইলেই হেৰাল।"

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০২ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত 'প্ৰধান শিক্ষকৰ দৰমহাৰ নিৰিখ— শিক্ষা বিভাগৰ পৰা ফাইলেই হেৰাল'। শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিলো। অধ্যক্ষ মহোদয়, আমাৰ শিক্ষা বিভাগটো একেবাৰে গৈছে। এইটো আজিয়েই নহয়। ১৯৮৩ চনৰ পৰাই গেলিবলৈ লৈছে আৰু ই মূৰৰ ফালৰ পৰা গেলিছে। এই বিভাগটোৰ ক্ষেত্ৰত মই কোনো দল বা চৰকাৰৰ কথা কবলৈ যোৱা নাই। বিভিন্ন সময়ত, বিভিন্ন দল নিৰ্বিশেষে এই বিভাগটোক যিটো পৰ্যায়লৈ লৈ গৈছে তাৰ কথাহে কব খুজিছো। এই বিভাগটোৰ এজন অতি দায়িত্বশীল কেবিনেট মন্ত্ৰীৰ অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনৰ সভাপতি আৰু সম্পাদকৰ ১৯৯০ চনৰ ১০ মে তাৰিখে এখন বৈঠক অনুষ্ঠিত হৈছিল আৰু সেই বৈঠকত প্ৰাথমিক শিক্ষক সকলৰ বিভিন্ন দাবী সমূহ আলোচনা মৰ্মে এখন চুক্তিও কৰা হৈছিল। সেই চুক্তিত প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষক সকলৰ দৰমহাৰ নিৰিখ অন্য শিক্ষক সকলৰ পৰা পৃথক কৰা হব বুলি কোৱা হৈছিল। কিন্তু সেই চুক্তি চুক্তি হৈয়ে থাকিল। তাৰ পিচত ২০০১ চনৰ ২৭ মে তাৰিখৰ বৰ্তমানৰ গড়-

---

* Speech not corrected

কাপ্তানি বিভাগৰ মন্ত্ৰী শ্ৰীশৰৎ বৰকটকী ডাঙৰীয়াৰ লগত এই শিক্ষক সন্থাৰ আন এখন সভা অনুস্থিত হয় আৰু এই সভাত যিমান খিনি সিদ্ধান্ত লোৱা হৈছিল সেই সিদ্ধান্ত সমূহ কাৰ্য্যকৰী কৰিবৰ কাৰণে এটা ফাইল প্ৰস্তুত কৰি শিক্ষা বিভাগৰ আয়ুক্ত/ সচিবলৈ পঠোৱা হৈছিল। তাৰ পিচত যোৱা ২৪ জানুৱাৰী তাৰিখৰ শিক্ষা বিভাগৰ সচিব আৰু সঞ্চালকৰ লগত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনৰ সভাপতি আৰু সম্পাদকৰ আন এখন বৈঠক অনুস্থিত হয় আৰু এই বৈঠকত শিক্ষক সকলৰ সেই ফাইলটো হেৰোৱা বুলি কয়। এইটো বৰ আচৰিত কথা। এই বিভাগটোত এজন প্ৰধান সচিবকৈ ধৰি এজন সচিব, কেইবাজনো যুটীয়া সচিব, সঞ্চালক, যুটীয়া সঞ্চালক থকা এটা বিভাগৰ পৰা এই ফাইলটোত প্ৰাথমিক স্কুলৰ শিক্ষক সন্থাৰ বিভিন্ন দাবী সম্বলিত বিষয় সমূহৰ লগতে বিভিন্ন সময়ত চৰকাৰৰ লগত হোৱা আলোচনা আৰু সিদ্ধান্ত সমূহ সন্নিবিষ্ট হৈ আছিল। ইয়াৰোপৰি এই শিক্ষক সকলৰ বিভিন্ন দাবী সমূহ যোৱা নবেম্বৰ মাহত মাননীয় মুখ্য মন্ত্ৰীৰ লগতো আলোচনা হৈছিল আৰু তেখেতৰ লগত হোৱা আলোচনা মৰ্মে বিভাগক নিৰ্দেশ দিয়া হৈছিল যে শিক্ষক সকলৰ দৰমহাৰ বকেয়া ধন আদায় দিয়াৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু আচৰিত কথা হ'ল — মূল ফাইটোৱেই হেৰাই থাকিল। গতিকে আমি জানিব খুজিছো ইয়াৰ বাবে জগৰীয়া কোন? আমি কাক দোষীম? মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে এই বিষয়টো তৎকালে অনুসন্ধান কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে? এই বিষয়টো গুৰুত্ব সহকাৰে লব লাগে আৰু এই সংক্ৰান্তীয় নথি পত্ৰ কেনেকৈ হেৰাল সেই বিষয়ে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি যি বিষয়া বা কৰ্মচাৰী ইয়াত জড়িত থকা বুলি প্ৰমানিত হয় তেওঁলোকৰ ওপৰত বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ শিক্ষা বিভাগটো এনে এটা পৰ্য্যায়লৈ গৈছে কোনেও কাৰো কথা মুশুনা হৈছে। মন্ত্ৰীৰ কথা প্ৰধান সচিব/

সচিব সকলে শুশুনে। কোনে কাৰ জৰিয়তে কাম কৰি নিয়ে উপস্থিতাৰ নাই। কেতিয়াবা সচিবৰ জৰিয়তে আৰু কেতিয়াবা উপ-সচিবৰ জৰিয়তেও বহুতে কাম কৰাৰ নিয়ম। মন্ত্ৰীৰ কথাও বিভাগীয় বিষয়াই মানি নচলে। ক'ৰবাত এনে নিয়ম আছে নেকি যে মন্ত্ৰীৰ অৰ্ডাৰ কোনোবাই অভাৰ ৰাইট কৰিব পাৰে? প্ৰয়োজন হলে বিষয়াৰ নিৰ্দেশ নিয়মৰ মাজেৰে মন্ত্ৰীয়ে অভাৰ ৰাইট কৰিব পাৰে। গতিকে মই আপোনাৰ জৰিয়তে এই শিক্ষক সকলৰ বিভিন্ন দাবী সমূহ বিচাৰ-বিবেচনাৰ মাজেৰে সমাধান কৰিব বুলি মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

★ শ্ৰীহেম প্ৰকাশ নাৰায়ণ ( মন্ত্ৰী ) ঃ — মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ বিভিন্ন দাবী সম্বলিত যিটো ফাইলৰ কথা উল্লেখ কৰিছে সেইটো প্ৰকৃততে হেৰোৱা নাই। এই ক্ষেত্ৰত বিভিন্ন স্তৰত ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। এইখিনিতে মই সদনক এটা কথা জনাব খোজো যে আমি যোৱা ১৮ মেত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা অসমৰ কোনো এখন প্ৰাইমাৰী বা হাইস্কুলত এজনো শিক্ষক নিযুক্তি দিয়া নাই আৰু ক'ৰো পৰা এজনো শিক্ষককো বদলি কৰা নাই।

মাননীয় সদস্য সকলে সত্য উপলব্ধি কৰাৰ দৰে গোটেই শিক্ষা ব্যৱস্থাটোক এটা স্থিৰ অৱস্থালৈ আনিবৰ কাৰণে আমি চেষ্টা কৰিছোঁ আৰু যিখিনি কথা মাননীয় সদস্য জনে কৈছে সেইখিনি কথা শুদ্ধ নহয়। ১৯৯৯ চনতে সদৌ অসম প্ৰাইমাৰী শিক্ষাৰ কাৰণে কি আলোচনা কৰিছিল নাজানো আৰু ২০০১ চনত কি আলোচনা কৰিছিল সেয়াও নাজানো। কিন্তু কোনো সিদ্ধান্তলৈ যে অহা নাই সেই কথা ঠিক। যদি মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰে কিন্তু কোনো কমিটমেণ্ট দিয়া নাই। খালী কেনেকৈ জোৰা মাৰিব পাৰি তাৰহে চেষ্টা হৈছে। শিক্ষা বিভাগটো ভৱিষ্যত

* Speech not corrected

প্ৰজন্মৰ বাবে যিখিনি স্বাৰ্থ তালৈ লক্ষ্য ৰাখি চেষ্টা কৰা হৈছে। আপোনালোক সকলোকে সহযোগ কৰিবলৈ অনুৰোধ জনাইছো।

শেষত ফাইল হেৰোৱাৰ ক্ষেত্ৰত কওঁ যে এই বিভাগৰ কোনো ফাইল হেৰোৱা কথাটো সঁচা নহয়।

## Matter Under Rule 301

Mr. Speaker : Now, Item No. 4. Hon'ble Member, Shri Rameswar Teli.

★ শ্ৰীৰামেশ্বৰ তেলি ঃ মাননীয় অধ্যক্ষ মহোদয়, শূন্য কালত উত্থাপন কৰা প্ৰশ্নৰ উদ্যোগ মন্ত্ৰীয়ে দিয়া উত্তৰত মই সন্তুষ্ট নহয়। সেই কাৰণে মই উদ্যোগমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আসাম টি কৰপৰেশ্যনৰ যি অৱস্থা সেই অৱস্থা মই নিজে গৈ দেখিছো। সেই কথা উদ্যোগ মন্ত্ৰী মহোদয়েও নিশ্চয় জানে। মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক জনাব বিচাৰিছো যে চাহ বাগান সমূহ বিক্ৰী কৰিব বুলি শুনিছো। কিমান দিনৰ ভিতৰত বিক্ৰী কৰা হব আৰু চাহ শ্ৰমিক সকলক কিমান দিনৰ দৰমহা দিয়া হোৱা নাই?

শ্ৰীতৰুণ গগৈ ( মুখ্যমন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ২৮ বছৰৰ ভিতৰত ১৮ বছৰেই টি কৰপৰেশনৰ লচ্ছ হৈছে আৰু এই লচ্ছ হৈছে ৯১ কোটি টকা। এনে অৱস্থাত আমি দিচ ইনভেষ্ট কৰিবলৈ বিচাৰিছিলো। কোনোবাই যদি মেনেজ কৰে বা নিজে লয় লওক, আমি আউট চাইনাৰক্ট ( ? ) কৰিবলৈ বিচাৰিছিলো। যাতে কৰ্মচাৰীসকলৰ লাভ হয়। কিন্তু আজিলৈ কোনো কোম্পেনী আগবাঢ়ি অহা নাই। সেই বুলি একেবাৰে নহাকৈয়ো থকা নাছিল, চাৰিটামান কোম্পেনী আগবাঢ়ি আহিছিল কিন্তু পিচত তেওঁলোক আগ নাবাঢ়িল। ইয়াৰ পিচত এখন ফুথমকৈ আমি লব পাৰোনেকি চিন্তা কৰিছো। এইটো আগৰ আসাম টি

* Speech not corrected

কৰ্পৰেশ্যন বুলি কোৱা নাই, অসমৰ গোটেই চাহ বাগিচাৰ অৱস্থা বেয়া। এই কথা আপোনালোকে জানিব পাৰিছেই। আমাৰ চাহৰ মূল্য কমি গৈছে। ইন্দোনেচিয়া, চাইনা আদিয়ে যি দাম কৰিছে আমি তাৰ লগত ফেৰ মাৰিব নোৱাৰা হৈছো। আমাৰ গোটেই চাহ বাগিছাবিলাকৰ অৱস্থা অতি চিৰিয়াচ। এনে অৱস্থাত আমি কেনেকৈ কি কৰিব পাৰো সেই বিষয়ে চিন্তা কৰি আছো। বেংকৰ লগতো কথা পাতিছো। ইউনাইটেড বেংকক কৈছো সময়মতে যদি টকা দিব নোৱাৰে, তেন্তে আমি লেবাৰক টকা দিব নোৱাৰো আৰু সময়মতে নিদিলে টকাৰ মূল্য কমি যাব। কোনো চৰকাৰে আমাৰ সমান ইন্টাৰেষ্ট লোৱা নাছিল, আমি লৈছো সকলোৰে মঙ্গলৰ কাৰণে।

## RESENTATION OF THE LIST OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION

**Mr. Speaker :** Now item No. 5. Shri Devananda Konwar, Minister, Finance will present the list of Supplementary Demands for Grants and supplementary Appropriations for 2001-2002.

**Shri Devanand Konwar : (Minister, Finance) :** Sir, I beg to present the List of Supplementary Demands for Grants and Supplementary Appropriations for 2001-2002.

## Laying of Statement

**Mr. Speaker :** Item No. 6. Dr. Bhumidhar Barman, Minister Panchayat and Rural Development etc, will lay the

Statement under Rule 69 (1) of the Rules of Procedure and conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by ordinance.

**Dr. Bhumidhar Barman** (Minister, P & RD) : Sir, I beg leave to lay the Statement under Rule 69 (1) of the Rules of procedure and Conduct of Business in Assam Legislative Assembly explaining the circustances which had necessitated immediate Legislation by ordinance.

## Introduction of Government Bill

**Mr. Speaker** : Dr. Bhumidhar Barman, Minister, Panchayat and Rural Development to beg leave to introduce "The Assam Panchayat ( Amendment ) Bill, 2002".

**Dr, Bhumidhar Barman** ( Minister, P & RD ) : Sir, I beg leave to introduce. "The Assam Panchayat ( Amendment ) Bill, 2002".

**Dr. Speaker** : Is it the pleasure of the House to grant leave introduce the bill ?

( Voice : yes, yes )

The leave is granted. Hon'ble Minister P & RD will introduce the Assam Panchayat ( Amendment ) Bill.

**Dr. Bhumidhar Barman** ( Minister P & RD ) : Sir I beg leave to introduce "The Assam Panchayat ( Amendment ) Bill, 2002."

**Secretary, Assam Legislative Assembly** : The Assam Panchayat ( Amendment ) Bill, 2002.

Mr. Speaker : Now, item No. 8. Hon'ble Minister, Finance Shri Devananda Konwar to beg leave to introduce "The Assam Contingency Fund ( Augmentation of Corpus ) Bill, 2002".

Shri Devananda Konwar ( Minister, Finance ) : Sir, I beg to introduce "The Assam Contingency Fund ( Augmentation of Corpus ) Bill, 2002.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the bill ?

( Voice : yes, yes )

Leave is granted.

There is a message from the Governor of Assam :

Raj Bhavan, Guwahati
dt. 01. 03. 2002

ORDER

Under the provision of Article 207 (2) of the Constitution of India, I, Ltd. General ( Retd. ) S. K. Sinha, PVSM, Governor of Assam, recomend the introduction of the Assam Contingency Fund ( Augmentation of Corpus ) Bill, 2002 in the Assam Legislative Assembly".

Now, Minister, Finance to introduce the Bill.

Shri Devananda Kowar ( Minister, Finance ) : Sir, I beg to

introduce the Assam Contingency Fund ( Augmentation of Corpus Bill, 2002.

Secretary, Assam Legislative Assembly : The Assam Contingency Fund ( Augmentation of Corpus ) Bill, 2002.

## Laying or Reports

Mr. Speaker : Item No. 9. Shri Bharat Chandra Narah, Minister for Parliamentary Affairs, to lay the Report of the Comptroller and Auditor General of India for the year ended 31st March, 2001 ( Commercial ) relating to the Government of Assam.

Shri Bharat Chandra Narah ( Minister, Parliamentary Affairs ) : Sir, I beg to lay the Report of the Comptroller and Auditor General of India for the year ended 31st March, 2001 ( commercial ) relating to the Government of Assam.

## Debate on the Motion of Thanks on the Gevernor's Address

Mr. Speaker : Item No. 10, Debate on the Motion of Thanks' on Governor's Address. I have recived 5 notices on the Motion of Thanks on the Governor's Address move by Hon'ble Member Shri Wazed Ali Choudhury. First Shri Prabindra Deka for amendment on the Motion of Thanks on the Governor's Address. The second notice for amendment on the

Motion of Thanks on the Governor's Address stand in the name of

Shri Brindaban Goswami
Shri Girindra Kumar Barua
Shri Kulbul Das
Shri Utpal Dutta
Shri Phani Bhusan Choudhury
Shri Sarbananda Sonowal
Dr. Zoiinath Sarma
Shri Gunin Hazarika
Shri Dilip Kumar Saikia
Shri Ali Akbar Mian and
Shri Hitendranath Goswami and the third

notice of amendment to the Motion of Thanks stands in the name of Shri Bimalangshu Roy, the fourth notice of amendment to the Motion of Thanks stands in the name of

Smti. Pramila Rani Brahma
Shri Nathu Boro
Shri Biswajit Daimary
Shri Hemendra Nath Brahma
Shri Matindra Basumatary
Shri Rehon Daimari
Shri Tijen Basumatary
Shri Karendra Basumatary
Smti. Kamali Basumatary and
Shri Romio Brahma and the 5th notice of

amendment to the Motion of Thanks stands in the name of Shri Premadhar Bora. I now call the

movers to move their amendments one by one. Motion of thanks on the Governor's Address may be moved. I now request Hon'ble member Shri Prabindra Deka to move his amendment.

**Shri Prabindra Deka :** Sir, at the end of the Motion of Thanks moved by Hon'ble member Shri Wazed Ali Choudhury the following be added :-

(a) My Government will take necessary steps to seal Indo-Bangla border at the earliest.

(b) My Government will take steps to establish at least 100 Health Centres and 100 primary Health Centres (PHC) in the State During the next financial year.

(c) My Government will take steps to provincialise at least 200 L. P. Schools, 200 M. E. School and 100 High Schools during the next Financial year.

(d) The Revenue Department will take steps to introduce a Bill in this Session to ban purchase of Land in Assam by others except the indigenous people of Assam.

**ডঃ জয়নাথ শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :—ৰাজ্যপাল মহোদয়ৰ ভাষণত ৰাজ্যখনৰ প্ৰকৃত প্ৰতিচ্ছবি ডাঙি ধৰা নহল আৰু বৰ্ত্তমানৰ চৰকাৰৰ সৰ্বত্ৰ ক্ষেত্ৰত হোৱা বিফলতা ব্যৰ্থতা কৌশলগত ভাৱে ঢাকি ৰখা বাবে সভাই ক্ষোভ প্ৰকাশ কৰে ।

**Mr. Speaker :** Shri Bimalangshu Roy.

**Shri Bimalangshu Roy :** Sir, at the end of the Motion

of Thanks move by Hon'ble member, Shri Wazed Ali Choudhury, the following be added—

"Governor's address failed to reflect the hopes and aspirations of the people, more particularly panchayats. emplo ees and youths."

**Mr. Speaker :** Smti. Pramila Rani Brahma.

**Smti Pramila Rani Brahma :** Sir, at the and of the Motion of Thanks moved by Hon'ble Member Shri Wazed Ali Choudhury, the following be added :

"At page 9 under Sl. 44 in the third of the word "modified" to be replaced with words "The provision of."

**Hon'ble Speaker :** Now, Sri Premadhar Bora to move his amendment.

**Sri Premadhar Bora :** At the end af the Motion of Thanks moved by the Hon'ble Member, Sri Wazed Ali Choudhury the followig may be added.

"Stringent and drastic steps to eradicate the rampant corruption in all levels of the administration of the Government of Assam should be initiated to root out corruption."

**Hon'ble Speaker :** Now, I call upon the Hon'ble Member Sri Wazed Ali Choudhury to initiate the pro cedings of the House on the motion.

**শ্ৰীওৱাজেদ আলি চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱক হিচাবে মই চমুকৈ ভুষাৰ কৰ বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰে যেতিয়া আমাৰ ৰাজ্যখনৰ ক্ষমতাত বহিছে সেই সময়ত ৰাজ্যখনৰ বিত্তীয়

ব্যৱস্থা একেবাৰে নাটনি, ১০ হাজাৰ কোটি টকাৰ ধাৰৰ বোজা লৈ এই চৰকাৰ ক্ষমতাত অধিস্থিত হৈছে। বিগত চৰকাৰে যিটো ধাৰৰ বোজা সেইটো আমাৰ চৰকাৰৰ ওপৰত অৰ্পণ কৰিলে কিন্তু তথাপিতো বৰ্ত্তমান চৰকাৰে বহু আহকালৰ মাজতো ৰাজ্যখনত কৰ্মচাৰী সকলক যোৱা ১০ মাহে নিয়মিত ভাবে দৰমহা আদায় দি আছে। অধ্যক্ষ মহোদয়, যোৱা ১০ মাহৰ ভিতৰত ৰাজ্যখনত আইন-শৃংখলাৰ যিটো ভয়ানক অৱনতি ঘটিছিল সেইটো পুনৰ সুস্থিৰ অৱস্থালৈ ঘূৰাই আনিব পাৰিছে। এটা সময়ত এনেকুৱা আছিল যে পুৱাতে ওলাই গৈ সন্ধিয়া মানুহ ঘৰলৈ ঘূৰি আহিব পাৰিব নে নোৱাৰে তাত সদায় সন্দেহ আছিল। কিন্তু যোৱা ১০ মাহৰ ভিতৰতে বৰ্ত্তমান চৰকাৰৰ তৎপৰতাত ৰাজ্যখনৰ আইন শৃংখলা ইমান উন্নত হল যে অসমৰ বাহিৰে এতিয়া যুক্ত ভাবে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিব পৰা হৈছে। অসমৰ বাইজে আৰু বিধায়ক সকলে এই কথাটো নিশ্চয় অনুধাৱণ কৰিব পৰা হৈছে যে এতিয়া আইন শৃংখলা বহুখিনি উন্নত হৈছে। অধ্যক্ষ মহোদয়, বিগত চৰকাৰে সদনতেই হওক বা ৰাজহুৱা ভাবে বাৰ বাৰ ঘোষণা কৰাৰ পাচতো পঞ্চায়ত নিৰ্বাচন পাতিব নোৱাৰিলে, তেওঁলোকে বিত্তীয় সংকটৰ দোহাই দি ৰাজ্যখনত পঞ্চায়ত নিৰ্ব্বাচন নাপাতিলে, আমাৰ এই সদনতে থকা বিগত বিধান সভাৰ সদস্য সকলে জানে। কিন্তু বৰ্তমান চৰকাৰে ইমান ভয়াবহ বিত্তীয় সংকটৰ মাজতো পঞ্চায়ত নিৰ্ব্বাচন পাতি অসমৰ ৰাইজক বুজাই দিলে। বিগত চৰকাৰে পঞ্চায়ত নিৰ্বাচন নপতাৰ কাৰণে অসমৰ বিভিন্ন অঞ্চলৰ যিবিলাক গাওঁ অঞ্চল আছিল সেই বিলাকৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি ধন পাব লাগিছিল তাৰ পৰা ৰাজ্যখনক বঞ্চিত কৰিলে। অসমৰ অনুন্নত অঞ্চল বিলাকৰ উন্নয়নৰ কাৰণে যি বৃহত পৰিমানৰ টকা ৰাজ্যখনে পাব লাগিছিল। সেই কোটি কোটি টকাৰ পৰা ৰাজ্যখনে বঞ্চিত হল। আনহাতেদি আমাৰ চৰকাৰে যোৱা ৬ মাহৰ ভিতৰতে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিলে ফলত। তাৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমৰ বিভিন্ন অঞ্চলৰ উন্নয়নৰ কাৰণে প্ৰধান

মন্ত্ৰী "চৰক যোজনাকে ধৰি বিভিন্ন আঁচনিত টকা মুকলি কৰি দিছে। আনহাতেদি যোৱা ৫টা বছৰে এজিপি চৰকাৰে ৰাজ্যখনৰ কোনো এখন প্ৰাইমাৰী, হাইস্কুল বা উচ্চতৰ স্কুল প্ৰাদেশিকিকৰণ কৰিব নোৱাৰিলে। কিন্তু এতিয়া বিৰোধী পক্ষৰ সদস্য সকলে বৰ্তমান চৰকাৰক স্কুল প্ৰাদেশিকিকৰণ ইমান বিত্তীয় সংকটৰ মাজতো কৰিবলৈ হেঁচা দি আছে, অথচ বিগত চৰকাৰে ৰাজ্যখনত ভয়াবহ বিত্তীয় উশৃংখল আনিলে। বিত্তীয় ব্যৱস্থাক উছন্নালি কৰি ৰাজ্যখনক বিপদত পেলালে। যোৱা ৫টা বছৰে ৰাজ্যখনৰ নিচলা দুখীয়া লোক সকলৰ কল্যাণৰ কাৰণে কোনো আঁচনি নললে। অথচ আগৰ চৰকাৰে দুখীয়া লোক সকলক ভাত দিয়াৰ ব্যৱস্থা কৰিছিল, দুটকা মূলৰ চাউল দিছিল আৰু বৃদ্ধ সকলক ভাত্তা দিছিল। কিন্তু বিগত অগপ চৰকাৰে সেইবিলাক বিত্তীয় সংকটৰ দোহাই দি সেই ভাত্তা বন্ধ কৰিলে, আন নালাগে দুটকা মূল্যৰ চাউলত ৭টকা কৰিলে, যদি ৭ টকালৈ বৃদ্ধি কৰিলে, এতেনে ক্ষেত্ৰত চাবচিডাইজড মূল্যত দিয়াৰ কি অৰ্থ থাকিল, বৰ্তমান চৰকাৰে ইতিমধ্যে অন্তৰদয়া অন্নপূৰ্ণা আঁচনিৰ জৰিয়তে দুখীয়া শ্ৰেণীৰ লোকলৈ সাহায্য আগবঢ়াইছে আৰু যিসকল বৃদ্ধ লোক কাম কৰিবলৈ অপাৰগ তেওঁলোকলৈ বিনামূলে ১০ কেজিকৈ চাউল দিয়াৰ ব্যৱস্থা কৰিছে আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক খিনিৰ কাৰণে তিনি টকাৰ মূল্যৰ চাউল দিয়াৰ কাৰণে ব্যৱস্থা কৰিছে। বিধৱা আৰু বৃদ্ধৰ কল্যাণ মূলক আঁচনি লৈছে। আন এটা দৰকাৰী কথা আমি দেখিবলৈ পাইছো। আন নালাগে আমাৰ ধুবুৰীৰ পৰা আগতে দিশপুৰলৈ আহোতে ৭ ঘণ্টা সময় লৈছিল কিন্তু এতিয়া এই চৰকাৰৰ দিনৰ ৰাস্তা-পদূলীৰ উন্নত হোৱাৰ কাৰণে ৫ ঘণ্টা সময়ৰ ভিতৰতে ধুবুৰীৰ পৰা দিশপুৰ পাব পাৰো। বিগত অগপ চৰকাৰৰ ব্যৰ্থতাৰ কাৰণে প্ৰধান মন্ত্ৰী স্বৰক যোজনাৰ কাৰণে যি বৃহত পৰিমানৰ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা দুবছৰৰ আগতে আহিছিল। সেই টকাৰ কোনো সৎব্যৱহাৰ কৰিব নোৱাৰিলে। দুখলগা কথা কেৱল প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ বড়হমপুৰ—

সমষ্টিতে ৪২ লাখ টকা খৰচ কৰি ৰাস্তা বনোৱা হ'ল। বাকী অসমৰ যিমান বিলাক সমষ্টি আছিল কোনোমতে কোনো উন্নয়নমূলক কাম নহ'ল, সেই সেই ঠাইত ক'তো ৰাস্তা-পদূলীৰ উন্নতি নহ'ল। বিৰোধী পক্ষ্য কেবাগৰাকী মাননীয় সদস্য এই বিধান সভাত উপস্থিত আছে। তেখেতসকলে জানে কিন্তু সেই সময়ত কোনেও প্ৰতিবাদ নকৰিলে, এইটো বৰ লাজৰ কথা। বাকী সকলো সমষ্টিৰ উন্নয়নৰ কথা বাদ দি কেৱল বঢ়মপুৰ সমষ্টিতেই মনোনিবেশ কৰা হ'ল? কিন্তু বৰ্ত্তমান চৰকাৰে সামগ্ৰিক ভাবে গোটেই ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত মনোনিবেশ কৰাৰ কাৰণে যত্ন কৰিছে।

আজি চোছিয়েল ওৱেলফিয়াৰ ডিপাৰ্টমেণ্টে ৮৯ প্ৰজেক্ট নতুনকৈ হাতত লবলৈ বিচাৰিছে। ৮৯ প্ৰজেক্টত ২০ হাজাৰ যুৱতীক লোৱাৰ ঘোষণা কৰিছে। চাউলক লৈ আলোচনা হৈছে। আইজুং চাউল দিছে। এই ব্যৱস্থাক লৈ মোৰ কোনো কমপ্লেইন নাই। আই, চি, ডি, এচ যোৱা ৫ বছৰতো আছিল। কিন্তু চাউল দিয়াৰ ব্যৱস্থা কৰিছিল নেকি? মই গৌৰীপুৰ ডেভেলপমেণ্ট ব্লকত কেতিয়াও দেখা নাই। এতিয়া হাজাৰ হাজাৰ চাউলৰ ব্যৱস্থা কৰিছে। যিটো মই আগতে দেখা নাই। ৯ মহীয়া বৰ্ত্তমান চৰকাৰে সকলো ধৰণৰ কাম কাজ হাতত লৈছে। ফিচকেলৰ জৰিয়তে বিত্তীয় ব্যৱস্থা উন্নত কৰাৰ কাৰণে হাতত লৈছে। সভাপতি মহোদয় মোৰ এই চমু বক্তৃতাৰ জৰিয়তে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ প্ৰতি ধন্যবাদ ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker** : Now, I call upon the Hon'ble Member, Shri Brindaban Goswami.

★ **শ্ৰীবৃন্দাবন গোস্বামী** : মাননীয় সভাপতি মহোদয়, আজি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বক্তৃতা ৰখাৰ আগতে মই আপোনা-লোকক জনাও যে ৰাজ্যপাল মহোদয়ৰ ভাষণ মই দেৰ ঘণ্টা সময় মনোযোগ দি শুনিছো আৰু তাৰ পাছতো সেই ভাষণ পঢ়ি চাইছো। এই ভাষণৰ কাৰণে আগ্ৰহেৰে অপেক্ষা কৰিছিলো।

* Speech not corrected

কাৰণ বৰ্ত্তমান যিখন চৰকাৰে ৰাইজৰ বিপুল সমৰ্থন, বিপুল সহাৰি লৈ চৰকাৰ গঠন কৰিছে এই চৰকাৰক ব্যাপক সহাঁৰি জনাইছে সংবাদ মাধ্যমে। বিশেষকৈ মুখ্য মন্ত্ৰীৰ সদইচ্ছা প্ৰকাশ কৰি আহিছে। আমি আশা কৰিছিলো ৰাজ্যপালৰ ভাষণত বৰ্ত্তমান চৰকাৰৰ নতুন আদৰ্শ নতুন কাৰ্য্যসূচী নতুন ৰাজনৈতিক সংস্কৃতি দাঙি ধৰিব। ইয়াৰ কাৰণে ৰাইজে বহুত আশা কৰি আছে। কিন্তু ৰাজ্যপালৰ ভাষণত ৰাইজৰ তেনে আশা জুৰাৰ অকণো ইংগিত দেখা নাপালো। সভাপতি মহোদয়, আমি স্বীকাৰ কৰো যে উত্তৰ পূৰ্বাঞ্চলত এটা ভয়ানক পৰিস্থিতিৰ উদ্ভৱ হৈ আছে। উত্তৰ পূৰ্বাঞ্চলৰ ভৌগলিক পৰিস্থিতিক সাংঘাতিক বৃষ্টিত সমস্যাই অসম খনক সুদীৰ্ঘ দিন ধৰি অস্থিৰ কৰি ৰাখিছে। সেই দিশৰ ফালে চালে দেখা যাব এই পৰিস্থিতিৰ এটা গুৰুত্ব আছে। এই ভয়াবহ পৰিস্থিতি সমূহ আৰু সমস্যা সমূহ চিহ্নিত কৰি তাক সমাধানৰ কাৰণে গগৈ ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে হয়তো কিছু সময় লব। কিন্তু চৰকাৰখন গঠন হোৱাৰ সময়তে কি বিশেষ পৰিস্থিতিত এই চৰকাৰে দায়িত্ব লৈছে সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষি-তত জনসাধাৰণক কেতবোৰ প্ৰতিশ্ৰুতি দিছিল। আৰু সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ গণ পৰিষদ চৰকাৰৰ বিৰুদ্ধে কেইটামান গুৰুত্বপূৰ্ণ অভিযোগ ৰাইজৰ ওচৰত দাঙি ধৰিছিল। আজি আমি ৰাজ্যপাল মহোদয়ৰ ভাষণ আলোচনা কৰাৰ লগে লগে এই বিষয় বিলাকো উত্থাপন কৰিব বিচাৰিছো। আগৰ চৰকাৰৰ কাম কাজৰ মূল্যায়ন কৰি তেতিয়া বিৰোধী পক্ষত থকা কংগ্ৰেছ আই দলে অসম গণপৰিষদ দলৰ বিৰুদ্ধে কিছুমান নিৰ্দ্দিষ্ট অভিযোগ আনি আজি ট্ৰেজাৰী বেঞ্চত বহিবলৈ সক্ষম হৈছো আৰু আমি বিৰোধী পক্ষত বহিছো। নিৰ্ব্বাচনৰ সময়ত অগপ বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছে যি অভিযোগ নামা লৈ সুস্থিৰ চৰকাৰৰ প্ৰতিশ্ৰুতি দিছিল। এতিয়া সেই অভিযোগ বিলাকৰ পৰা মুখ্যমন্ত্ৰী যে আঁতৰি আহিছে। যি সংবাদ মাধ্যমে এসময়ত অগপৰ বিৰুদ্ধে অভিযোগ নামাত আগভাগ লৈছিল সেই সংবাদ মাধ্যমে এতিয়া

বিভিন্ন বাতৰি কাকতত একেবোৰ অভিযোগেই আনিব ধৰিছে। তেওঁলোকে এতিয়া থানা আক্ৰমণ আলফাৰ লগত যোগাযোগ আদি গুৰুত্বপূৰ্ণ অভিযোগ এই চৰকাৰৰ বিৰুদ্ধে আনিছে। এই অভিযোগ বিলাকৰ ভিতৰত বহুতো গুৰুত্বপূৰ্ণ অভিযোগ আছে। এই অভিযোগ বিলাকৰ প্ৰতিফলন ৰাজ্যপালৰ ভাষণত আগতেও আছিল এতিয়াও আছে। তেখেত সকলৰ চৰকাৰৰ ৭ মাহ কাৰ্য্যকালৰ মূল্যায়ন কৰা দৰকাৰ। তেওঁলোকৰ দলৰ চৰকাৰ আৰু ভালেমান দিন চলিব। বাতৰি কাকত সমূহৰ যোগেদি যিবোৰ অভিযোগ উত্থাপিত হৈছিল বৰ্তমান শাসক দলৰ বিৰুদ্ধে একে অভিযোগবোৰ উত্থাপিত হৈছে। গতিকে মাননীয় সদস্য ওৱাজেদ আলি ডাঙৰীয়াই বৰ্তমান চৰকাৰে আইন শৃঙ্খলা ৰক্ষা কৰাত সমৰ্থ হৈছে বুলি সন্তুষ্টি প্ৰকাশ কৰাৰ কোনো যুক্তি নাই। তেখেত সকলৰ চৰকাৰৰ দিনত মাত্ৰ পাচ মাহৰ কাৰ্য্য কালতে হিংসা, হত্যা, বলপূৰ্বক ধন দাবি বৃদ্ধি, উগ্ৰপন্থীৰ আলোচনা স্তব্ধ, মাত্ৰ পাচ মাহতে নিহত ২৩৮ জন, ৫/১১/২০০০ চনৰ অগ্ৰদূতত এই শিৰোনামাৰে প্ৰকাশ কৰিছে। তাত প্ৰথম চাৰে পাচ মাহৰ খতিয়ান এটা দাঙি ধৰিছে। ১৮ মেৰ পৰা ৩১ অক্টোবৰলৈ কংগ্ৰেছৰ দিনত ২৩৮ জন নিৰাপত্তৰক্ষী নিহত হৈছে কিন্তু এজিপিৰ দিনত ২০৫ জন। কংগ্ৰেছৰ দিনত অসামৰিক লোক ১২৯ জন অগপৰ দিনত ৮৬ জন। কংগ্ৰেছৰ দিনত উগ্ৰপন্থী ১০৯ জন আৰু অগপৰ দিনত ২৯ জন। কংগ্ৰেছৰ দিনত অপহৰণ ৩৭ আৰু অগপৰ দিনত ৫৩। এই বিবৰণ খবৰৰ কাগজৰ। ৰাজ্যপাল মহোদয়ৰ ভাষণেই হৈছে চৰকাৰৰ প্ৰশস্তি পত্ৰ। কিন্তু এতনে প্ৰতিবেদন বেই ৰাজ্যপালে কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে যি প্ৰতিবেদনক লৈ (গগৈ চৰকাৰকে দায়ী কৰিলে সিংহাই) বুলি দিছপুৰত চাঞ্চল্যকৰ সৃষ্টি হৈছিল। সেই কথাও কাগজতেই প্ৰকাশ পাইছে।

সেই একেখন কাকতৰ কোনো কৈছে জোনপোহাৰ অঞ্চৰ পৰা বিস্ফোৰণ। ৩০ ফুট দূৰলৈ ছিটিকিল জোৱানৰ দেহ। বোমাত বিধ্বস্ত চি আৰ পি ট্ৰাক। নিহত ১০ জন। আকৌ সেই খন কাগজতে

লিখিছে যে এই চৰকাৰে মানৱ অত্যাচাৰকো চেৰালে। গছত বান্ধি ৰাজোহোৱাকৈ শাস্তি। আৰক্ষীয়ে কোৱাই মাৰিলে নিৰিহ যুবকক, নলবাৰীত উত্তাল প্ৰতিবাদ। হত্যা, গণ প্ৰতিৰোধৰ বাতৰি। গৃহ মন্ত্ৰীৰ সমষ্টিতে দুই/আৰক্ষীৰ নিৰ্বিচাৰ গুলিত যুবক নিহত। মন্ত্ৰীৰ সমষ্টিতে এখন স্কুলত মাৰ্ঘেৰিটাৰ বৰগোলাত ৫ জন ছাত্ৰক গুলিৰে ধাৰাশায়ী কৰিছিল। বকোৰ জাৰগাবাত আলফাৰ বোমা বিস্ফোৰণ উপ-আৰক্ষী অধিক্ষকসহ দুজন নিহত। গোলাঘাটৰ ওচৰত বোমা বিস্ফোৰণ ১৩ জন চি আৰ পি. এফ জোৱান নিহত। ইত্যাদি বাতৰি বিভিন্ন ঠাইৰ পৰা আহিয়েই আছে। এদাসগুৰিৰ পৰা আৰম্ভ কৰি নাজিৰা আদি ঠাইৰ ঘটনা এতিয়া উত্থাপন কৰিব পৰা হৈছে। একে অভিযোগৰ নামতেই অভিযোগ নামা অগপ ৰ পৰা কংগ্ৰেছলৈ সলনি কৰিব পৰা হৈছে। সেই কাৰণে আমাৰ সন্মুখত এনে বিলাক প্ৰশ্ন উত্থাপন হৈছে। যি ৰাজ্যখনৰ আইন শৃংখলাৰ উন্নতিৰ প্ৰতিশ্ৰুতি দিছিল এই দলে সেই প্ৰতিশ্ৰুতিৰ আজি অসমৰ ৰাইজ সন্তুষ্টি হোৱা নাই। আজি মাচৰ তৰফৰ পৰা অভিযোগ উত্থাপন কৰা হৈছে যে গুৱাহাটীৰ মাজ মজীয়াতে গুপ্ত হত্যা চলিছে। মৰাণৰ পলো ক্লাবৰ পৰা আৰম্ভ কৰি বিভিন্ন ঠাইত গুপ্ত পাত্তি, মাৰপিট চলি আছে। গতিকে কংগ্ৰেছ দলৰ চৰকাৰে আইন শৃঙ্খলাৰ উন্নতি হৈছে বুলি ৰাজ্যপালৰ ভাষণৰ যোগেদি সন্তুষ্টি লাভ কৰিবলগীয়া একো নাই। লগতে মই এই কথাও কব খুজিছো আমি বিচাৰিছিলো এই চৰকাৰৰ পৰা এটা নতুন সংস্কৃতি এ, জি, পিয়ে আগতে কি কৰিলে কি নকৰিলে সেইবোৰ দোষাৰোপ কৰি থাকিয়েই ক্ষান্ত থাকিব নালাগে। আগৰ সমালোচনা বিলাক অতিক্ৰম কৰি বৰ্ত্তমান চৰকাৰ ক্ৰমশঃ অগ্ৰসৰ হব লাগে কাৰণ আপোনালোক আগতকৈ ব্যতিক্ৰম হোৱাতো বিচাৰো। আপোনালোকে আইন শৃঙ্খলাৰ ক্ষেত্ৰত আগতে যি অভিযোগ আনিছিল এতিয়া আপোনালোকে সেই অভিযোগ উইড্ৰ কৰক। অসমৰ ৰাইজৰ আশা আছিল আপোনালোক নতুন কৰ্মসূচী নতুন ৰাজনৈতিক সমীকৰণ আগবঢ়াব। কিন্তু সেই আশা আশাতেই

থাকিল। লগে লগে আপোনালোকে আপোনালোকৰ বিৰুদ্ধে অভি-যোগ নামাৰ সৃষ্টি কৰিছে। উত্তৰ পূৰ্ব্বাঞ্চলৰ যি ভয়াবহ পৰিস্থিতি সেই পৰিস্থিতিৰ কোনো সমাধানি কৰিব পৰা নাই বুলি পূৰ্বৰ চৰকাৰক সমালোচনা কৰিছিল। কিন্তু আজি আপোনালোকে কি কৰিছে সেই বিলাকৰ কথা কাগজত টিপ্পনী আকাৰে প্ৰকাশ পাইছে। আলফা সমস্যাটো চিহ্নিত কৰি তাক সমাধান কৰা কোনো উদ্যোগ লোৱা নাই। এই ৯ টা মাহত তেনে কোনো ৰাজনৈতিক উদ্যোগ লোৱা আমি দেখো নাই। কেন্দ্ৰীয় চৰকাৰে যে আমাক বাৰে বাৰে বঞ্চনা কৰি আহিছে। তাৰ বিৰুদ্ধে সজাগ হোৱা নাই। যি বিলাক কাৰণত এই সমস্যা সমূহৰ সৃষ্টি হৈছে তাৰ প্ৰথম কাৰণেই হৈছে নিবনুৱা সমস্যা। কিন্তু তাৰ গতি কি হব সেই সম্পৰ্কে কোনো চিন্তা চৰ্চা কৰা নাই। আমাৰ বৰ্ত্তমানৰ মুখ্য মন্ত্ৰী যেতিয়া বিৰোধী দলত আছিল তেখেত অসম কংগ্ৰেছৰ সভাপতিও আছিল। ৰাজ্য খনৰ প্ৰবল বিত্তীয় সংকটৰ জোৰা মৰাৰ স্বাৰ্থত পূৰ্ব্বৰ চৰকাৰে বুজা পৰা চুক্তিত স্বাক্ষৰ কৰোতে তেওঁ গৰ্জি কৈছিল যে তেখেত ক্ষমতালৈ আহিলে বুজা-বুজিৰ চুক্তি খন বাতিল কৰিব। কিন্তু তেখেতৰ দলেৰে মাননীয় সদস্য শ্ৰীমদন কলিতাই কাগজত বিবৃতি দিছে যে তেখেতে চাকৰি দিব নোৱাৰে। কি পৰিস্থিতিত কৈছে নাজানো। আজিৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে তেখেতৰ দল ক্ষমতালৈ আহিলে বিত্তীয় সংকট জোৰা মাৰিব পাৰিব। কাৰণ তেওঁলোকৰ মাজত হেনো তাৰ কিবা নিৰ্দ্দিষ্ট ফৰমুলা আছে। তেওঁ সেই কথাটো তেতিয়াই সদৰি কৰিব খোজা নাছিল। সেইটোক ভিত্তি কৰিয়েই তেখেতে কৈছিল কৰ্মচাৰীক মাহৰ ১ তাৰিখে দৰমহা দিব পৰা যাব। কিন্তু এক তাৰিখে দূৰৰ কথা মাহটোৰ ভিতৰত দৰমহা দিব পাৰিব বুলিও নিশ্চয়তা নাই। গতিকে তেওঁ কি প্ৰতিশ্ৰুতি দিছিল আৰু সেই প্ৰতিশ্ৰুতি কিয় কাৰ্য্য কৰি হোৱা নাই সেই বিলাক ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিব লাগিছিল। নিৰ্বাচনৰ সময়ত তেখেতে সেই বিলাক এটাও কাৰ্য্য কৰি কৰা দেখা নাই। কংগ্ৰেছ দলে পূৰ্বৰ চৰকাৰৰ বিৰুদ্ধে দুনীতিৰ বিৰুদ্ধেও অভিযোগ আনিছিল। আৰু বাতৰি কাকত সমূহেও সেই বিলাক অভিযোগ

পৰিবেশন কৰিছিল। কিন্তু বৰ্ত্তমানৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই চচ্চ আৰু নিকা প্ৰতিশ্ৰুতি দিছিল কিন্তু তেখেতৰ অন্ধবেশো নিকা ভাৱ-মূৰ্ত্তী প্ৰকাশ পাইছিল। কিন্তু তেখেতৰ লগত যিবিলাক সংগী আছে তেখেত সকলৰ কাম কাজে এতিয়াই সকলোকে চেৰ পেলাই গৈছে। চিণ্ডিকেটোৰে মাহে ৩০ কোটি টকা সংগ্ৰহ তৰুণ গগৈৰ বিৰুদ্ধে চোনিয়া গান্ধীক স্বয়ং কংগ্ৰেছ নেতাৰে অভিযোগ আদি শিৰোনামাৰে বাতৰি কাকতত বাতৰি পৰিবেশন কৰিছে। এনেকুৱা দুৰ্নীতি বহুত বাতৰি শিৰোনামা আছে। বৰাক বাসীয়ে উৎখাত কৰিলে অঞ্জন দত্তৰ চেকগেট। অত্যাধিক হাৰত গেট পাৰকিং, যিজন দত্তই চিণ্ডিকেট পইচা সংগ্ৰহ কৰিছে বুলি হুকাংৰ দিছিল সেইজন দত্তই বৰাকত ২৬ টাকৈ গেট খুলি ধন সংগ্ৰহ কৰা বুলি বাতৰি কাকতত দিছে। সেই বিলাক কথা মিছা বুলি কোনো বাতৰি কাকতত স্পষ্টিকৰণ আমি দেখা নাই। বাতৰি কাকতত কৈছে যে নিমখ কেলেংকাৰীতে ১৮ মাহত কোটি কোটি টকা লুণ্ঠন কৰিছে। এইয়া তেখেতৰ কাহিনী। কোকৰাঝাৰৰ বি, ডি, ওই লাখ টকা আত্মসাদ কৰিলে। বিষয়া পৰিদৰ্শকৰ জেপত সোমাল এক কোটি ২২ লাখ টকা। নলবাৰীত কৰ ফাকিৰ বজাৰ।

আমি ভাল পাইছিলো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিৰোধিতা কৰিছে ডি, চি, ডি, টি, ও, এচ, পি, সকলৰ পৰা টকা সংগ্ৰহ কৰে। ইয়াৰ সত্যতা আছে নে নাই মই নাজানো। বাতৰি কাকতত এই বিলাক ওলাইছে। বাতৰি কাকতক আপোনালোকে বিশ্বাস কৰে। বাতৰি কাকতৰ ওপৰত নিৰ্ভৰ কৰি আপোনাকে কৈছে। আমিও বিশ্বাস কৰিছো। তাৰ ওপৰত নিৰ্ভৰ কৰি আমিও এই বিলাক কৈছো। আজি বাতৰি কাকতত এই কথাখিনি ওলাইছে। কিন্তু কি হ'ল আমোদ কৰ আহিছিল, ঠগিলে, আয়োজনক মুখ্য মন্ত্ৰীলৈ পিচলৈ দাবী কৰিও দি দিলে চলমান কুইজ পনাইটে। আজি মুখ্য মন্ত্ৰীৰ পুঁজি নাই বুলি আমি জানো। কিন্তু আজি আমোদ কৰ বেহাই দিয়া আমি দেখিছো। আজি আমাৰ দত্ত ডাঙৰীয়াই এনকুইয়াৰী দিছে। এই কথাখিনি এতিয়াও বিল বহুত টকাৰ দিবলৈ থাকি গৈছে। ইয়াৰ তদন্ত দিছে বুলি বাতৰি কাকতত

প্ৰকাশ পাইছে আৰু মাহে ১৫ লাখ টকা সৰকাইছে। দৰমহা সম্পৰ্কে আকৌ কেলেংকাৰীৰ কথা আহিছে। ১৯৯১ চনৰ পৰা দৰমহাৰ ওপৰত চি, বি, আই, ৰ তদন্ত চলি আছে। আজি আকৌ সেই একে বিলাক অভিযোগ আহিছে। এই চৰকাৰৰ বিৰুদ্ধে আজি চৰণ ডেকাই কৈছে – কমিশ্যনাৰৰ আশা থকা বিলহে বুলি অভিযোগ কৰিছে। তেওঁলোকে কৈছে যে আমাৰ বিল বন্ধ কৰা হৈছে, ফাইনেন্স ডিপাৰ্টমেন্টৰ পৰা দৰমহা দিব নালাগে বুলি কৈছে। কিন্তু যোৱা ২৬ তাৰিখে ৰিজাৰ্ভ বেংক খুলিছে কিন্তু দৰমহা দিয়া নাই। অথচ এই সময় চোৰাংতে বহুত বিল পাৰ হৈ গৈছে। কিন্তু পাৰ হৈ নেযায় দৰমহাৰ বিল। আজি ওৱাজেদ আলি ডাঙৰীয়াই কৈছে, দৰমহা দিছে। কিন্তু এই অভিযোগ মোৰ নহয়, কমিশ্যনাৰৰ বিলৰ অভিযোগ দিছে চৰণ ডেকাই। আজি চলতেন কেলেংকাৰীৰ কথা নকওঁ, বহুত গাড়ী বিকল হৈ গৈছে। দুই এখন গাড়ী ধৰিছে বুলি কৈছে। কিন্তু আগৰ গাড়ী বিলাক পঞ্জীয়ন নকৰে যাৰ ফলত অজস্ৰ গাড়ী বিকল হৈ গৈছে বুলিও অভিযোগ আহিছে। এই বিলাক বাতৰি কাকতৰ অভিযোগ। বৰ্ত্তমান সমাজ কল্যান বিভাগৰ মন্ত্ৰী বয় ইয়াত নাই। তেখেতৰ সম্পৰ্কেও অভিযোগ আহিছে। ১৮ কোটি টকা মুকলাইছে, এই বিলাক ৰাজহুৱা অভিযোগ। পেট্ৰোল বুলি চলতেন ধৰা পৰিছে। অভিযোগকাৰী ৰক্ষণাবেক্ষণত নাগিছে আৰক্ষী বিষয়া।

অধ্যক্ষ মহোদয়, এই চৰকাৰৰ টকা নাই, কাম কৰিব নোৱাৰে। কিন্তু য'ত টকা আছে, তাতো কাম কৰা নাই। মই উদাহৰণ দিছো, নিৰ্দিষ্ট উদাহৰণ — আমাৰ এ, জি, পি থকা সময়ত প্ৰদান বৰুৱাকে ধৰি ওৱেষ্ট ডেভেলপমেণ্টৰ কিছু আঁচনি আনিছিলো। সেই আঁচনিত দুই কোটি টকা চেংচন হৈছিল। চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ পৰা মৰাতৰি উন্নয়ন প্ৰকল্প, সৰহভাগ তাত অধ্যুষিত অঞ্চল, আৰু নানপানী অধ্যুষিত অঞ্চল। আজি ১১ টা মাইক্ৰ চেট পাৰ্ক কৰা হ'ল, কিন্তু আজি কি হৈছে তাত — লুটপাত চলিছে। অভিযোগ মই আনিছো, নিৰ্দিষ্ট অভিযোগ, ভ্ৰষ্টাচাৰ, দুৰ্নীতি আৰু লুণ্ঠনে

ভূ-সৰ্গত পৰিণত হৈছে—এক মাত্ৰ মাটি পেলোৱা আৰু ৫২২ ট্ৰাক। মাটি পেলোৱাৰ নামত ট্ৰাকে প্ৰতি ৫০ টকা লৈছে। মই কৈছো সৰহ ভাগ কংগ্ৰেছ কৰ্মীয়ে লওঁক, আমাৰ কৰ্মী যিসকল আছে সকলোৱে জানে। তেওঁলোকক দিয়ক, ঠিকা লৈছে লওঁক, কিন্তু বাহনা বাজি কৰিব নেলাগে। আপোনালোকে মাটিৰ নামত দুই কোটি টকা ভাগ কৰি লওঁক। কাৰ কিমান চেয়াৰ আছে, ডি, চি, পি, ৰ যিমান চেয়াৰ আছে লৈ লওঁক। আৰু যিসকল শাসক দলৰ লোকেল কৰ্মী আছে, তেওঁলোককে দিয়ক। কি কাৰণে অঁাচনিখন লোৱা হৈছিল। উপাধ্যক্ষই মোক কৈছে, আমি যি ইচ্ছা তাকে কৰিম, কৰক, আপোনালোকৰ চৰকাৰ, সকলো কৰিব পাৰে। কিন্তু আপোনাকে নকৰ সংস্কৃতিৰ কথা, দুৰ্নীতিৰ কথা। টকা ভাগ কৰি যাওঁক। দুই কোটি টকা কষ্ট কৰি অনা হৈছিল ৰাইজক সহায় কৰিবৰ কাৰণে। টকা লৈ গৈছে যাওঁক, আমাৰ স্থানীয় এম, এল, এ, আপোনালোকে আহোতে যাওঁতে চাব, বৰুৱা চাৰি আলিৰ ওচৰত নেশ্বনেল হাইওৱেৰ পাৰমিশ্বন নাই। জ্যোতি প্ৰসাদ আগৰৱালা সোৱৰণি স্কুলখনৰ কি অৱস্থা হৈছে, মুক্তি যুজাৰু গগণ চন্দ্ৰ গোস্বামী দেৱৰ সেঁাৱৰণ কৰি যি ভৱন হৈছিল সেইটোৰ কি অৱস্থা হৈছে। তাত এটা বাছ আস্থান কৰাৰ নামত লুট পাত আৰম্ভ হৈছে। সেই টকা অনা হৈছিল এ, জি, পি, ৰ দিনত। এ, জি, পি, এটা পইচাও দিয়া নাই। কেইজনমান বিধায়কে দিল্লীৰ পৰা টকা আনিছিল ৰাইজক সহায় কৰিবৰ কাৰণে। এতিয়া মাত্ৰ পুখুৰী খণ্ডাৰ নামত, মাটি পোতাৰ নামত কোনো অঁাচনি নাই, নেশ্বনেল হাইওৱেৰ কোনো পাৰমিশ্বন নাই। কিন্তু তাত মাটি পেলোৱাৰ ব্যৱস্থা কৰা হৈছে। ডি, চি, য়ে কয় আপোনালোকৰ কোনো কথা মানিব নোৱাৰো, মানিব নেলাগে, তোমালোকৰ অধিকাৰ আছে, চৰকাৰ আপোনা-লোকে কৰিছে। আপোনালোকে ডি, চি, আপোনালোকৰ কথা মতে চলিব। খাওঁক দুই কোটি টকা ভাগ কৰি লওঁক। কিন্তু আপোনালোকে নকৰ দুৰ্নীতিৰ বিৰুদ্ধে, আপোনালোকে সেই

নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে ।

বৰ্ত্তমান চৰকাৰৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই মোৰ বিৰুদ্ধে দুৰনীতিৰ অভিযোগ আনি ভিজিলেন্সক দিছে। মই গ্ৰহণ কৰিছো, এইটো আহিব। কিন্তু মই ভাল পালোহেতেন মোৰ বিৰুদ্ধে যদি দুৰনীতিৰ অভিযোগ আহিলহেতেন ৪৫ লাখ ছাত্ৰ ছাত্ৰীৰ বছৰি এক কোটি ৯২ লাখ কিতাপৰ যোগান ধৰাৰ সময়ত। যদি মোৰ বিৰুদ্ধে দুৰনীতিৰ অভিযোগ আহিলহেতেন ২/৩ কোটি টকাৰ প্লেনেট'ৰিয়াম কৰোতে গতো কোম্পানী জাপানৰ লগত যদি মোৰ কিবা অভি-সন্ধি থকাৰ প্ৰমান পালেহেতেন। মই ভাল পালোহেঁতেন। মোৰ বিৰুদ্ধে যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখন কমিটিৰ বাইজে মোক সভাপতি কৰি ২০ হেজাৰৰো অধিক এল, পি. স্কুলৰ ঘৰ নিৰ্মাণ কৰা হৈছিল। মোৰ কাৰ্য্য কালত কোটি কোটি টকাৰ তাত যদি ছিদ্ৰ আছিল, যদি চৰাইদেউক ধৰি ২৪ খন পুৰণা অনুস্থান কৰাৰ ধনলৈ অনিয়ম কৰিলোহেঁতেন, আবিলেকত কৰা কামত যদি অনিয়ম কৰিলোহেতেন, শিশু খাদ্য ন্যাসত যদি মই অনিয়ম কৰি-লোহেঁতেন, মোৰ বিৰুদ্ধে ভিজিলেন্স লগাওক। তেতিয়া মই ভাল পালোহেতেন। কিন্তু মোৰ বিৰুদ্ধে ভিজিলেন্স আহিছে এখন শ্মশান কমিটিৰ অভিযোগ। মিউনিচিপাল বোৰ্ডৰ পৰি থকা ২৭ বিঘা মাটি চৰকাৰে দিব নোৱাৰে। থৰি খেৰ দিবলৈ বাইজে মোক মাতি আনিছে আৰু কৈছে মিউনিচিপালিটিক পইচা দিব নোৱাৰি। কিন্তু বাইজে যদি দিয়ে ব্লকৰ পৰা দুই এক পইচা দি সহায় কৰিম, কিন্তু বাইজে কৰিব লাগিব। বাইজে কৰিছে। যোৱাবাৰ পি, এ, চি কমিটিৰ পৰা শ্মশানখন চাবলৈ গৈছিল। এই শ্মশান খনৰ তদন্ত আহিছিল, বাইজে অগ্নিক্ষেত্ৰ কৰিছে।

ডি, চি য়ে মোক কৈছে এইটো ভিজিলেন্স আহিছে চাৰ। মই কলো এইটো বাইজে কৰা অন্য কাৰণত পইচা দিছে, ইমান দিন কিয় পৰি থাকিল। আপোনালোকৰ এইখিনি আমি হস্তগত কৰিম। তেজপুৰ গভৰ্ণমেন্ট হাইস্কুলৰ বিল্ডিং দহ বছৰ পৰি

থাকিল, সম্পূৰ্ণ নহল । প'লিটেকনিকত কোটি কোটি টকা গৈছে, আজিলৈকে সম্পূৰ্ণ হোৱা নাই। আজি কোটি কোটি টকা বাস্তা-মাৰী ষ্টেডফেড অনুষ্ঠানত পৰি থাকিল। সেইটোত কৰিব বিচৰা নাই। ৩৭ বিঘা মাটি লৈ শ্মশান এখন কৰিছে, সেইটো অন্য ধৰণে কৰিব বিচাৰিছে। সেইটো সময় হোৱা কাৰণে বিচাৰিছে, ৰাইজক উদ্বোধন কৰিবলৈ দিয়ক। সময় নিদিলে, মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক সাত মাহত এবাৰ টেলিফোন কৰিছিলো। আৰু কৈছিলো এনেকুৱা আৰু হৈছে। আপোনালোকে নাজানে, এইটো তলৰ লেভেলত হৈছে। আপুনি যদি এবাৰ অনুমতি দিয়ে ৰাইজে উদ্বোধন কৰাৰ পিচত আপোনালোকে লওঁক। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে মই নাজানো। কিন্তু আমি হাইকোর্ট কৰিলো। মানুহৰ শেষ যাত্ৰা এই নিকৃষ্ট ৰাজনীতি আৰম্ভ হৈছে। এই নিকৃষ্ট ৰাজনীতি আৰম্ভ হৈছে মানুহৰ শেষ যাত্ৰা ঠাই থিনকলৈ। এই ধৰণৰ সংস্কৃতি গঢ় লব। ডেদবোডি লৈ গলেও এতিয়া ডি, চি, বিষয়াৰ পাৰমিচন লব লাগিব। এই ৰাজনীতি আৰম্ভ কৰিছে। এইটো কি নতুন সংস্কৃতি। আজি সেই কাৰণে এই প্ৰশ্ন মই দিছিলো, যিহেতু আজিয়ে কৈছো মোক আৰু প্ৰশ্ন নালাগে। আজি এই প্ৰশ্ন হয়তো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ অগোচৰত হৈছে। মই তেখেতক দোষাৰোপ কৰা নাই। কিন্তু তলৰ পৰ্য্যায়ৰ সেই বিলাকক কৈছো। মই বিচাৰো এক নতুন সংস্কৃতি গঢ় লওঁক, ৰাজনৈতিক জীৱনত এক নতুন আদৰ্শই নতুন কাৰ্য্যসূচী লওঁক। সকলো কথা মুখ্য-মন্ত্ৰী ডাঙৰীয়াই গম নাপাব পাৰে।

আজি এই সুযোগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিষয়টো অৱগোচৰ কৰিছো। এই বিলাক কাম তলত পৰ্যায়ত কৰিছে বুলি অনুমান কৰিছো আৰু বিষয়টো তেখেতৰ দৃষ্টিগোচৰ কৰিছো। নতুন সংস্কৃতি নতুন দৃষ্টিভঙ্গীৰ আদৰ্শৰ নিয়ম শাসনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টিলৈ এই বিলাক কথা হয়তো অহাই নাই কাৰণেই এই প্ৰসঙ্গত উল্লেখ কৰি থলো।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা বিষয়লৈ অলপ কব খুজিছো। মানৱতাৰ উলংঘন কৰা হৈছিল যে সেইটো স্বাস্থ্য বিভাগে শিশু হত্যাকাৰী ৰূপত অৱতীৰ্ণ হৈছে। মনিলনা আয়োগৰ ৰিপোৰ্টত হিউম্যান ৰাইটচ্ কমিশ্বনৰ পৰা অসমত মানৱতাৰ উলংঘনৰ কথা স্বাস্থ্য বিভাগে নিজেই শিশুৰ হত্যাকাৰী হোৱা প্ৰকাশ পাইছে। বৌভা এলেকাত পালচৰ ভিক্টিম হৈ আঠত্ৰিশ জন আক্ৰান্ত হৈছে। এই বিলাক হৈছে স্বাস্থ্য বিভাগৰ কৰ্মৰ নিদৰ্শন। এই বিলাক কথা কাকতে পত্ৰে ওলাই আছে। তথাপি বিভাগৰ কোনো কাণষাৰ নাই। কিন্তু ইয়াৰ কোনো ধৰণৰ চৰকাৰী স্পষ্টীকৰণ কাকতে পত্ৰে দিয়া দেখা নাই। চৰকাৰী ভাবে বিতৰণ কৰা বুট খাই বহু লোক আক্ৰান্ত হৈছে। এই বিলাক কথাও কাগজত প্ৰকাশ পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, আই, এম, ডি টি আইন সম্পৰ্কীয় কথা চুপ্ৰীম কোৰ্টত আছে। গতিকে চাবজুডিচ কাৰণে সেই বিলাক কথা ইয়াত উনুকিয়াব খোজা নাই। কিন্তু এটা কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা উল্লেখ কৰিব খোজো যে মুখ্যমন্ত্ৰীয়ে আই-এম-ডি-টি বিৰোধীতা কৰাসকল দেশদ্ৰোহী বুলি কবলৈ বিচাৰিছে ? এইটো এটা জৰুৰী বিষয়। সমস্যা জৰ্জৰ অঞ্চলটোৰ কাৰণে সেই কথাই যথেষ্ট। ইয়াৰ দ্বাৰা এটা ইচু হব পাৰে। বাতৰি কাকতত ওলাইছে এজন বিদেশী বহিস্কাৰ কৰিবলৈ ২৭ লাখ টকা খৰচ পৰে। টি, বিউ নৈল আদি বিচাৰ সম্পৰ্কীয় বিধি ব্যৱস্থাত। কিন্তু, ওচৰৰ পশ্চিমবংগ ৰাজ্যত বিদেশী বহিস্কাৰৰ ক্ষেত্ৰত আছে।

Sir if a foreigner is detected in West Bengal he is tried under the Rule of cow whereas in Assam a foreigner is treated under IMDT Act.

আন এটা কথা এই সুযোগতে মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। ৭৫০০ বিঘা মাটি বাংলাদেশৰ কবলত সোমাই পৰিছে। এই বিষয়ত মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বক্তব্যত পৰিস্কাৰ কৰিব

বুলি আশা কৰিছো। আন এটা কথা হৈছে আই এচ-আই প্ৰসঙ্গ। নুমলিগড়তে ওলাইছে আই-এচ-আই গুৱাহাটীৰ পৰা পাচপোর্ট লৈ উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে সাংঘাটিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব পাৰে। তেনে আন্তৰ্জাতিক শক্তিৰ প্ৰতি দৃষ্টি দিয়াৰ কাৰণে এই সুযোগতে মাননীয় মুখ্য মন্ত্ৰীৰ প্ৰতি অনুৰোধ ৰাখিছো। অধ্যক্ষ মহোদয়, আন এটা কথাৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এতিয়া শিক্ষাবৰ্ষৰ আৰম্ভণি দেখি শিক্ষা ক্ষেত্ৰত ইতিবাচক দিশ নাই নেতিবাচক দৃষ্টিভঙ্গীহে পৰিলক্ষিত হৈছে বুলি কব লাগিব। সহিত্য আৰু গণিত একে কিতাপতে পাঠ্য কৰি তুলিছে। এই বিলাক কথা চিন্তা কৰি চোৱাৰ প্ৰয়োজন হৈছে। আগতে এপ্ৰিলত শিক্ষাবছৰ আৰম্ভ হৈছিল। এতিয়া শিক্ষা বছৰ মে মাহৰ পৰা আৰম্ভ হয়। কৰ্মদিন ৮৭ দিন বেছি আছিল। এতিয়া পূজা ধান চপোৱাৰ সময়। এই বিলাক চোৱাৰ সময়। ছাত্ৰ-ছাত্ৰী সকলে কিমান বেছি উপকৃত হ'ব পাৰে। শিক্ষা লোৱা সময় কিমান বেছি কৰিব পাৰিলে সেইটোহে লক্ষ্য কৰিব লাগে। কৰ্মদিন কমি যোৱাৰ লগতে শিকাৰ সময় কমি যোৱাটো স্বাভাৱিক। এই দিশলৈ চকু দিবলৈ আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী আৰু মুখ্য মন্ত্ৰী মহোদয়লৈ অনুৰোধ ৰাখিলো আগতে বিনামূলীয়া পাঠ্যপুথি দিয়া হৈছিল। সেইটো কংগ্ৰেছী চৰকাৰৰ দিনটো অব্যাহত আছিল। আমাৰ দিনত ৪৫ লাখ লৰা ছোৱালীৰ মাজত এক কোটি বিৰাশি লাখ টকাৰ কিতাপ বিতৰণ কৰিছিলো। সেই কাৰণেই শিক্ষাৰ হাৰ শতকৰা ষাঠি শতাংশৰ পৰা শতকৰা চৌষষ্টি হৈছেগৈ। আমাৰ দিনত দিয়া ইন চেনটিভৰ কাৰণেই এই হাৰ উৰ্দ্ধগামী হৈছে বুলি ভাবিবৰ নিশ্চয় থল আছে। বিনামূলীয়া কিতাপ পাই পঢ়াৰ প্ৰতি, শিক্ষাৰ প্ৰতি ধাউতি অতি দৰিদ্ৰজনৰো বাঢ়ি গৈছিল। কিন্তু এতিয়া এই বিনামূলীয়া কিতাপ কিয় বন্ধ কৰা হ'ল। মই নিজে ডি-আৰ-এচ-চি মিটিঙত আছিলো। কিতাপৰ কাৰণে পাবলগীয়া ধন কিতাপ দিওতাই কোনো কোনো ক্ষেত্ৰত পাবলৈ বাকী আছে। আমি বিনামূলীয়া কিতাপ বিতৰণ কৰি সমালোচনাৰ সন্মুখীন

হৈছিলো যদিও সমাজৰ দৰিদ্ৰজনো ইয়াৰ দ্বাৰা উপকৃত হৈছিল। এতিয়া কিন্তু সেই ব্যৱস্থা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজি যি দৰমহাৰ কথা ওলাইছে আৰু আপোনালোকে যি পঞ্চায়ত নিৰ্বাচন আৰু ৰাইট টু ইনফৰমেচনৰ কথা কৈছে আমি বিৰোধী দলত থাকিও সুখী হৈছো। আমিও বিচাৰো পঞ্চায়তে ক্ষমতা পাওঁক। আজি আপোনালোকে ঠিক তেনেদৰে পুলিচ বিভাগক পুনৰ গঠন কৰাৰ কথা চিন্তা কৰিছে, এইটো বৰ ভাল কথা হৈছে। কিন্তু থানা এখনত পুলিচ এজনৰ চেহেৰা দেখিলেই গম পোৱা হয় যে তেওঁলোকক উপযুক্তভাবে প্ৰশিক্ষণ দিয়া হোৱা নাই। আজি আমাৰ অসমৰ গুৱাহাটীত যিটো ফৰেনচিক লেবোৰেটৰী আছে তাক অত্যাধুনিক যন্ত্ৰপাতিৰে সজাই পৰাই তুলিলে আমিও ভাল পাম। আজি মাননীয় হৰেণ দাস ডাঙৰীয়াই চৰকাৰৰ ওচৰত যি প্ৰতিবেদন দাখিল কৰিছে তাৰ গোটেইখিনি আমাৰ গ্ৰহণযোগ্য নহয়। তাত তেখেতে উল্লেখ কৰিছে যে অসমৰ ৪৯ টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠাতে ৯ কোটি ১০ কোটি ২০ কোটি দিবলগীয়া আছে। আনকি এই প্ৰতিবেদনত ২৫/৩০ মাহ পৰ্য্যন্ত একোটা প্ৰতিষ্ঠানে বেতন মোপোৱাটো দেখুৱাইছে। আজি কেন্দ্ৰীয় চৰকাৰে যি ৪৫ হাজাৰ কৰ্মচাৰী চাটাই কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো ভাল কথা হৈছে। কিন্তু সেই কৰ্মচাৰী খিনিৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। এইটো কম ডাঙৰ কথা হোৱা নাই। আজি কেন্দ্ৰীয় চৰকাৰে অসমখন এখন সমৃদ্ধিশালী ৰাজ্য বুলি ভাবি যি সিদ্ধান্ত লৈ ৬০০০ কোটি টকা ধাৰৰ লগতে সুদ দিয়াৰ বাবে ব্যৱস্থাত কৈছে তাত আমাৰ চৰকাৰৰ দিনতে হৈছে। মই আমাৰ গণ পৰিষদ চৰকাৰৰ দিনত হোৱা নাই বুলি কোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ অসমৰ পৰা ৰেলমন্ত্ৰী হোৱা নাই। নিয়োগৰ ক্ষেত্ৰত অসমৰ লৰাক চাকৰি বাকৰি দিব পৰা মন্ত্ৰী হোৱা নাই। আজি কেন্দ্ৰীয় খণ্ডৰ প্ৰতিষ্ঠানতো আমাৰ লৰাই চাকৰি পোৱা নাই। মাননীয় হৰেণ দাস ডাঙৰীয়াৰ ৰিপোৰ্টত এই

